REFERENCE
(Not for Issue)
Reading ... Library

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### Volume—II

### No.—22

THE 7th MAY, 1970

PRINTED AT
GIRIJA PRINTERS & PUBLISHERS
KAHILIPARA :: GUWAHATI-781019

PROCEEDINGS OF THE NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The Assembly met in the Assembly Chamber, Shillong at 10 A .M. on Thursday, the 7th May 1970.

PRESENT.

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Nine Ministers, Six Ministers of State, Three Deputy Ministers and forty Members.

## QUESTIONS AND ANSWERS

### STARRED QUESTION

( To which oral answers were given )

Re : Assam Secretariat Subordinate Services Rules

Shri JOGEN SAIKIA asked :

*180. Will the Chief Minister be pleased to state—

(a) Whether the Government is aware that there is stagnation in promotion in the Secretariat Subordinate Services especially in the cadre of Lower Division Assistants ?

(b) Whether the Government is aware that this stagnation is primarily due to the fact that in the year 1954 a provision to attract the Assistant with 7 years continuous service from the Heads of Departments and other District and Subordinate Offices for the post of Upper Division Assistants was in-corporated in the Subordinate ( Secretariat ) Services Rules ?

(c) Whether the then prevailing circumstances in the dearth of experienced personnel in the Secretar at still exist even after a lapse of 15 years ?

(d) If not, what is the justification in following the above practice even today thus closing the opening for Lower Division Assistants to get promotion ?

(e) Whether Government is aware that many of the Secretariat Lower Division Assistants are not getting promotion in spite of putting in more than 7 years service because of following the practice stated above ?

(f) Whether Government propose to consider about renewing the above practice to remove the cause of stagnation and resultant resentment in the minds of the Lower Division Assistants of the Secretariat ?

Shri BIMALA PRASAD CHALIHA ( Chief Minister ) replied

180. (a)-- Yes, the stagnation in promotion is occasional in almost all cadres of services. In the cadre of L. D. Assistants in the Assam Secretariat Services, it should nor-

mally take 18 years for one to reach the maximum of the scale. But from past records in the last two decades, it is seen that promotion to the next higher cadre has been obtained in between 3 years and 10 years of service in L. D. cadre.

(b)—Prior to Assam Secretariat Subordinate Service Rules, 1954 came into force there was also provision for recruitment of 30 per cent of U. D. Assistant posts in the Secretariat from other sources and promotion quota was 70 per cent for L. D. Assistants vide Rule 15 of the Assam Secretariat Subordinate Service Rules, 1951. The provision in 1954 Assam Secretariat Subordinate Service Rules to recruit 12½ per cent from the Assistants of Heads of Departments and Subordinate Offices to the Secretariat cannot be treated as a new one. The very intention of recruitment of talented and meritorious and experienced Assistants of Heads of Departments and other Offices is for better administration and for giving scope of promotion to them as they have got limited scope for the same now. So the procedure of recruitment of Assistants of Heads of Departments and Subordinate Offices was not the cause of stagnation.

Due to the expansion of Development schemes and plan schemes, many new posts and Departments were created during the plan period. At that time many new recruitment was made in the Secretariat and persons already in service got quick promotion. The position is not as such now and the creation of new posts and Departments is very few and far between and as a result promotion in various cadres of Secretariat Services has been limited. This is one of the causes for stagnation.

(c)—Recruitment from the Heads of Department/Subordinate Offices was resorted to not due to dearth of ex-

perienced personnel but for reasons as stated above at (b).

(d)—Does not arise in view of (c).

(e)—Government is aware of the fact that many Secretariat Assistants, who have put in for more than 7 years service as such, have yet to get promotion to the next cadre for reasons already indicated in reply to question (b).

(f)—The Pay Committee Report of 1964 recommended that the percentage of the category of staff should be raised from $12\frac{1}{2}$ per cent to 20 per cent. Government therefore, do not propose to do away with the existing rule for this category of staff.

Dr. Bhupen Hazarika :—The allegation is about stagnation and the Hon'ble Minister has also shown different reasons for such stagnation. May I know whether the Lower Division Assistants have ever collectively represented for removal of such stagnation ?

Shri Bimala Prasad Chaliha :—They must have represented ; but I cannot say exactly represented.

Shri Jogen Saikia :—Has the Government made efforts to find some way out of this stagnation ?

Shri Bimala Prasad Chaliha : There have been efforts to remove the stagnation from time to time ; but it has not been possible to remove stagnation completely.

Re : Measures for Protection of Naharkatia Town from erosion of Dihing River

Shri Bhadreswar Gogoi asked :

*১৮১। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) নাহৰকটীয়া টাউনখন দিহিং নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবৰ বাবে চৰকাৰে কোনো প্রকাৰৰ আঁচনি লৈছেনেকি ?

(খ) ১৯৬৫ ইং চনৰ পৰা গড়াখহনীয়া ৰক্ষা কৰিবৰ বাবে কিমান টকা খৰচ কৰা হৈছে ?

Shri Mahendra Mohan Choudhury ( Minister, P. W. ( F.C. and I. ) Department ) replied :

১৮১। (ক)—হয়, এনে এখন আঁচনি লোৱা হৈছে।

(খ)—১৯৬৫-৬৬ ইং চনৰ পৰা মুঠ ৪,১৬,৯৫৩·০০ টকা খৰচ হৈছে।

Shri Bhadreswar Gogoi : ছাৰ, এই বছৰ তাত কাম হৈছেনে ?

Shri Kamakhya Prasad Tripathi :—ছাৰ, বছৰি কাম হৈছে।

Shri Atul Chandra Goswami :—এই আচনিটো কেনে ধৰণৰ আচনি ? কেৱল মঠাউৰী বন্ধা নে লগতে তাত যি সকল বানবিধ্বস্ত হৈছে, তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা আচনি ? এই আচনি সম্পর্কে আমাক বিতং খবৰ জনাবনে ?

Shri Kamakhya Prasad Tripathi :—ইয়াত Timber Spur দিয়া হৈছিল ১,৬৭,০০০, টকা খৰচ কৰি। যেতিয়া এইবিলাক নিটিকিলে, তেতিয়া C. P. W. D. ক consult কৰাত Bolder Packing আৰু Brush wood Packing দিবলৈ কলে। এইদৰে কৰাত টিকিলে। এতিয়া তিনিটা Additional Spur কৰিবলৈ কৈছে। এই বিলাক Spur ১৯৬৮-৬৯ চনতে দিব লগীয়া আছিল। কিন্তু এতিয়াও complete হোৱা নাই।

Jonab Rahimuddin Ahmed :—Packing আৰু Patching

দুটা কথা আছে। Packing ত cement লাগে আৰু Patching ত cement ৰ দৰ্কাৰ নাই— কিন্তু Brush দিলেই হয়। এই Packing কৰোতে cement ৰ নাম লৈ কিজানি দিয়াই নাই?

Shri Kamakhya Prasad Tripathi :—Packing ত cement use কৰা নাই ; তাৰ মূৰটোক Nose বুলি কোৱা হয় আৰু তাত শিল দিয়া হৈছে।

Shri Bhadra Kanta Gogoi :—অধ্যক্ষ মহোদয়, নৈৰ পৰা প্ৰায় ২০´ ফুট্ দূৰতে এজন মানুহে ইটাৰ ভোটা কৰিছে। তাৰ ফলত নৈৰ পাৰটো একেবাৰে দূৰ্ব্বল হৈ গৈছে। এই বিষয়ে চৰকাৰে জানেনে?

Shri Kamakhya Prasad Tripathi :—ইটাৰ ভোটা কৰোতে নৈৰ পাৰ দূৰ্ব্বল হোৱাটো বিজ্ঞান সন্মত হয়নে নহয়, কব নোৱাৰোঁ।

Shri Bhadra Kanta Gogoi :—এই বিষয়ে নাহৰ কটিয়া টাউন কমিটিয়ে PWD আৰু E & D ক যোৱা ৩ বছৰ ধৰি আপত্তি কৰি আহিছে। ২০´ ফুট্ দূৰতে দগাত খানিলে নৈৰ পাৰ দূৰ্ব্বল নহবনে?

Shri Kamakhya Prasad Tripathi :-মাননীয় সদস্যই কব খুজিছেনে কি নৈৰ পাৰত ইটাৰ ভোটা কৰাৰ কাৰণে গৰা খহনীয়া বেছি হৈছে?

Shri Bhadra Kanta Gogoi :- ভাতাৰ বাবে ওচৰৰে পৰা বালি চুৰি কৰি নি আছে যাৰ ফলত দাতিত নৈয়ে খহাইছে আৰু ১০০cft. ৰ যদি Permit পায়, ১০০০ cft বালি তুলিছে। এইটো Report কৰা হৈছিল এই কথা চৰকাৰে জানে নে?

Shri Kamakhya Prasad Tripathi :--এই বিষয়ে আমাৰ কোনো খবৰ নাই। তত্বাৱধান কৰিব লাগিব।

Re : Erosion-affected families in Majuli

শ্ৰীমহিধৰ পেগুৱে সুধিছে :

*১৮২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ইং ১৭ জুন (১৯৬৯) তাৰিখে মাজুলীৰ বিভিন্ন ঠাইত মথাউৰী ছিগাৰ ফলত (১) কিমান পৰিয়াল সম্পূৰ্ণ গৃহহীন হ'ল আৰু (২) কিমানটা পৰিয়ালৰ মাটি ৰাৰী বালিয়ে পুতি খেতিৰ অনুপযোগী কৰিলে?

(খ) উল্লিখিত কাৰণত গৃহহীন আৰু ভূমিহীন পৰিয়াল সকলৰ পূৰ্ণ-ৰসতিৰ বাবে এতিয়ালৈকে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

(গ) এই লোক সকলৰ কোনো ঠাইতে পূৰ্ণ ৰসতিৰ বন্দোৰস্ত নোহোৱাৰ বাবে অদ্য পৰিমিত প্ৰায় অঘৰীৰ দৰেই জীৱন নিৰ্ব্বাহ কৰি থকা কথাটো চৰকাৰে জানেনে?

(ঘ) যদিহে উল্লিখিত (খ) প্ৰশ্নৰ উত্তৰ ইতি বাচক হ'ল তেন্তে অতি খৰটকীয়া উপায়েৰে এই দুৰ্ভগীয়া লোক সকলক সম্পূৰ্ণ চৰকাৰী দায়িত্বৰে কোনো নিৰাপদ ঠাইত বসবাস কৰোৱাৰ ব্যৱস্থা চৰকাৰে হাতত লবনে?

ৰাজহমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে:

১৮২। (ক)—(১) গৃহহীন হোৱা পৰিয়ালৰ সংখ্যা ১০৪ আৰু (২) বালিয়ে পুতি খেতিৰ মাটি অনুপযোগী কৰা পৰিয়ালৰ সংখ্যা হ'ল ২২৫।

(খ) মাজুলীত পুনৰ্বসতিৰ বন্দোবস্তি কৰিবলৈ উপযোগী মাটি নথকাত, এই পৰিয়ালসমূহৰ পৰা লক্ষীমপুৰ আৰু দৰং জিলাত মাটি বন্দোবস্তি পাবৰ কাৰণে আবেদন পোৱা হৈছে আৰু সেইবোৰৰ যোগ্যতা পৰীক্ষা কৰি লক্ষীমপুৰ আৰু দৰং জিলাৰ উপায়ুক্ত আৰু উত্তৰ লক্ষীমপুৰৰ মহকুমাধি-পতিলৈ পঠোৱা হৈছে।

(গ) বানপানী নামি যোৱাৰ পিচত এই শ্ৰেণীৰ পৰিয়ালসমূহে ঠায়ে ঠায়ে পুনৰ অস্থায়ী ঘৰ সাজি বসবাস কৰি আছে।

(ঘ)—বান-বিধ্বস্ত আৰু গবাখহনীয়াৰ দ্বাৰা আক্ৰান্ত পৰিয়ালৰ পুনৰসংস্থাপনৰ কাৰণে চৰকাৰে ইতিমধ্যে যোৰহাট মহকুমাৰ কাকডোঙ্গা সংৰক্ষিত বনাঞ্চল খুলি দিবলৈ সিদ্ধান্ত লৈছে। তাৰোপৰি শিৱসাগৰ জিলাৰ ভিতৰত সুবিধা অনুযায়ী ঠায়ে ঠায়ে পুনৰসংস্থাপনাৰ ব্যৱস্থা লোৱা হৈছে।

Shri Ramesh Mohon Kauli :—চাৰ, এইটো কথা জানিব পাৰোনে যে, যি সকল বানবিধস্থ গৃহহীন লোক তেওঁলোকক জিলাৰ উপায়ুক্তই বা Local authority য়ে ভূমিহীন, বানবিধস্থ বুলি certificate দি উত্তৰ লক্ষীমপুৰ আৰু দৰং জিলালৈ পুনৰ বসতিৰ কাৰণে পঠাইছে। এনেকুৱা বহুত কেচ আছে যে যিবিলাক মাজুলী আৰু শিৱসাগৰৰ মানুহকো কিয় Eviction ৰ Notice দিছে এই কথাটো জানিব বিচাৰিছো ?

Shri Kamakhya Prasad Tripathi :—কিমান সংখ্যা আছে এই বিষয়ত আয়ুক্ত লক্ষীমপুৰৰ কাৰ্য্যালয়ত ৫ খন দৰখাস্ত, লক্ষীমপুৰ মহকুমাধিপতিৰ অফিচত ১৬ খন দৰখাস্ত, শিৱসাগৰ মহকুমাধিপতিৰ কাৰ্য্যালয়ত এখন দৰখাস্ত আৰু দৰং জিলাৰ আয়ুক্তৰ অফিচত এখন দৰখাস্ত মুঠ ২৩ খন দৰখাস্ত।

Shri Ramesh Mohon Kauli :—এই বিলাক মানুহক S.D.C. এ বানবিধস্থ বুলি certificate দিছে। ইয়াৰ পাচতো কিয় উচ্ছেদ কৰিছে এই কথাটো জানিব বিছাৰিছো।

Shri Kamakhya Prasad Tripathi :—তেখেত সকল ইতিমধ্যে বেলেগ জিলালৈ গৈছেনেকি ?

Shri Ramesh Mohon Kauli :—তেনেকুৱা বহুত আছে।

Shri Kamakhya prasad Tripathi :—এতিয়া যিবিলাক মানুহে তাত গৈ ৰহিছে তেওঁলোকে জিলাধিপতি যি হিচাবে ৰহিবলৈ কৈ সেই-হিচাবে নবহিলেই তেনেকুৱা হব পাৰে।

Shri Ramesh Mohon Kauli :—গৃহহীন, বানবিধস্থ মানুহে য'ত পতিত মাটি বা চৰকাৰী পতিত মাটি আছে, য'ত খেতিৰ উপযোগী

তাতহে বহিছে। কিন্তু তাত ৰহি থকা স্বত্তেও বা তাত বাস কৰি থকা স্বত্তেও কিয় তেওঁলোকক উচ্ছেদ কৰা হৈছে।

Shri Kamakhya Prasad Tripathi :—যেতিয়াই আইনমতে বেদখল হয় তেতিয়াই উচ্ছেদ কৰা হয়।

Shri Ramesh Mohon Kauli :—বেদখলৰ প্ৰশ্ন আহে যিহেতু তেওঁলোক গৃহহীন। তেওঁলোকে কোনো ঠাইত বসবাস কৰাৰ পাচত অফিচাৰ বিলাকে তেওঁলোকক উচ্ছেদ কৰি আক্ৰান্ত কৰাৰ কথা চৰকাৰে জানেনে ?

Shri Kamakhya Prasad Tripathi :— সেইটো খবৰ নাই। কিন্তু অসমত যিমান বেদখল হৈছে, তেওঁলোক বানবিধস্থ হলেই আৰু ইচ্ছামতে বহিলেই সেইটোয়ে আইন সংঙ্গত হব সেহটো নহয়। গতিকে য'ত বহিবলৈ কয় তাত ৰহিব লাগিব। মানুহ ইচ্ছামতে ৰহিলে তাৰ পৰা আতৰাবলৈ বাধ্য আৰু বাইজেও ৰহুত সময়ত কৰে।

Shri Jogen Saikia :—মই জানিব বিছাবিছো যে, মাজুলী শালমাৰাত বানবিধস্থ মানুহক লক্ষীমপুৰত মাটি দিবৰ কাৰণে চৰকাৰে হুকুম দিছিল। আজি ২ মাহৰ পাচতো এই ব্যৱস্থা কৰা হোৱা নাই। এইটো অতি সোনকালে হবনে ?

Shri Kamakhya Prasad Tripathi :— এইটো বিবেচনাধীনহৈ আছে।

Shri Nameswar Pegu :—এই বানবিধস্থ মানুহ সম্পৰ্কত মোৰ জ্ঞান আছে। আজি বহুতে শিৱসাগৰ জিলা আৰু শোৱনশিৰী অঞ্চলৰ মানুহে D.C. আৰু S.D.C. ৰ পৰা হুকুম লৈ S.D.C. এ দেখুৱাই দিয়া মাটিত বহিছে। কিন্তু সেইবিলাকৰ আজিলৈকে পট্টা দিয়া নাই। তাত আজি যুদ্ধ হোৱাৰ উপক্ৰম হৈছে। যদি এই বিলাক ৰেমেজালি থকাত সমস্যা-সমাধান নহয়। বহুদিনৰ পৰা দখল কৰি থকা স্বত্তেও তেওঁলোকে পট্টা

আদি পোৱা নাই। এই মাটি সমস্যাটো সমাধান কৰিবৰ কাৰণে কিবা ব্যৱস্থা লবনে ?

(No-reply)

## Re : Cultivable lards adjacent to Leprosy Colony in Kaziranga Game Sanctuary

ডঃ ভূপেন হাজৰিকাই সুধিছে ঃ

*১৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাজিৰঙা অভয়াৰণ্যৰ ওচৰত থকা কুষ্ঠাশ্ৰমৰ তত্বাৱধানত কৃষিৰ উপযোগী কিমান মাটি আছে ?

(খ) সেই মাটিখিনিত চৰকাৰে কৃষিৰ বাবে কি পৰিকল্পনা হাতত লৈছে ?

(গ) অনতি পলমে কৃষি বিভাগে সেই পতিত মাটিৰ সদব্যৱহাৰৰ বাবে কি পৰিকল্পনা হাতত হ'ব ?

কৃষিমন্ত্ৰী শ্ৰীলক্ষীপ্ৰসাদ গোস্বামীয়ে উত্তৰ দিছে ঃ

১৮৩। (ক)—প্ৰায় ৩২৫ একৰ।

(খ)—এই কুষ্ঠাশ্ৰম খন কৃষি বিভাগৰ অধীনত নহয়; গতিকে কৃষি বিভাগে তাত কৃষিৰ বাবে কোনো আঁচনি হাতত লোৱা নাই।

(গ)—এই কথা নুঠে।

Dr. Bhupen Hazarika : মই শুনাত কুষ্ঠাশ্ৰমত দুই ধৰণৰ কুষ্ঠ-ৰোগী আছে। এবিধ ভাল হৈ যোৱাৰ পিচত Rehabilitationৰ কাৰণে ঘৰ কৰি দিয়া হৈছে। তেওঁলোকৰ উপকাৰৰ কাৰণে, যিবিলাকে কৃষিত কাম কৰিব পাৰে বুলি চিকিৎসা বিভাগৰ পৰা কোৱা হৈছে তেওঁলোকৰ

পুনৰ বসতিৰ কাৰণে আৰু শাৰীৰিক আৰু মানসিক engagementৰ কাৰণে পৰিচালনা সমিতিয়ে কিবা scheme দিছেনেকি ?

Shri Lakshmi Prasad Goswami : আমি এইটো লম। এই সম্বন্ধে ১৯৬৭ চনতে আমাৰ ফলমূলৰ বিষয়াজন সেই ঠাইলৈ এবাৰ গৈছিল। তাত কুষ্ঠাশ্ৰমত পৰিচালনা সমিতিক কিছু পৰামৰ্শ আগবঢ়াই আৰু সেই পৰামৰ্শমতে তেখেতসকলে এটা প্ৰস্তাৱ আগবঢ়ালে ফলমূলৰ কিছুমান ব্যৱস্থা লোৱাৰ কথা ভাবিছিলো। কিন্তু ১৯৬৭ চনৰ পাচত তেওঁলোকে কোনো প্ৰস্তাৱেই আমালৈ আগবঢ়োৱা নাই। তেওঁলোকে আচনি লৈ কিবা প্ৰস্তাৱ আগবঢ়ালে নিশ্চয় গ্ৰহণ কৰিম।

Dr. Bhupen Hazarika : অনুগ্ৰহ কৰি ৰাজহ মন্ত্ৰীক কৰ যাতে আন মানুহে সেই ৩২৫ একৰ মাটি বেদখল নকৰে।

Shri Lakshmi Prasad Goswami : যদি আশ্ৰমে এই বিষয়ে এটা প্ৰস্তাৱ আগবঢ়ায় তেতিয়া আনে লোৱা প্ৰশ্নই নাহে।

Shri Atul Chandar Goswami : অসম সেৱাশ্ৰম মোৰ সমষ্টিতে। মইও তাৰ সদস্য। এদিন মাননীয় বিত্তমন্ত্ৰীমহোদয়ৰ কোঠাত মই আৰু মাননীয় সদস্য শ্ৰীনবেন শৰ্ম্মা বহি আছিলো। অসম চিকিৎসা বিভাগৰ Director জনো আছিল। Director ক ইয়াৰ কাৰণে এখন আঁচনি আঁচনি কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছিল। সেইমতে Director তালৈ গৈছিল। তৈয়াৰ কৰা হল যদিও স্থানীয় সদস্যক তাত লোৱা নগল। এই ৩২৫ একৰ, ধুনীয়া খেতিৰ মাটি। ইয়াত কাৰ্যতঃ খেতিৰ ব্যৱস্থা লবৰ কাৰণে চেষ্টা কৰা হবনে ?

Shri Lakshmi Prasad Goswami : তেনে আঁচনি আমাৰ হাতলৈ অনা নাই। মই কৃষি সম্বন্ধেহে কব পাৰিম। বাকী বিলাক Medical Minister ক প্ৰশ্ন কৰিলে নিশ্চয় কব পাৰিব।

Shri A.N. Akram Hussain : ছাৰ, কুষ্ঠাশ্ৰম আদিত অনেক আশ্ৰমত হাজাৰ হাজাৰ একৰ মাতি চৰকাৰে দিছে। তেনেকৈ আমাৰ বকো 'মাও

মান' আশ্ৰম। যত হাজাৰ হাজাৰ বিঘা মাটি আছে। সেই মাটি বিলাক অনুস্থান সমূহৰ কামত লগাবলৈ দিব লাগে। নহলে সেই মাটি অধিগ্ৰহন কৰি অধিক শষ্য উৎপন্ন কৰাৰ ব্যৱস্থা কৰিবনে?

Shri Lakshmi Prasad Goswami : ছাৰ, এই প্ৰশ্নটোৰ মোৰ উত্তৰ দিবলৈ একো নাই।

## Re : Appointment of Principals in Aided Colleges

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*১৮৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সাহায্যপ্ৰাপ্ত কলেজ সমূহত অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে কিৰা বিধি নিয়ম প্ৰয়োগ কৰিছেনে নাই আৰু যদি কৰিছে, সেই বিধি নিয়মবোৰ কি কি আৰু চৰকাৰী বিধি নিয়মৰ এখন প্ৰতিলিপি সদনৰ মজিয়াত ৰখা হবনে?

(খ) সাহায্যপ্ৰাপ্ত কলেজসমূহৰ অধ্যক্ষ পদৰ বাবে উপযুক্ত লোক নিৰ্ব্বাচিত কৰিবলৈ এখন ৰাজ্যিক অধ্যক্ষ বাছনি সমিতি নিয়োগ কৰা হৈছেনেকি?

(গ) যদি হৈছে, বৰ্ত্তমান এই সমিতিখনৰ সদস্য কেইজন আৰু তেওঁ-বিলাকৰ নাম আৰু শিক্ষাগত অৰ্হতা কি কি?

(ঘ) অসম চৰকাৰে এই ৰাছনি সমিতিক কেনে ধৰণৰ কতৃত্ব প্ৰদান কৰিছে?

(ঙ) এই কথা সঁচানে কি যে, নগাওঁ কলেজৰ অধ্যক্ষ পদৰ বাবে "ৰাজ্যিক অধ্যক্ষ বাছনি সমিতি"য়ে গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ অধ্যাপক শ্ৰীঅজিত কুমাৰ শৰ্ম্মাক প্ৰথম মনোনয়ন দিছিল?

(চ) যদি সঁচা হয়, এই মনোনয়ন কোন মাহত দিয়া হৈছিল ?

(ছ) শ্ৰীঅজিত কুমাৰ শৰ্ম্মাক নগাওঁ কলেজৰ অধ্যক্ষ পদত মকৰল কৰা হ'লনে ?

(জ) যদি হোৱা নাই, কিয় কৰা নহল ?

(ঝ) এই কথা সঁচানেকি যে, মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মহোদয়ে নগাওঁ কলেজৰ গৱৰ্ণিং বডিৰ সভাপতি আৰু সম্পাদকক ছিলঙলৈ মতাই অনাই নগাওঁ কলেজৰ অধ্যক্ষ পদত যাতে শ্ৰীঅজিত কুমাৰ শৰ্ম্মাক নিয়োগ কৰা নহয় তেনে পৰামৰ্শ দিছে আৰু এইটোও সঁচানেকি যে, মুখ্যমন্ত্ৰী নিজে নগাওঁ কলেজ পৰিদৰ্শন কৰিবলৈ যাওঁতেও গৱৰ্ণিং বডিক এনে ধৰণৰ পৰামৰ্শ দি আহিছে ?

(ঞ) এইটোও সঁচানেকি যে অসমৰ শিক্ষাধিকাৰ শ্ৰীগোপাল চন্দ্ৰ শৰ্ম্মা-বৰুৱা ডাঙৰীয়াই নগাৱলৈ গৈ নগাওঁ কলেজৰ গৱনিং বডিক নগাওঁ ছোৱালী কলেজৰ বৰ্ত্তমান অধ্যক্ষ জনক নগাওঁ কলেজৰ অধ্যক্ষ নিয়োগ কৰা হব বুলি প্ৰতি শ্ৰুতি দিছে ?

(ট) এইটোও সচানেকি যে কোকৰাঝাৰ কলেজৰ অধ্যক্ষ পদৰ বাবেও "অধ্যক্ষ বাছনি সমিতিৰ" মনোনয়ন উপেক্ষা কৰি অসম চৰকাৰে উক্ত কলেজত একমাত্ৰ ট্ৰাইবেল সম্প্ৰদায়ৰ লোককহে অধ্যক্ষ নিয়োগ কৰিবলৈ নিৰ্দ্দেশ দিছে ?

শিক্ষামন্ত্ৰী শ্ৰীজয়ভদ্ৰ হাগজেৰে উত্তৰ দিছে :

১৮৪। (ক) হয়, অসম সাহায্যপ্ৰাপ্ত কলেজ কৰ্ম্মচাৰী বিধি ১৯৬০ ( Assam Aided College Employees Rule, 1960 ) প্ৰয়োগ কৰা হৈছে।

(খ) আৰু (গ)—হয়, অধ্যক্ষ বাছনী সমিতি গঠন কৰা হৈছে। সেই সমিতিৰ সভ্য ৭ জন আৰু তেওঁলোকৰ নাম আৰু অৰ্হতা তলত দিয়া হৈছে—

১। শ্ৰীআৰ, থাংলিৰা, সভাপতি, অসম লোকসেৱা আয়োগ—সভাপতি।

২। শিক্ষা বিভাগৰ অধিকৰ্ত্তা—সচিব।

৩। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞান বিভাগৰ গুৰুদ্বয় —সভ্য।

৪। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞান বিভাগৰ গুৰুদ্বয় —সভ্য।

৫। ডাঃ হিৰণ্য ভূঞা—সভ্য।

৬। শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী সন্দিকৈ কলেজৰ অধ্যক্ষ—সভ্য।

(ঘ)—অধ্যক্ষ বাছনী সমিতিৰ কৰ্তৃত্ব মাত্ৰ বাছি দিয়া।

(ঙ)—হয়, সঁচা।

(চ) —১৯৬৭ চনৰ ৭ মে'ত।

(ছ)—এতিয়ালৈকে হোৱা নাই।

(জ)—নগাওঁ কলেজৰ পৰিচালক মণ্ডলীৰ ১৫ অক্টোবৰ ১৯৬৯ তাৰিখৰ ১৬ নং প্ৰস্তাৱৰ জগত দিয়া হৈছে।

(ঝ)—কোনো খা-খবৰ নাই।

(ঞ)—কোনো খা-খবৰ নাই।

(ট)—হয়।

Shri Atul Chandra Goswami : অধ্যক্ষ মহোদয়, প্ৰশ্নটো নিয়মমতে ইয়াত অনুমোদন কৰা হৈছিল উত্থাপন কৰিবৰ কাৰণে। সেইমতে উত্থাপিত হ'ল। প্ৰথম প্ৰশ্নটো আছিল Aided college সমূহৰ বিধি নিয়ম সদনৰ টেবুলত ৰাখিব লাগিব। সেই মতে কিয় ৰখা নহল। সেই কথাটো জানিব পাৰোনে?

Shri Jay Bhadra Hagjer : ভূল ক্ৰমে দিয়া নহল। কিন্তু এতিয়াও কৈ দিব পাৰো।

"There shall be a State Selection Board consisting of the following, viz.:—

(a) A member of the Assam Public Service Commission.

(b) Director of Public Instruction—Secretary.

(c) Deans of the Faculties of Art and Science, Gauhati University—Members.

(d) One Educationist nominated by Government—Member.

(e) One Principal nominated by Government—Member.

The Director of Public Instruction shall ascertain from various institutions concerned well ahead of each academic year probable vacancies that are likely to arise during the year and advertise such, Vacancies in at least two newspapers and also in the Assam Gazette."

Shri Atul Chandra Goswami : বাছনি কমিটিয়ে যি মনোনয়ন দিয়ে, এই মনোনয়ন মতে কলেজবিলাকে মনোনীত প্রাৰ্থীজনক তাত মকৰল কৰিবলৈ বাধ্য হয় নে নহয় ?

Shri Jay Bhadra Hagjer : Rule মতে চৰকাৰে বাধ্য কৰিব নোৱাৰে ।

Shri Atul Chandra Goswami : এই মনোনয়ন নগাওঁৰ কলেজবিলাক Governing Body এ নাকচ কৰিলে নেকি ? যদি কৰিলে তেতিয়াহলে চৰকাৰে Governing Body ৰ সেই প্ৰস্তাৱ স্বীকাৰ কৰি ললে নেকি ?

Shri Jay Bhadra Hagjer : Rule মতে Governing Body এ Appointment দিয়ে। কিছুমান ক্ষেত্ৰত Governing Body এ Appointment দিয়া নাই। ইয়াৰ কাৰণে চৰকাৰে খালি এটা "Pannel of names" কৰি দিছে। আৰু এই Pannel ৰ পৰাই বাচি দিব ।

Shri Atul Chandra Goswami : এতিয়া মোৰ প্ৰশ্নটো হৈছে নগাওঁ college ৰ Governinrg Body এ বাচনি সমিতিৰ মনোনয়ন নাকচ

কৰিলে আৰু অসম চৰকাৰৰ শিক্ষা বিভাগে সেই অৱস্থাটো গ্ৰহণ কৰিছে নেকি ?

Shri Jay Bhadra Hagjer : Governing Body এ যদি নিদিয়ে চৰকাৰে একো কৰিব নোৱাৰে বুলি কৈছোৱেই।

Shri Atul Chandra Goswami : এই নমিনেচন আৰু ম্যাদ কেতিয়া শেষ হব। আৰু ম্যাদ শেষ হোৱাৰ আগতে Nowgong Collegeৰ অধ্যক্ষ নিযুক্তি হবনে নহয়।

Shri Jay Bhadra Hogjer : ইয়াৰ ম্যাদ ৭ May ত তাৰ কাৰণে আজি উকলিছে।

Shri Atul Chandra Goswami : আজি শেষ হল ; কিন্তু আজিলৈকে যি কোনো এজনক Appointment দিয়া, কিবা খবৰ পাইছেনে ?

Shri Jay Bhadra Hagjer এতিয়ালৈকে খবৰ পোৱা নাই।

Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয়, এই বিষয়টো গুৰুত্ব পূৰ্ণ কাৰণ ৰাজ্যিক বাছনী সমিতিয়ে ১৯৬৭ চনৰ ৭ May তাৰিখে Nowgong কলেজৰ কাৰণে অধ্যক্ষ হিচাবে এজনক মনোনয়ন কৰি দিয়ে কিন্তু আজি ৩ বছৰ হৈ যোৱাৰ পিছতো Nowgong কলেজৰ Governing Body য়ে সেইজনক নিয়োগ নকৰিলে আৰু সেই বাছনী সমিতিয়ে যিখন Pannel কৰি দিলে এই পেনেলটো অন্য এজনক আজি ৩ বছৰে নিয়োগ নকৰিলে ; গতিকে এইটো কথা সঁচা নে যে বাছনী সমিতিয়ে যিজন অধ্যক্ষক নিযুক্তিৰ কাৰণে মনোনয়ন কৰি দিছিল সেইজনক পদত নিয়োগ নকৰাৰ ক্ষেত্ৰত ৰাজনৈতিক কাৰণ জড়িত আছে নেকি ?

Shri Joy Bhadra Hagjer : ২জনক select কৰা হ'ল কিন্তু তেওঁলোক acceptable নহয়।

Shri Promode Chandra Gogoi : এখন কলেজত ৩ বছৰে অধ্যক্ষ নিয়োগ নকৰাকৈ কি থাকিব পাৰে ?

Shri Joy Bhadra Hagjer : ৩ বছৰ হ'ল নে ?

Shri Promode Chandra Gogoi : ৩ বছৰেই হওক বা ২ বছৰেই হওক কোনো এখন কলেজত অধ্যক্ষ নোহোৱাকৈ থাকিব পাৰে নেকি ?

Shri Joy Bhadra Hagjer (Minister) এজন Principal incharge আছেই আৰু আগৰ Prinipal জনে High courtত case কৰিছে। সেইটোৰ Judgement নোহোৱাকৈ অধ্যক্ষ নিয়োগ কৰাটো সমীচিন নহব।

Shri Atul Chandra Goswami : খবৰ নাই বুলি কৈছে ; কিন্তু এইটো সঁচা নেকি যে D. P. I. য়ে Nowgong ছোৱালী কলেজৰ অধ্যক্ষ জনকে নিয়োগ কৰা হব বুলি প্ৰতিশ্ৰুতি দিছে। তাৰ উপৰিও Selection committee য়ে ২ জনক মনোনয়ন কৰাৰ সম্বন্ধে চিঠি দিছিল সেইটো খবৰ পাইছেনে ?

Shri Joy Bhadra Hagjer : Govt য়ে খবৰ পোৱা নাই।

Shri Atul Chandra Goswami : খবৰ লবনে ? যদি আমি এজন প্ৰতিনিধি দিও তাৰ ব্যৱস্থা লবনে ?

Shri Joy Bhadra Hagjer (Minister) : খবৰ লোৱা হব।

Shri Maneswar Boro : আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে, সমিতিয়ে বাচি দিয়া মানুহ জনকো চৰকাৰে লব নোৱাৰে অৰ্থাৎ aceptable নহয় বুলি কৈছে কি কাৰণে নোৱাৰে আমি জানিব পাৰো নে ?

Shri Joy Bhadra Hagjer : ইয়াৰ কাৰণটো Governing body য়ে জানে আমি নামানো।

Shri Musawhoir Choudhury : মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে সাহাৰ্য্যপ্ৰাপ্ত কলেজ সমূহত অধ্যক্ষ নিয়োগ কৰিবৰ কাৰণে যি খন নিৰ্ব্বাচন কমিটি পাতি দিছে আৰু নিৰ্ব্বাচন কমিটিয়ে মনোনয়ন

দিয়াৰ পিছতো যেতিয়া অধ্যক্ষ পদত নিয়োগ নকৰে তেতিয়াহলে এই সমিতি পাতি হাজাৰে হাজাৰে টকা খৰচ কৰাৰ কি স্বাৰ্থ আছে?

Shri Joy Bhadra Hagjer : এই Difficulty হৈছিল ; কলেজৰ যি কেইজনমান মানুহ select কৰি দিয়া হৈছিল সেই কেইজনমানুহ acceptable নহয়। সেই কাৰণে এটা pannel কৰি দিয়া হ'ল যাতে তেওঁলোকে যি জনক ইচ্ছা কৰে সেইজনক পাৰে আৰু এই pannel কৰি দিয়া হৈছে এই কাৰণেই যে final discussion টোমতে আগতকৈ wide হয়। Nowgong ৰ দুজনৰ কোৱা নহল, Golaghat ৰ বিষয়ে আপোনালোকে জানেই। সেই-কাৰণে আমি Pannel কৰি দিছোই।

Re : Building grants to Sibsagar Elementary Board

Shri Durgeswar Saikia asked :

*185. Will the Minister, Education be pleased to state—

(a) Whether some grants were sanctioned as Building grants to Sibsagar Elementary Board during last 5 years ?

(b) If, so, the amounts sanctioned ? (figures to be shown yearwise separately including grants for flood and storm damage).

(c) What is the procedure for payment of such grants ?

(d) What amount was either surrendered or not paid to the schools in each year ?

(e) Whether Government is aware of the anomalies of payment of such grants ?

(f) If so, whether Government proposes to examine the matter so that the schools may not suffer ?

Shri Sayed Ahmed Ali (Minister of State for Education) replied :

185. (a) Yes.

(b) Non-recurring grant—

| Year | Amount |
|---|---|
| | Rs. |
| 1965-66 | 27,250.00 |
| 1966-67 | 17,500.00 |
| 1968-69 | 1,20,300.00 |
| 1969-70 | Nil |

Storm damage grant—

| | |
|---|---|
| 1967-68 | 47,000.00 |

(c) Grants are sanctioned according to progress of construction of school building as per approved plan and estimates and on the basis of certificate given by the Circle Sub-Inspector of Schools concerned.

(d) Non-recurring grant—

| | Rs. |
|---|---|
| 1965-66 | 700.00 |
| 1966-67 | Nil |
| 1968-69 | 6,000.00 |

Storm damage grant—

| | |
|---|---|
| 1967-68 | 9,600.00 |

(e) No.

(f) Does not arise.

Shri Durgeswar Saikia : ১৯৬৭ চনৰ statement মতে Building grant ১৫ হাজাৰ ৬ শ টকা কৈ কৰাত এই বছৰ Payment কৰা নহল।

Shri Sayed Ahmed Ali : কিছুমান School grant first installment ত দিয়া হয় তাৰ পাছত proper utilisation নোহোৱাৰ কাৰণে

utilisation Certificate দিব নোৱাৰে গতিকে 2nd installment ত টকা দিয়া নহয় আৰু হয়তো 2nd installment ৰ কাৰণে কোনোৱে pray য়ে কৰা নাই।

Shri Durgeswar Saikia : এই বিলাক চৰকাৰী কৰ্ম্মচাৰী সকলৰ গাফীলতিৰ কাৰণে হৈছে নেকি ?

Shri Sayed Ahmed Ali : এই বিলাক Assistant Secretary আৰু D.I. কৰে কিন্তু এই বিলাকৰ গাফিলতিৰ খবৰ পোৱা নাই।

Shri Durgeswar Saikia : মোৰ প্ৰশ্নটো হৈছে ১৯৬৭ চনত মিঠা পুখুৰী M. V. স্কুল শিমলুগুৰি অঞ্চলত, মহুৰাবাৰী L. P. আৰু দীঘলা শ্যাম L. P. স্কুলত যি বিলাক গ্ৰাণ্ট দিয়া হৈছিল সেই টকা Board এ দিয়া নাই অকল এই ৪খন স্কুলেই নহয় তাত বহুত স্কুল আছে যিবিলাকৰ একেই অৱস্থা। এই স্কুল বিলাকৰ মেনেজিং কমিটিৰ Secretary president এ D. I. office লৈ অহা যোৱা কৰি হাইৰান হৈছে টকা পোৱা নাই। যদি চৰকাৰে Sanction কৰি টকা বিলাক দিয়ে তেন্তে এই বিলাক properly distribute কৰা নহয় কিয় ? তাৰ বাবে দায়ী কোন এই কথা চৰকাৰে তদন্ত কৰি যথাবিহিত ব্যৱস্থা লবনে ?

Shri Sayed Ahmed Ali : আমি তেনেকুৱা অভিযোগ পোৱা নাই। মাননীয় সদস্যই যেতিয়া কৈছে এইটো তদন্ত কৰা হব।

Shri Durgeswar Saikia : এই তদন্তৰ কাৰণে স্থানীয় M. L. A., স্কুলৰ সভাপতি আৰু Secretary আৰু যত M. L. A. নাই তাত বিশিষ্ট নেতা সকলৰ সহযোগ লবনে।

Shri Sayed Ahmed Ali : লোৱা হব।

Shri Lily Sengupta : এইটো এটা গুৰুত্ব পূৰ্ণ প্ৰশ্ন। এইটো অকল শিৱসাগৰ মহকুমাতেই নহয় ডিব্ৰুগড় মহকুমাৰ বহুত স্কুলতেই এইদৰে গ্ৰাণ্ট পোৱা নাই, গতিকে এটা জিলাৰ তদন্ত কমিটি কৰা হবনে ?

( voice— গোটেই অসমতে )

Shri Sayed Ahmed Ali : Specific complain পালেহে এই তদন্ত কৰিব পৰা যায়।

Shri Lily Sengupta : প্ৰশ্নটো শিৱসাগৰৰ যদিও এই কথা নাই ডিব্ৰুগড়তো তেনেকুৱা হৈছে মই ডিব্ৰুগড়ৰ চাৰিখন গ্ৰাণ্ট নোপোৱা স্কুলৰ নাম মন্ত্ৰী মহোদয়কে দিছিলো গতিকে চৰকাৰে অনুগ্ৰহ কৰি তদন্ত কৰিবনে ?

Shri Sayed Ahmed Ali : এইটো তদন্ত কৰা হব।

Shri Promode Chandra Gogoi : মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ আশ্বাস দিছে কিন্তু যি বিলাক স্কুলত টকা দিয়া হয় তাৰ সৎ-ব্যৱহাৰ হৈছেনে নাই সেইটো কোনে চাই ?

Shri Sayed Ahmed Ali : Circle Sub-Inspector এ চাই।

Shri Promode Chandra Gogoi : যি বিলাক স্কুলত টকা দিয়া হোৱা নাই সেই বিলাক স্কুলত কাম-কাজ হয়নে নহয় সেইটো circle Sub-Inspector এ পৰীক্ষা নকৰে।

Shri Sayed Ahmed Ali : তেনে খবৰ আমাৰ হাতত নাই।

Shri Bhubaneswar Borman : মাননীয় মন্ত্ৰী মহোদয়ে অভিযোগ পালে অন্য ঠাইৰো তদন্ত কৰিম বুলি কৈছে। এই বিষয়ে বৰপেটা মহকুমাৰ স্কুল বিলাকৰ বিষয়ে বহুবাৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। সেই মহকুমাত School Building grant কিছুমান M. L. A. ৰ জৰিয়তে, আৰু কিছুমান Secretary য়ে পোনপতীয়াভাবে দিছে। যি বিলাকত Secretary এ দিছে অভাৰচিয়াৰৰ চাৰ্টিফিকেট নালাগে তাত S. I. বিলাকে কাম নকৰাকৈয়ে ৰিপৰ্ট দিয়াত টকা দি দিলে। কিন্তু M. L. A. বিলাকৰ জৰিয়তে দিয়া টকাবোৰৰ ক্ষেত্ৰত অভাৰ চিয়াৰে certificate দিব লাগে। কিন্তু এই বজালী ব্লকৰ Overseer য়ে certificate দিবৰ ইচ্ছা নকৰাত বহুত দিন এনেয়ে গল শেষত S. D. O.ৰ নিৰ্দ্দেশক্ৰমে দিব ধৰিলে যদিও বৰ জুলুম কৰাত বহুত কষ্ট খাব লগা হল আৰু ৰাইজৰ অশেষ টকা অপব্যয় খৰছ হল যিহেতু তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰোৱা হ'ল। তিনি চাৰিশ টকা পোৱা স্কুলবোৰৰ ক্ষেত্ৰত অহা যোৱা খৰছতে বহুত টকা গল। আজিও বহুতে টকা পোৱা নাই। গতিকে শিৱসাগৰৰ লগতে অন্যান্য ঠাই যি বিলাকত এনেকুৱা গন্দগোল হৈছে সেই বিলাকৰো তদন্ত কৰিব লাগে কাৰণ সেই মহকুমা বিলাকৰো যথেষ্ট আপত্তি আছে।

Shri Sayed Ahmed Ali : ৫০০ টকা লৈকে মঞ্জুৰি দিয়া স্কুল বিলাকক একযোগে গোটেই টকা দিয়াৰ নিৰ্দ্দেশ দিয়া হৈছে, কিন্তু Plan estimate দিব লাগে। এই বিষয়ত যদিও আমি বিশেষ অভিযোগ পোৱা নাই মাননীয় সদস্যই যেতিয়া বৰপেটাৰ কথা কৈছে এইটো চোৱা হব।

Shri Durgeswar Saikia : তদন্তৰ সময়ত যি বিলাক School ত টকা দিয়া নাই সেই বিলাক School ৰ মেনেজিং Committeeৰ সভাপতি আৰু Secretary দুয়ো জনকে উপস্থিত থাকিবলৈ কবনে ? কাৰণ তেওঁলোকে স্কুলৰ গ্ৰাণ্টৰ কাৰণে কিমান বাৰ অহা যোৱা কৰিব লগীয়া হৈছে, কিমান টকা খৰচ হৈছে, কিমান কেৰাণী মহৰীয়ে খালে এই সকলোবিলাক কব পাৰিব।

Shri Sayed Ahmed Ali : কৰা হব।

Shri Debeswar Sarmah : এই তদন্ত সদনৰ চলিত অধিবেশনত যোৱা ৩ বছৰত কোনে কিমান টকা দিছে আৰু কাক দিছে এইটো Statement কৰি জনাবনে ?

Shri Sayed Ahmed Ali : সম্ভবপৰ হলে দিব পৰা হব।

Shri Debeswar Sarmah : এইটো এটা Excessive Reply হৈছে ? কাৰণ এইটো সম্ভবপৰ কিয় নহব। চৰকাৰে বহুটো টকা Telegraph, Telephone ত ব্যয় কৰে। Special maessenger বো পঠাব পাৰে। Education Department ত বহুটো ১৪৫ জন বিষয়া, কৰ্ম্মচাৰী আছে। এই বিলাকক ইফালে সিফালে উজনী নামনিলৈ পঠাই দিলে সোনকালে Reply আহিব। আৰু তাকে নকৰি যদি এই সম্পৰ্কত ভুৱা Reply দিয়া হয় তেতিয়া হলে এই সদন কেনেকৈ চলিব ?

Shri Sayed Ahmed Ali (M) : এইটো ভুৱা দিয়াৰ কথা নহয়। মাননীয় সদস্য Shri Durgeswar Saikia ৰ কোৱা কথা মাননীয় সদস্য Shri Debeswar Sarma ই বুজাত ভুল হব পাৰে। তেখেতে কৈছিল তদন্তৰ সময়ত Local M. L. A থাকিব লাগে Managing Committee ৰ চেক্ৰেটাৰী আৰু President থাকিব লাগে। যদি Session চলি থাকে,

তেনেহলে তদন্ত কৰা অসুবিধা হব পাৰে, কাৰণ M. L. A. সকল সেই সময়ত থাকিব নোৱাৰিব।

Shri Debeswar Sarmah : মই President, Secretary ৰ কথা কোৱা নাই। গোটেই অসমত ক'ত কিমান টকা দিলে, সেইটোহে বিচাৰিছোঁ।

Shri Sayed Ahmed Ali : এইটো তিনি ঠাইত শিৱসাগৰ, ডিব্রুগড় আৰু বৰপেটাত তদন্ত কৰাৰ কথা হৈছে, এইটো মই স্বীকাৰ কৰিছোঁ। কিন্তু ইয়াত গোটেই অসমৰ কথা আহিব নোৱাৰে। তদন্তৰ কাৰণে যি সকল উপস্থিত থাকিব লাগে সেই সকল Session চলি থাকিলে উপস্থিত থকা সকলোৰে কাৰণে সম্ভৱপৰ নহয়।

Mr. Speaker — The present question is regarding Sibsagar and he is replying to that. If you want information regarding some other places you may table a different question.

(Starred Question Nos. 186 and 187 were not put and answered to as the questions were about).

Re : Sale prices of Athgaon Hat

M. Shamsul Huda asked :

188. Will the Minister, Panchayat and Community Development be pleased to state—

(a) The Annual sale prices of the Athgaon Hat, Nowgong for the year 1959-60 and 1960-61 ?

(b) The Annual sale price of the same hat for the year 1969-70 ?

(c) Whether has been expansion of the Bazar (Athgaon hat) since 1960-61.

(d) If so, whether Annual sale price of the Bazar has been increased proportionately ?

Shri Devendra Nath Hazarika (Minister of State, Panchayat and C. D.) replied :

*188. (a) Annual sale prices of the Athgaon Hat are Rs. 9,720.00 and Rs. 37,20 .00 for the year 1959-60 and 1960-61 respectively.

(b) Rs. 18,600.00

(c) No.

(d) The Annual sale proceeds of the Bazar has been fluctuating from year to year.

M. Shamsul Huda :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে-এই বজাৰখন কম পক্ষেও দুইলাখ টকাত বিক্ৰী হব পাৰে অথচ বজাৰখন কোনো বছৰেই ২০ হেজাৰ টকাৰ বেছি হোৱা নাই। এইটো কথা সঁচানে?

Shri Debendra Nath Hazarika :—এই বজাৰখন ডাকত দিওঁতে দেখা যায় যে—কেইবছৰ মানৰ ভিতৰত কুৰি হেজাৰৰ বেছি উঠা নাই। এবছৰ ৩৭ হেজাৰ উঠিছিল; কিন্তু সেই বছৰো ১২ হেজাৰ টকা Remission দিবলগীয়া হ'ল।

Jonab Rahimuddin Ahmed :—বজাৰ যেতিয়া ডাকত দিয়ে, তেতিয়া Racklers Bidding বুলি কৈ Committee লৈ লৈ যায় আৰু তাত নিজৰ মনোনীত মানুহক দি দিয়ে, এই কথা সঁচানে?

Shri Debendra Nath Hazarika :—চাৰ, মাননীয় সদস্য সকলেই মহকুমা পৰিষদৰ সদস্য। এই বন্দোবস্তী মহকুমা পৰিষদেই কৰে, যদি ডাকত খুট থাকে, সেইটো তাতে শুধৰাই লব পাৰে। মনোনীত লোকক দিছে বুলি আমাৰ হাতত খবৰ নাই।

Jonab Rahimuddin Ahmed :—মন্ত্ৰী মহোদয়ে ভুল কথা কৈছে এটা committee আছে, সেই committee ৰ আমি সদস্য নহওঁ। যেতিয়া Highest Bid হয়, তেতিয়া Racklers বুলি কৈ committee ক দি দিয়ে মনোনীত মানুহক দিবৰ কাৰণে, এই কথা সচা নে কি?

Shri Debendra Nath Hazarika —ডাক দিওতে মহকুমা পৰিষদৰ এটা কমিটিয়ে দিয়ে। সেই committee ৰ পৰামৰ্শ বিলাকো মহকুমা পৰিষদেই অনুমোদন কৰে। এই মহকুমা পৰিষদৰ মাননীয় সদস্য সকল এখন নহয় আনখনবো সদস্য।

M. Shamsul Huda :—এই ১২ হেজাৰ টকাযে Remission দিলে এইটো কোন চনত দিছিল ?

Shri Debendra Nath Hazarika :—১৯৬০-৬১ চনত দিছিল। ১৯৬০-৬১ চনত ৩৭ হেজাৰ টকাত ডাক হৈছিল আৰু ১২ হেজাৰ টকা Remission দিলে। তাৰ পিচৰ বছৰৰ পৰা ১৯০০০, ১৬০০০, ১৭০০০ বা তেনে টকাত আৰু যোৱা বছৰ ১৮,৬০০ টকাত বিক্ৰী হৈছে।

M. Shamsul Huda :—এই বছৰ ৪৮ হেজাৰ টকাত দিয়া কথাটো সচানে ?

Shri Debendra Nath Hazarika :—যোৱা ১১ বছৰে তেনেকুৱা ডাক হোৱা নাই।

Shri M.A. Musawhir Choudhury :—যি বছৰ ১২ হেজাৰ টকা Remission দিয়া হৈছিল, সেই বছৰ Lesse কোন আছিল ?

Shri Debendra Nath Hazarika (M) :—১৯৬০-৬১ চনত Lesse হল Abdul Hakim.

M. Shamsul Huda :—অধ্যক্ষ মহোদয়, পঞ্চায়তৰ তলত থকা আঁঠগাওঁ হাট্ খন যিমান টকাত ডাক হব লাগিছিল সিমান নহৈ তাতোকৈ বহুত তলত ডাক হয়। তাৰ ফলত পঞ্চায়ত বিলাক মৰাৰ দৰে হৈছে। তেনে ক্ষেত্ৰত এই বজাৰ বিলাক চৰকাৰে Assess কৰি কোন বজাৰৰ কিমান ডাক হব লাগে এইটো ঠিক কৰি আমাক জনাবনে ?

Shri Debendra Nath Hazarika :—আঠ গাওঁ হাটৰ বন্দোবস্তিত বেমেজালি ঘটিছে, এই কথা মানি লোৱা টান। যদি কিবা Specific অভিযোগ থাকে, সেইটো তদন্ত কৰি চাব পাৰি। যিহেতু এই দায়িত্ব

মহকুমা পৰিষদক দিয়া হৈছে আৰু মাননীয় সদস্যও তাতেই থাকে। গতিকে মহকুমা পৰিষদতে এইটো আলোচনা কৰা ভাল হব।

M. Shamsul Huda :—মন্ত্ৰীয়ে কৈছে যে কোনো অভিযোগ পোৱা নাই, তেনেকুৱা উত্তৰ আমাৰ কাৰণে অসহ্য হয়। ১৯৬৭-৬৮ চনৰ ডাকত মই নিজেই আছিলোঁ তেতিয়া Racklers Bidding বুলি কমিটিক দি দিলে। যি বিলাক মনোনীত মানুহ সেই বিলাকক গৰালৰ ভিতৰত সোমোৱালে আৰু বাকীবোৰক নোসোমালে। এই অভিযোগ মই লিখি দিছিলোঁ। এইটো তদন্ত কৰিবনে ?

Shri Lakshmi Prasad Goswami :—বজাৰ বিলাক ডাকত পালে approve কৰাৰ ব্যৱস্থা আছে। মাননীয় সদস্যৰ যদি কিবা আপত্তি থাকে সেইটো মহকুমা পৰিষদতে ফইচলা হব। তাৰ পাচত মহকুমা পৰিষদৰ বিপক্ষে যদি আপত্তি থাকে তেন্তে তাৰ যি ব্যৱস্থা আছে সেইমতেই কৰা হব।

অন্যকালে চৰকাৰে Assess কৰিলেও ডাকত দিয়াত যদি টকা নুঠে, তেতিয়া আমাৰ চৰকাৰে যিমানেই Estimate নকৰক টকা নেপালে আমি কাকো নিদিও।

M. Shamsul Huda :—ডাকত উঠিলেও Pencilৰে লিখাটো কাটি উঠাই দিয়ে। যোৱা বছৰ যুৰীয়া আঞ্চলিকৰ এবাবাৰী বজাৰখন ৯০০ টকা ডাকত উঠিছিল। সেইটো কাটি পিছত ৩৬০ টকাতে বিক্ৰী কৰি দিলে। যেতিয়া ২০ হেজাৰ মানুহে ঘেৰাও কৰিলে তেতিয়া পুলিচ আহি উদ্ধাৰ কৰিব লগীয়া হল জেইলকমিটিৰ এই অৱস্থা কিয় হবলৈ পালে ?

Shri Lakshmi Prasad Goswami :—আপুনি আঠ গাৰৰ বজাৰৰ কথা কৈছেনেকি ?

M. Shamsul Huda :—মই 'দ' গাৰ বজাৰৰ কথা কৈছো।

Shri Lakshmi Prasad Goswami :—মই আগতেই কৈছো যে, এই সকলো বিলাক কথাৰ উত্তৰ দিয়া টান।

Shri Bhadreswar Gogoi :—বজাৰ বিলাক Auction কৰাৰ উপৰিও অন্য ভাৱে Settlement দিয়াৰ কিবা ব্যৱস্থা আছেনেকি ?

Shri Debendra Nath Hazarika :—Tender দিয়াৰো নিয়ম আছে।

Shri Lakshmi Prasad Goswami :—সেইটো আৰু সাংঘাতিক।

M. Shamsul Huda :—মই কৈছোঁয়ে পঞ্চায়তৰ বজাৰ বিলাক যিমান টকাত ডাক হব লাগিছিল তাৰ ৫০% তকৈ কম দামত ডাক দিছে। গতিকে আজি চৰকাৰে এই পঞ্চায়তৰ স্বাৰ্থৰ কাৰণেই এই ক্ষেত্ৰত তদন্ত কৰিবৰ কাৰণে এটা কমিচন বহুৱাব নোৱাৰেনে ?

Shri Debendra Nath Hazarika :—(M) Commission বহোৱাৰ কথা আমি ভবা নাই। কাৰণ তাত ৰাইজৰ প্ৰতিনিধিৰ দ্বাৰা মহকুমা পৰিষদ বিলাক গঠিত। আঞ্চলিক পঞ্চায়তৰ সভাপতি বিলাক ৰাইজৰ প্ৰতিনিধি। বিধান সভাৰ সদস্য সকল তাত আছে।

এই ৰাইজৰ প্ৰতিনিধি সকলক অবিশ্বাস কৰি Commission বহুৱাই অনুসন্ধান কৰোৱাৰ কথা আমি এতিয়া ভবা নাই।

Re : Rehabilitation of flood affected People in Nowgong.

M. Shamsul Huda asked :

*189. Will the Minister, Revenue be pleased to state—

a) Whether there are families affected by the flood in Nowgong who are yet to be rehabilitated ?

b) If so, the number of such families ?

c) The amount proposed by the Deputy Commissioner, Nowgong for their rehabilitation ?

d) The amount so far sanctioned for the purpose ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied :

189. a) Yes.

b) 658 Nos.

c) (i) Rs. 1,10,000 as Rehabilitation Grant and

(ii) 56,600 as Rehabilitation loan.

d) (i) Rs. 1,00,000 as Rehabilitation Grant and

(ii) Rs. 41,600 as Rehabilitation loan.

M. Shamsul Huda :— এই মানুহ বিলাকে Rehabilitation Loan বিচাৰি কৰা দৰখাস্ত চৰকাৰে পাইছেনেকি ?

Shri Kamakhya Prasad Tripathy :—এইটো মানে Loan ৰ কথা কৈছে। ইয়াৰ কাৰণে ৪৬ হাজাৰ টকা দিয়া হৈছে। এইটো এতিয়া D.C. ৰ Recommendation ৰ কাৰণে পঠোৱা হৈছে।

Shri Ma Musawhir Choudhury :—এই বন্যা পীড়িত কিমান মানুহে Rehabilitation Loan বিচাৰি দৰখাস্ত দিছে সেই কথা জানিব বিচাৰিছো।

Shri Kamakhya Prasad Tripathy :—দৰখাস্ত কিমান মানুহে দিছে সেই কথা মোৰ হাতত নাই। D.C. য়ে Consolidated Fund ৰ পৰা ৫৬ হাজাৰ টকা দিব। ইয়াত Consolidated figure টো হৈছে ৪৬ হাজাৰ ৬০০ টকা।

Shri Shamsul Huda :—কিমান জন মানুহক এই ৫৬ হাজাৰ Loan দিব ?

Shri Kamakhya Prasad Tripathy :—সংখ্যাটো মোৰ হাতত নাই।

## Re. ASSAM NAGALAND BORDER

Shri Promode Chandra Gogoi :—

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি লৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। এই বিষয় লৈ সদনত আলোচনা হৈছিল আৰু সদনত মন্ত্ৰী মহোদয়ে কৈছিল যে অসম আৰু নগা ৰাজ্যৰ সীমা বিবাদ যিটো চলি আছে আৰু সেই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে ১৯২৫ চনতে যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সীমা অসম চৰকাৰে মানি লয় আৰু এই সীমা ৰক্ষাৰ কাৰণে যি খিনি আৱশ্যকীয় ব্যৱস্থা পোৱা প্ৰয়োজন সেই ব্যৱস্থা লোৱা হব বুলি সিদিনা মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছে।

কালি লোক সভাত এই বিষয়ে উল্লেখ হোৱাৰ পিচত লোকসভাত Deputy Home minister Bidya Charan Suklaই উত্তৰত দিব বিচাৰিছে।

"Instructions have been issued to the Assam Nagaland Governments that they should withdraw their armed police from the disputed areas and refrain from exercising jurisdiction beyond the existing Inter State boundary.

এইটো মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে তেখেতে যিটো বিবৃতি দিছিল সেইটো বিবৃতি দিয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ পৰা এনেকুৱা কোনো নিৰ্দ্দেশ পোৱা হয় নে নহয় আৰু যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা এনেকুৱা নিৰ্দ্দেশ পোৱা হৈছে সেই বিষয়ে চৰকাৰে কি চিন্তা কৰিছে জনাবনে ?

Shri Bimala Prasad Chaliha ( Chief Minister ) :—

মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে কোনো চিঠি সেই বিষয়ে পোৱা নাই আৰু যদি পাইছে মোৰ দৃষ্টিগোচৰ হোৱা নাই। এতিয়া সেই কাৰণে দুই এখন ওচৰ চুবুৰীয়া ৰাজ্যৰ সীমা ৰক্ষাৰ ব্যৱস্থাৰ কাৰণে পুলিচ পহৰা দিয়াটো বাঞ্চনীয় কথা নহয়। কিন্তু যেতিয়া আমাৰ ৰাজ্যৰ সীমাত

এনেকুৱা পৰিস্থিতি হয় আৰু আমাৰ সীমা অতিক্ৰম কৰি আহি তেওঁলোকে বেদখল আৰম্ভ কৰে বা পুলিচ Post বহুৱাই, তেতিয়া আমাৰ পক্ষৰ পৰা তাত উপযুক্ত ব্যৱস্থা লোৱাটো দৰকাৰ বুলি মই বিবেচনা কৰো। সেইকাৰণে আজি এই বিষয়ে Pious wish হয়; ভাৰত চৰকাৰেও তেওঁ-লোকৰ Police ৰখাটো বাঞ্চা নকৰে আৰু সেইটোয়ে আমাৰ সমস্যা-সমাধান নকৰে। প্ৰকৃতপক্ষে ১৯২৫ চনত Boundary notification খনৰ মতে যেতিয়া Nagaland ৰ সৃষ্টি হৈছিল, সেই সীমা যদি কোনো সময়ত অতিক্ৰম কৰিব খোজে তাক কোনে ৰক্ষা কৰিব ? তাৰ পৰা পুলিচো আতৰাই ৰাখিছে।

এতিয়া যদি এইদৰেই সীমা অতিক্ৰম কৰি থাকে তাক কোনে ৰক্ষা কৰিব ? এই বিষয় লৈ ভাৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব যে সীমা ৰক্ষাৰ বাবে অসমৰ পুলিচ তাত থাকিব লাগে নহলে নাগালেণ্ডে কেতিয়া সীমা অতিক্ৰম কৰি থাকে ভাৰত চৰকাৰে তাৰ দায়িত্ব লবলাগিব; গতিকে এই বিষয়ে সচিবে Border Security force ৰখাৰ কথা উল্লেখ কৰিছে আৰু এইটো বাতৰি কাকততো দিছে কিন্তু সেই নিৰ্দ্দেশ এতিয়াও মোৰ হাতত পৰা নাই।

## Re : REQUIRE FOR A COPY OF SPEECH

Jonab Rahimuddin Ahmed — "Sir, I beg to request you to kindly supply me with the corrected copy of discussion on budget speech of Shri Sadhan Ranjan Sarkar, M.L.A. on 5th May, 1970 where he has attacked me directly or indirectly". Sir, in this regard, I want to speak something.

Mr. Speaker — This can be given in my chamber.

Jonab Rahimuddin Ahmed — Sir, on a point of personal explanation ...

Mr. Speaker — Your application has been sent to the office for the needful.

Jonab Rahimuddin Ahmed — On a point of personal explanation....

Mr. Speaker — Order! Order!

(Shri Bhupen Hazarika and Shri A.N. Akram Hussain rose to speak).

Mr. Speaker — No debate please. Only informations. One of you can ask.

Dr. Bhupen Hazarika : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যিটো এই আলোচনাৰ লগত জড়িত ; সেইটো হ'ল আমি State Transport Corporationৰ বাচত Gauhatiৰ পৰা আহি আছিলো ; প্ৰায় ৫ মান বজাত আমি নলচৰাই Gate আগুৱাই আহি দেখিলো ৰাস্তাৰ দুয়োকাষতে হাজাৰ হাজাৰ মানুহ Blocked হৈ আছে। ৩ টা মান বজাতে এখন Military truck আহি Culvert ৰ ওচৰত ওলমি আছিল। Truck খনৰ পিছত এখন crane আছিল ; কিন্তু সেইখন যথেষ্ট শক্তিশালী নাছিল। ৫ টা মান বজাত বৈ থকা মানুহবোৰে অসহ্য হৈ কলে বোলে গাড়ীখন দেখোন কাষত পেলাই দিলেই ৰাস্তাটো clear হৈ যাব; তাত বহুতো military মানুহ জাঙুৰ খাই আছিল গতিকে তাত যিকোনো সময়ত বেসামৰিক আৰু সামৰিক মানুহৰ মাজত সংঘাত হোৱাৰ সম্ভাৱনা আছিল। লালচৰাই Gate ত Phone ৰ সংযোগ নথকাত কোনো সংবাদ পঠিয়াব পৰা নগ'ল সিফালে নংপুতো কোনো Phone ৰ সংযোগ নাছিল। এই ফালৰ পৰা যোৱা গাড়ী এখনে তালৈ যোৱা গাড়ী এখনৰ ড্ৰাইভাৰক কলে 'ডাঙৰীয়া ভাত খাই যাব নহলে বহুত পলম হব।' সিফালে খাবলৈ একোকে নাই। অথচ এই বিখ্যাত Corporation ইমান inefficient যে তাৰ কাৰণে আমাৰ ভয় হয়। তাৰ পাছত পৰিবহন মিনিষ্টাৰৰ ঘৰলৈ নিশা ৭ বজাত আহি পালোহি। দুৰ্ঘটনাৰ ঠাইত তেতিয়া এহেজাৰ মান লোক বৈ আছে। আহি খবৰলৈ দেখিলো S. P. Hazarika আৰু State Transport ঘৰত নাই। আৰু গম পালোঁ যে State Transport অৰ কোনো crane নাই। ৰাতি প্ৰায় ১ টা মান বজালৈকে মানুহবিলাক তাতেই থাকিব লগা হ'ল আৰু তাত খোৱা বোৱা কৰাৰ

কোনো সুবিধা নাছিল, খবৰ পঠিয়াবলৈ Nongpoh আৰু লালচৰাই Gate ত Phone ৰ সংযোগ নাছিল। ৩টা মান বজাতে ঘটনা হৈছে অথচ ৰাতি ৭½ বজালৈ কৰ্ত্তৃপক্ষৰ কোনো খবৰ নাই। Superintendentয়ে ৬½ টা মান বজাত হে গম পাই ২ জন বাবু পঠিয়ালে হেনো তেওঁলোকে শ্ৰমিক নোহোৱাকৈ কি কৰিব পাৰে? ঘটনাস্থলীত লোক আৰু বহুত আছিল। crane নোহোৱাকৈ বাবুয়ে কি কৰিব পাৰে? এনেবোৰ ৰাস্তাৰ পৰিচালনা কৰা ভাৰ দায়িত্বশীল লোকক দিব লাগে। সেই ঠাইত মানুহৰ থাকিবলৈ তথা খাবলৈ কোনো সুবিধা নাছিল ফলত ৰাতি ৩ বজালৈ মানুহে কষ্ট ভোগ কৰিবলগীয়া হল।

একে ৰাস্তাৰে মাননীয় সদস্য কেবাজনো আহিছিল। তাৰ ভিতৰত আমাৰ মাননীয় সদস্য—আক্ৰাম হুছেইন আছিল। গোবিন্দ কলিতাদেৱ আৰু হীৰালাল পাটোৱাৰীও গৈছিল সেই বাটেৰে। Kahoram Hazarika আৰু বহুত মানুহ সৰু সৰু লৰা-ছোৱালীৰে আহিছিল। আনকি ডিব্ৰুগড়, লক্ষীমপুৰ sideৰ পৰা Super Busত অহা মানুহবোৰে সেই ৰাতি লৈকে সৰু সৰু লৰা-ছোৱালীৰ সৈতে যাতনা ভুগিব লগিয়া হৈছিল। ইমান দূৰৰ পৰা অহা সৰু সৰু লৰা-ছোৱালী মুনিহ তিৰোতাক ৰাতি ৩ টা বজালৈ আৱদ্ধ কৰি ৰখাৰ চৰকাৰৰ কোনো অধিকাৰ নাই। গতিকে এই বিখ্যাত state transport corporation যদি প্ৰথমৰে পৰাই এনে কাৰ্য্য কৰে, তেতিয়াহলে এইটো বৰ ভয়ৰ আৰু আশঙ্কাৰ কাৰণ হৈ উঠিব।

RE: SPANDING OR STATE TRANSPORT CORPORATION BUSES ON THE SHILLONG GAUHATI ROAD.

Jonab Rahimuddin Ahmed এইটো word 'so called' নক্সালিষ্ট বুলি লিখা আছে। এইটো থাকিলে প্ৰকৃত নক্সালিষ্ট নহ'বও পাৰে।

Shri Prabin Kumar Choudhury, (Minister of State, Transport).

Sir, on 5.5.70 a convoy of about 30 Military vehicles coming from Gauhati to Shillong arrived Umran, 23 miles

from Shillong, at about 4 P.M. While negotiating a narrow culvert the first vehicle of the convoy dashed against the guard wall of the culvert and one front wheel of the vehicle went off the road completely blocking the road.

The Passanger services leaving Shillong at 3, 4 and 5 P.M. for Gauhati and Nowgong as well as those coming to Shillong by these timings got stranded there due to the road block. Large number of private vehicles coming from either side also got stuck up and the jam extended to about 2 kilometers on either side. The first class car of the Corporation which left Shillong at 4 P.M. had somehow crossed the culvert about 45 minutes after arrival at the spot and reported the matter at Nogpoh. It was about 6 P.M. then. Besides an Assistant in charge, there is one member of the Enforcement Squad and some machanical staff at Nongpoh. The M.E.S. immediately informed the Shillong office and the Nongpoh police and himself with two mechanics left for the place immediately after giving these information.

The Assistant Station Superintendent who got the information at Shillong had after consulting the Station Superintendent left for the place with another Assistant Station Superintendent within minutes. They were followed by another party of the Corporation labourers headed by the Yard Master.

Meanwhile, the Station Superintendent here had informed the Military authorities and requested them to send cranes for clearing the road block. He was informed that from Military side action was being taken.

Arriving at the spot the Assistant Station Superintendent found that the Military personnel had made arrangements to ensure prevention of the truck from falling down and thus stopped passing of even smaller vehicles

which was otherwise possible with some risk. The Officer-in-charge of Shillong Police Station and the Traffic Inspector had also arrived there in the mean time with salvage materials.

Our staff with the help of the Police and Military personnel started preparing a foot track by the side of the culvert for transhipment of the passangers as it was found that the crane with the convoy was not sufficienty big to pull out the truck from that position and clear the block. Because of the very large numbere of vehicles covering long distances on either side as well as because of some amount of confusion with the passangers with the setting in of darkness, the transhipment work was considerably hampered and delayed.

However, while efforts were being made by police and Military with the help of the passangers to pull out the vehicle, the transhipment work was also started to take the passengers to their destination with the vehicles on either side of the culvert. By about 11.30 P.M the transhipment of the passangers was completed and by about 12.30 A.M the vehicle was pulled out and the road cleared.

To ensure that not a single passanger was left at the spot another vehicle was sent from Shillong reaching the spot about 12 A.M. midnight. This vehicle arrived back at 2 A.M. confirming that none was left out.

Maximum possible was done by the Corporation staff, the Police and the Military to help minimise the inconvenience caused to the passangers by an event over which the Corporation had no control. The Army authorities had also been fully appreciative of the promptness with which the Corporation staff had reached to the situation effectively.

I am also very thankful to Shri B. Hazarika, M.L.A. who had kindly informed all concerned immediately on his arrival at Shillong after seeing the incident.

## Re : RULLING BY THE SPEAKER : ADJOURNMENT MOTION ; NAXALITE ACTIVITIES.

On 5th May 1970 hon. Member Shri Dulal Chandra Barua tabled an Adjournment Motion to discuss the situation arising out of the raid by Naxalites on a School at Lumding on 2nd May, 1970. While speaking on the admissibility of the Motion, Shri Barua stated that the incident had caused a sense of insecurity in the minds of the people of the State in general and those in and around Lumding in particular, that it showed total failure on the part of the Government to protect the life and property of the people of that area as well as of the people of the State and submitted that the motion fulfilled all the conditions for its admission.

The Minister for Parliamentary Affairs opposing the motion stated that the so-called Naxalite activities were going on in the State since some times past and that there were occasions in the House to discuss matters relating to Naxalite activities. He further stated that there had been a series of incidents in the course of the last one month or so and the Lumding incident was only another ring in the chain. The matter was no doubt a serious one and it shall have to be met ruthlessly from all sides. When a series of incidents is going on, the present incident cannot be isolated from the rest. The matter can be dealt with during the general discussion on the Budget or Voting on Demands or through different avenues provided in the rules during the present session of the Assembly. So he submitted that this was not a fit matter for an Adjournment Motion.

I have carefully considered the points raised by the Mover and the Minister for parliamentary Affairs. The matter is no doubt a grave one. As stated by the Minister for Parliamentary Affairs, such kind of so-called Naxalite activities is going on from some time past in the State. The present incident at Lumding is another of the kind and there may be such incidents in future also. This may be a continuous affair. So the matter needs a threadbare discussion for the purpose of devising ways and means to prevent such violent activities.

The purpose of an Adjournment Motion is to discuss such matters of urgent public importance. But we must also remember that set business of the House should not be disturbed if there be other avenues for discussing such matters. There were occasions when the matter was discussed during the present session of the Assmbly. There will be further opportunities for the hon. Members to discuss the matter during the General Discussion on the Budget which is going on or during Voting on Demands which is soon coming up before the House. Moreover, in the Rules of the House, there are various provisions for discussion of such matters of urgent public importance, such as under rule 50 for half-an hour discussion or by special motion under rule 130 A or by Motions. A matter of very recent occurrence is not urgent if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short time ( Kaul's Page 384 ).

When the hon. Members have so many opportunities as stated above to discuss the matter during the current session of the Assembly without disturbing the business of the House, I feel constrained to disallow the motion.

Shri Bhadra Kanta Gogoi— Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Assam Tribune, dated the 5th April, 1970 under the caption 'Student Murdered at Teparguri'.

Shri Bimala Prasad Chaliha ( Chief Minister )— Mr. Speaker, Sir. On 25.3.1970 at night a Theatrical performance was held at Sasaricata Kaibarta Gaon under Moran Police Station. People of the neighbouring villages assembled there to witness the same. At about mid-night when the performance was going on, Ratneswar Saikia ( Sonowal ) of Hologuri who was witnessing the show trod on the foot of Nepali Das of Kaibartagaon. This led a quarrel and Nepali Das went to the stage and came back with Durga Das, Ananda Das, Mulan Das, Naram Das, Dina Das, Nunia Das and some others of the same village being armed with lathis. It is alleged that they assaulted Tulen Sonowal, Gopinath Sonowal and Deobor Sonowal of Natun Hologuri village, Ratneswar Saikia and Shri Prabhat Saikia, a student of Teparguri village causing injuries on them. Shri Ratneswar Saikia died on way to the Moran Police Station. Shri Prabhat Saikia was brought to the Medical College Hospital, Dibrugarh but he died on the way. A case U/S/147/304 I. P. S. was registered in the Moran Police Station and investigation has been taken up.

Accused Durga Das, Ananda Das, Mulan Das, Sriram Das,Tupidhar, Hari Das and Baliram Das all of Saharikata Kaibartagaon were arrested and forwarded in custody. Accused Kanak Das, Phukon Das, Budbor Das, Lilambar Das of Telpani under Bordubi Police Station could not be arrested as they are absconding. Attempts to arrest

them is going on. Post-Mortem Examination was conducted on the dead-bodies and it appears that they had sustained a number of bruises, injuries and fractures. Deobar and Tulen sustained simple injury and Gopinath sustained one grievous injury. Investigation of the case is proceeding under the supervision of the Additional Superintendent of Police and Deputy Superintendent of Police (Head quarters), Lakhimpur, Dibrugarh. The news item that there was previous enmity between two group of people of two villages was found on enquiry to be not correct. There was, however, some tension in the village of Saharikata Kaibartagaon after the occurrence and Police has posted a section of armed Police in that area. They have now been withdrawn as the situation has come to normal. There is also no evidence that Shri Prabhat Ch. Saikia was attached by spears. Shri Prabhat was a student of the Khowang High School.

Sixth Report of the Committee of Priveliges relating to the arrest of Shri Nameswar Pegu, M. L. A.

Shri Ramesh Mohan Kuli— Sir, I beg to present the Sixth Report of the Committee of Privileges relating to complaint against the Subdivisional Police Officer, etc. North Lakhimpur arising out of the arrest of Shri Nameswar Pegu, M.L.A.

Shri Nameswar Pegu— অধ্যক্ষ মহোদয়, মই এই ৰিপোৰ্ট সম্পৰ্কে আপোনাৰ অনুমতি লৈ কেইষাৰমান কথা কব বিচাৰিছোঁ।

Mr. Speaker— Now, no discussion on the report, please.

Shri Gaurisankar Bhattacharyya— If any hon. Member wants to say something on the report it is difficult ...

Mr. Speaker— Order, Order. The rule does not permit any debate on the Report at this stage. If the hon. Member wants to bring a Motion he can do so.

## GENERAL DISCUSSION OF THE BUDGET

Mr. Speaker— As per decision of the Business Advisory Committee today is the last day for general discussion on the Budget and tomorrow Ministers will reply. And there are many hon. Members who are yet to speak. So, I request the hon. Members to be brief in their speeches. Now, I call upon Shri Ajijur Rahman.

Shri Ajijur Rahman Choudhury : অধ্যক্ষ মহোদয়, বাজেট সম্বন্ধে বহু ৰকমৰ সমালোচনা হৈ গৈছে আৰু সেই বিলাকৰ কোনোটোৱেই বাদ পৰা নাই। তাৰ মাজতে মেয়ো কেইষাৰমান কম বুলি ওলাইছোঁ।

আজি আমাৰ ৰাজ্যৰ বেছি সংখ্যকেই হৈছে খেতিয়ক। খেতিয়ক সকলক উন্নতি কৰিবৰ কাৰণে চৰকাৰে পঞ্চায়তৰ জৰিয়তে যি বিলাক পদ্ধতি লৈছে, তাৰ দ্বাৰা শস্য উৎপাদন বেছি হৈছে বুলি জানিব পৰা গৈছে। কিন্তু আজি দেখা যায় যে—বৰ্ত্তমান খেতিয়কৰ অৱস্থা ভাল নহয়; তেওঁলোকৰ অৱস্থা একেবাৰে শোচনীয়; তাৰ কাৰণ কি? তাৰ কাৰণ এইটোৱেই যে চৰকাৰে তেওঁলোকক আগবঢ়াই নিবলৈ চেষ্টা কৰি তেওঁলোকৰ উৎপাদনৰ মূল্য ঠিকমতে ৰাখিবলৈ চেষ্টা কৰা নাই। তাৰ বাবেই আজি গাঁৱলীয়া খেতিয়কৰ অৱস্থা দুখঃজনক হৈছে।

ইয়াত বিত্তমন্ত্ৰী ডাঙৰীয়াই যি খন বাজেট ডাঙি ধৰিছে, সেই বাজেট মতে খেতিয়ক সকলে একোকেই আশা কৰিব নোৱাৰে। যি হওক আমাৰ গাৱঁলীয়া ৰাইজৰ অৱস্থা বেয়া নহব যদিহে।

(সময়ৰ সঙ্কেত)

Mr. Speaker : No quorum.

Shri Ajijur Rahman Choudhury : সেইবাবে মই এইটো চৰকাৰৰ দায়িত্বত ৰাখিবলৈ কৈছো। দেশৰ মঙ্গলৰ অৰ্থেই দেশত উৎপাদিত শস্যৰ মূল্য ঠিক মতে ৰাখিবলৈ চেষ্টা কৰাটো উচিত।

দ্বিতীয়তে আজি দেশত দুৰ্নীতিতকৈ বেচি বিষাক্ত হৈ উঠিছে আমাৰ নিৰনুৱা সমস্যা। এই নিবনুৱা সমস্যা সম্পৰ্কে বহুত আলোচনাই হৈছে কিন্তু তাক কাৰ্য্যতহে পৰিণত কৰা হোৱা নাই। চৰকাৰে যদিও এই নিবনুৱা সমস্যা দূৰ কৰাৰ কাৰণে কিছু কাম হাতত লৈছে তথাপিও ইয়াত সফলতা লাভ কৰিব পৰা নাই।

আজি "নক্সালাইট" নামৰ শব্দটো ওলাইছে। সেইটোৱে যেন আমাৰ অন্যায় কৰিব খুজিছে। আজি এই নিবনুৱা সমস্যা দূৰ কৰিবৰ কাৰণে কিছুমান পদ্ধতি চৰকাৰে হাতত লব লাগিব। নিৱনুৱা সমস্যাৰ দুটা ভাগ আছে। এটা হৈছে শিক্ষিত নিৱনুৱা আৰু আনটো হৈছে অশিক্ষিত নিবনুৱা। শিক্ষিত নিবনুৱা সমস্যা দূৰ কৰিবলৈ হলে যি বিলাকে বেপাৰ বাণিজ্য কৰিব পাৰে সেইবিলাকৰ Survey কৰি বা যিবিলাক লবাই যি বিভাগত উন্নতি কৰিব পাৰে সেই কাম বিলাক কৰিবলৈ উৎসাহ উদ্দিপনা দিব লাগে। এইটো এটা ৰব আৱশ্যকীয় বস্তু। এজন মেট্ৰিক পাচ লৰাই কেৰাণী কাম কৰিবলৈ গৈ যি সন্মান পায় সেইজন লৰাই ঠিকা কৰিবলৈ গৈও সেই সন্মানকে পোৱাৰ দৰকাৰ। গতিকে কামৰ মানদণ্ড বঢ়াবলৈও যত্ন কৰিব লাগে।

ইয়াৰ পাচত মই corruption সম্বন্ধে অলপ কথা কওঁ। এইটো এটা আজি সকলোতকৈ আৱশ্যকীয় কথা হৈ পৰিছে। যদি চৰকাৰে এই দুৰ্নীতি দূৰ কৰিব নোৱাৰে তেনেহলে ই ভৱিষ্যতে বেলেগ ৰূপ ধাৰণ কৰিব পাৰে।

উদাহৰণ স্বৰূপে মই ৰবপেটা মহকুমাৰ P. W. D. বিভাগটোৰ কথা কব ধৰিছো। ইয়াত ইমান বেচি অফিচাৰ হব ধৰিছে কিন্তু তাৰ দুৰ্নীতি কমা নাই। সেইকাৰণে মই এই সদনৰ মাননীয় সদস্য সকলক অনুৰোধ কৰো এই দুৰ্নীতি আতৰোৱাতো অতি আৱশ্যকীয় হৈ পৰিছে। আজি যদি মন্ত্ৰীয়েও কেতিয়াবা দুৰ্নীতি কৰে তেনেহলে সেইজন মন্ত্ৰীয়ে দেশৰ মঙ্গল

চিন্তা কৰি মন্ত্ৰী নোহোৱাই ভাল। আমাৰ ৰাজ্যখন এখন Secular state আজি এই ৰাজ্যত Communal rights চলিছে। এই বিলাক দূৰ কৰাত আজি আমাৰ চৰকাৰ ব্যৰ্থ হৈছে। আজি আমাৰ চৰকাৰে এনেকুৱা ব্যৱস্থা কৰিব লাগিব যাতে এজন মানুহে আন এজন মানুহৰ অন্যায় কৰিব নোৱাৰে। আজি আমাৰ মুছলমান সকলৰ মাজতো ইয়াৰ দ্বাৰা পৱিত্ৰ ইছলাম ধৰ্ম্মৰ দুৰ্ণাম অনা হৈছে। আজি আমাৰ এখন ৰাজ্য কোনো এটা জাতিৰ কাৰণে হব নোৱাৰে। আজি হিন্দু, মুছলমান, খৃষ্টিয়ান আদি সকলো থকাৰ কাৰণেহে এখন ৰাজ্য হৈছে। আজি যদি এটা জাতি নোহোৱা হৈ যায় তেতিয়াহলেও এখন ৰাজ্য বা দেশ থাকিব। কিন্তু এটা জাতিৰ লগত এটা জাতিয়ে বিৰোধীতা কৰাতো বৰ লাজৰ কথা। মই ভাবো এই Communal rights ৰ দ্বাৰা এখন দেশ গঢ়ি তুলিব নোৱাৰে। আজি আমাৰ এই সদনৰ সকলো সদস্যৰে ভাল কাম কৰিবলৈ ইচ্ছা আছে কিন্তু ইচ্ছা থাকিলেও সময়ত কৰিব নোৱাৰে। আমাৰ এই Communal rights কেতিয়া হব নোৱাৰিব তাক জানিব পাৰিলেহে আমাৰ ভাল লাগিব। মহাত্মা গান্ধীয়ে বন্দুকৰ গুলিৰ আগতো এই Communal rights ৰ পৰিসমাপ্তি ঘটাইছিল। আজিও তেনেকুৱাকৈয়ে ইয়াৰ নিষ্পতি কৰিব নোৱাৰিলে। কাৰণ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়া আৰু ৰাজহমন্ত্ৰী ডাঙৰীয়াও গান্ধীজীৰ Volounteer আছিল।

অৱশ্যে গান্ধীজীৰ প্ৰকৃত নীতি মানি চলাহেতেন এইটো কৰিব পাৰিলে-হেতেন আজি আমাৰ মাজত দুই এজন ভাল মানুহ নোহোৱা নহয়। গতিকে মই আশাকৰো আমাৰ পুৰণা কংগ্ৰেছী বন্ধু সকলে গান্ধীজীৰ নীতি মানি লৈ আমাৰ ৰাজ্যখনত শান্তিৰ সৃষ্টি কৰে।

ইয়াৰোপৰি ৰাজ্যখনত যি দুৰ্নীতি চলিছে সেই দুৰ্নীতি দূৰ কৰিবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Gaurisankar Bhattacharyya : In participating this discussion I propose to touch six points. First, the Centre-State relation with regard to the financial matters with particular reference to Assam ; second, the debt and loan position of the State of Assam ; third, the returns

and the position of the Government investments, fourth, the problems that the Tea industry is facing; fifth, the land and the law and order situation in the State; the last but not the least is what is now becoming the style of being discussed as Naxalism.

These are the points I shall in brief try to touch. To start with I have chosen the Centre-State relation in financial matters because I feel that this is a matter which is drawing the attention of all political thinkers of India today. It was only on the 2nd and 3rd instant that a parliamentary symposium was held in New Delhi where the representatives of the Rajya Sabha, Loka Sabha and almost all the State Legislatures were present, and this was the subject which was discussed and bebated. In that discussion it came out that there are two sharp view points in the matter-one view point which is represented by the Central Government and shared by what is generally known as the Syndicate leadership of the Congress is that they stand for a very strong centre; the other view point is that the States are being denied justice and denuded of all powers and resources and if the States do not get proper justice then those who are for advocating a strong centre will prove to be the greatest enceies of a strong Central Govt. because too such retaining powers by the Centre will automatically bring in revold from all the States. Sir, this being such an important subject, I feel that we in this legislature also including those who are on the Govt. side should consider the matter specially for justice and legitimate interests of our State and make our views heard in the councils of Delhi though it appears that Delhi is too far a cry, and it is only those who can pressurise their voices are heard in Delhi. Modest people like us are always ignored and always cold-shouldered. Therefore, it will be meet

and proper that all people of Assam to whatever party they might belong should make it a common cause to uphold. Assam's cause in the Delhi Durbar so that we may not be denied justice which we are being denied uptil now. In this context, the point which we can and should make out is that when we advocate a strong State for this frontier region thereby we do not mean in any sense weakening of the Centre. In particular our State being placed in a very important strategic situation, strength of this region will be strength for India as a whole, and in this matter whatever financial justice is being denied to us should be gauranteed henceforward. One leader in that forum had tried to show that because of the existence of the Finance Commission the States are getting more and more assistance from the Centre, and by quoting figures he stated that while during the First Finance Commission the States got only 55.05 crores of rupees, by the Fifth Commission the States are getting a share of 4266.30 crores of rupees. When these figures may appear to be staggering--the increase being more than 15 times-when we look to Assam and Assam's share, we find that we have not been given our proper share particularly when we take into consideration the fact that even during the British regime some States had got special attention,- for example, West Bengal, Maharastra, Punjab, Delhi and so on. Now, the Finance Commission as well as the Planning Commission and the Govt. of India go not only by the standard of what the States need but what the State could bargain, and generally they emphasise on population. We have seen that because Assam is a State which is less populated our share is always much less. Moreover, those who actually control the Delhi administration come either from Uttar Pradesh, or Maharastra or Delhi, and these are the States which get the lion's share be they as a result of the Finance

Commission's allocation or the Planning Commission's recommendations.

(There was no quorum for about a minute)

In this respect Sir, I may say that we shall not be alone because we felt even in the symposium itself that there is a general discontentment from the weaker and the neglected States irrespective of political cult and from all the weaker and neglected State we will be making a note because I think the voice which now appears to be rather throttled have been probably strong enough in time and probably we may get our due shares. In this connection, it will be proper on our part to appreciate, with regard to the allocation of the powers, not only financial but also others in between the States and the Centre. As we all know there are three Lists, viz., Union, State, and Concurrent. Now, we all know, so far as the State List is concerned, it comprises a very limited number of Subjects and all the subjects are inelastic. So far as the Union List is concerned, it is not only a long List but it contain all the elastic subjects. So far as the Concurrent List is concerned where the Centre has the strong hold. Now, these two put together the Union List and the concurrent List make the State List a very insignificant one. In addition to that there is Entry No. 97 in the List No. 1 which is the Centre List. The Entry No. 97 says that "whatever possibility will be there in future the whole of the future is for the Centre." Now, the society is not static the economic development is also not static; whatever development will be there, whatever changes will be there, will be the monopoly of the Union and the States, shall not be confined themselves in their limited spheres. But, so far as the people needs are concerned, it is the State Legislature which is within the reach of the people. Central Ministers are in Delhi but our people from Assam

do not reach there. So far as the Ministers and the Members of the State Legislature-they are in day to day contact with the people. Whatever the grievances of the people they go to the M.L.As of the States and expressed their desire as they have the power of the State Legislature. The power of this Govt. is extremely limited. Therefore, if we want to really to serve the cause of the people the States should have more resources than they have at present not only out States but all States. Therefore, there has been a general cry that there should be the more power to the State. In this particular respect our Govt. should make a special point to agitate that so far as the Entry No. 97 is cencerned it should go to the State List from the Union List. Second thing is, so far as the mineral and other natural resources are concerned the surface has been allowed. So far as the depth is concerned it has been kept the monopoly of the Centre. I suggest if we make it a point to go to Delhi and we may send our Members in batches to go to Delhi so that Delhi is being felt our necessity. Probably we will see one colu-mn will cost more than our Secretariat. What the Mogal Em-pire did' what the British Empire did and what the Indira Empire is doing and the whole of India is being drained away. You will see vast beautiful columns, numerous streets and so many gardens and everybody will feel that he is in a country where there is full of milk and honey. Particularly if one goes by air and if he leaves Delhi the beautiful atmosphere and reaches by evening in Assam he will see what it is. Now, Govt. of Assam will at least make them understand the needs of the poor people of Assam heard. It will not be possible to get India strenger particularly with regard to the mineral resources which is available the State should not be deprived of the opportunity of the resources that the State has got. Now, another thing, Sir, in this conne-citon I would like to say there is one Article 269 in

the Constitution according to which there are certain duties and taxes levied by the Union and duties and taxes are assigned to the States should be distributed among the State. We find Sir, from our analysis from the Finance and Accounts there has been mentioned in our share of the taxes and duties under Article 269. The reason is very simple. From the realisation of these taxes under Article 269 the Centre is not getting that money and that money should be distributed to the State. There has been huge arrears due to the enthusiasm of our All India Service people. There has been huge expenditure of sales tax which has been centralised. We found that these are the arrears uptil now. Under Assam Sales Tax Act. 1 lakh 38 thousand, vehicles on Sales Tax. 34 lakh 71 thousands, Petroleum Tax 3 lakhs 95 thousand, Pro fessional Tax 5 lakhs 21 thousand, Urban appears proparty tax, Assam Vehicle & Carriage Tax 97.97 thousand, Agricultural In-Come Tax 1 crore, 64 lakhs 84 thousand Another huge arrears of Land Revenue is 4 crores 32 lakhs.

This shows that so far as the All India Officers are concerned particularly the I. A. S. Officers, they are not very keen about realisation of taxes and the Centre in order to further strengthening its strangle on the State had recently passed an order and that order is that automatic promotion of the I. A. S. from the Second Cadre to First cadre will go up from 5% to 18%. We have already soon what a havoc has been created by the Second and Third rate people coming as I.A.S. to a place which they do not consider to be their own. The first rate people generally go for technical works and they do come for I. A.S. and all that. Now these I. A.S. people who have not been kept in other States are sent to our State and generally they are in the reserved quota or what was known as wartime recruits

or these who are not spited anywhere also they come to this State. And we find that they set the example of highbrowedness and doriliction of duty. The result is we find it is only a small cadre of the superintendents or Under Secretaries in the Secretariat and neither those who are at the top they work nor those who are the bottom they work-it is only a few people who work and the result we have been given in less and less of the revenue while the arrears are increasing everyday. The sum total of the receipts have been that our loan and debt position to-day is really procarious. As we see from the information that is available uptil now, the Govt. of Assam at present got a huge loan and outstanding debt at the end of the year 1967-68 came to Rs. 332.25 crores. And in interest alone in the year ending 1967-68 we had to pay Rs. 8.93 crores. This was an increase by Rs. 1.21 crores since the Previous year. We have therefore been living in a condition which may be said to be almost bankrupt. We have also seen that as far as our permanant debts are concerned these so to Rs. 90.77 crores and our floating debt, they are also from the Central Govt. Rs. 212.27 crores and other loans come to near about 10 crores. In all the grand total of our position as a debtor is exceeding an amount of Rs.266 crores 56 lakhs and 10 thousand. That is the position according to our memorandum of the present budget, i.e. it is seen that as the year is passing by we are becoming and more indebted. We are heavily under debt. If this debt is not repaid then in paying interest alone we are to give more than 9 crores every year. So it will be in our interest that we lesson the debt: If we want to decrease our dues to the Centre and other creditors we are to see that whatever we are to get from our sundry debtors they are realised. But unfortunately the position of the realisation of this debts that is to say what we are entitled to get we are

not getting because our realisation scheme is very poor We find that in the last year there has been only a nominal increase in the realisation of the dues that we were entitled to and when these dues were outstanding not any that we have created certain companies and corporations and certains firms where the Govt. participated but also various other sectore including corporations and also individuals. This is a long list and I need not so to the elaborate it. The simple point is while we want to increase our loans on the other hand are debts are also increasing. Then to add to this we find that Govt. have invested some amount of money to certain concerns and these concerns are net giving good returns. According to the report of the public Accounts Committee 1967-68 we find that Govt. of Assam have participated in the Statutory Corporations, Govt. Companies and also Co-operative Societies. In these Statutory Corporations we find that there have been practically no dividened. In the Govt. companies we find that most of the companies are running at a loss. To same a few, the Assam Govt. Marketing Corporation the net loss in the year Rs. 3 lakhs and odd, Tenneries more than Rs. 9,000, Government Construction Corpotion, no dividened, Gas Company Rs. 2.36 lakhs, Small Indusratrial Development corporation, net loss Rs. 3.8 lakhs and on. Assam State Mineral Development Corporation net loss of Rs. 18,87,032, Central Road Transport Corporation the work of the Corporation has not been indicated. In all we have invested in these Corporations more 7 crores of rupees and in this we have inuarred more than 33 lakhs of rupees as loss. People invest money in order to get profit while we invest crores of rupees in order to get lakhs of rupees as loss. Then about the Joint Stock Company where also the Govt. have participated there was also an overall loss and then our Co-operative Banks, the Co-operative Societies and so on and so forth.

On the whole there was an investment of Rs. 10,86, 63,267/-and having invested it we have incurred a loss of Rs. 1,18,253/-. I am making the overall assessment. So, it has become almost like this : there is a saying "দুর্ভগীয়া যেনিয়েই যায় সাগর শুকায়, মানিক লুকায়"। To whatever this Government puts its hand everything is dried up. Therefore, unless and until some ways and means are found out to make this investment at least self sufficient (in spite of the fact that some promotional aspects are there and they are all not machinery and money making concerns) even without promotional aspect we are in a very hopeless position so far as the financial position is concerned.

Now, I come to the third point which I wanted to place with regard to the tea industry in Assam. Now, the Government of Assam, in this connection, have submitted a memorandum to the Central Government only on 2nd April, 1970. In this connection, I should like to say who drafted this memorandum, I do no know. But unfortunately the drafting has not been very happy. It has created some impression in some quarters, particularly in Cachar that it has not properly appreciated the Cachar's case. I say this because some educated gentleman, educated in the ordinary sense, came to me in a very furious nood and said ! see, you people of Assam do not consider Cachar a part of Assam. Your Government it its memorandum has made some difference in Cachar tea and Assam tea. The Government has represented to the Central Government that at the cost of Assam Cachar is going to be benefited. I have gone through that portion which deals with regard to the tea in the Government memorandum. I also pity that gentleman who is supposed to be an educated gentleman who has parochial outlook. Because it is a technical name – it should have been zone 5 tea. When the Britishers came they gave various nomenclatures. Zone 5 tea was Surma Valley tea which is

called now Cachar tea. They did not mean that Cachar did not belong to Assam. Similarly, Goalpara tea is called Duars tea. But the point is, more than 80% of the tea resources goes under the name and style of Assam tea. When a discrimination is made against the zone 5, a concession is sought to Assam and Duars tea and by that concession we get an overall loss for Assam including Cachar and Goalpara. Unfortunately, because of the very atmosphere in the country people are too sensitive and they sometime read things which are not meant. Knowing full well that we are living in a blessed State which is mentally too sensitive, the draftman of the Government of Assam should have been very careful. Instead of naming it Assam tea he should have used zone 5 and with regard to Goalpara the word should have been Duars. It should have been better to put the zone number. Similarly with regard to Cachar also. At any rate, what we find, in the matter of Assam tea many things have been said by the Government by and large. We are now in three dimension talk so far as Assam tea industry is concerned. One dimension is : the British monopoly interest. They still hold the lion share and still its market is England. It is tea market of London controls the whole tea market. We have no hold over it not to speak of having control over it. Second thing is our neighbour. West Bengal goes on taking advantage of location of the headquarters of some companies or rather most of the companies. Most of the managing agencies houses are there also ; auction market is there, and the port is also there. So taking advantage of all these, they have been squeezing whatever is left from Assam tea. They do not allow even Assam tea to enter and pass through Bengal without a tax being paid. Either Assam tea pays the sales tax or the entry tax and yet Delhi says that India is one. You the weaker States unnecessarily becoming fissiparous, rather centri-

fugal. Since 1958 the attack on Assam tea has mounted and it is particularly on the zone 5 which constitute more than 80% of our industry. The result has been that if we the people say that Government figure was in place of more than 5 crores, probably our earning will come to 1½ crores. So it is a big crisis. We read in paper that the Government is thinking of starting an auction market in Assam,I think our Government should take it with all seriousness the Government of India should be impressed that Broad Gauge should not stop at Bongaigaon; it should and proceed by the North Bank up to Amingaon so that we can have our tea market there. It is not a very long distance from Bongaigaon to Amingaon. Let there be a bridge at Jogighopa and the Broad Gauge line may come up to Pandu via South Bank. The Government of India should be impressed that on this depends our very existence and there should be no delay whatsoever for starting an auction market in Assam. So long as that is not done, we may have to depend on even the Kandla port. I had a talk with the owners as well and it appeared that if the Government approached them probably they will be also co—operative. They will not be co—operative for any other reason, but for the reason that the people and the Government of Assam have come to know how much land they have been grabbing. I have the details in my possession. But I do not want to take the time of the House in giving the details. The sum and substance of the position is : whole tea grants in Assam are getting 12, 84,831 acres of land. The area actually under tea is 4,33,000 acres.

That is to say, more than two-third of the total land with these tea gardens are not under tea, and a few thousard acres have been requisitioned and some thousands are now under encroachment. They want the Governm-

ent to help them remove the encroachers. But if the Tea Estates, Tea owners do not co-operate with the Government in making the tea industry also to some extent remunerative to the State Government, why should the Government go to Pull the chest nut out of the fire for that. If this point can be driven home, then they will be co-operative in this respect and then only the tea industry will be a real asset to the State of Assam. Otherwise, might be in Assam there are miles and miles of tea gardens, but it is not the Government of Assam who are gaining; it is the Central Government which is gaining and some other vested interests. I think, Sir, on this' I should not say anything more because the matter is very well known to the Honourable House. In this connection, I would like to say with regard to the Government memorandum in respect of Barak Dam. The way in which this Memorandum has been prepared has left scope for some people in Cachar to feel as though the Government of Assam is not very keen about the Barak Dam project. The fact of the matter is that Manipur is not a part of Assam. It is under the Indira Gandhi's Government and it is Indira Gandhi's Government itself through the Manipur Government which is standing in the way. This matter ought to be very clearly placed if the misunderstanding was to be removed, and there is no reason why there was also Barak Dam before the examination of the question of the Laktak Project. These are inter-connected and it is natural that for this reason the Manipur Government will definitely protest, and it will be for the Central Government to compensate the Manipur Government for that. If the Government of India do not compensate the Manipur Government for the inundation of hundreds of villages; and for this, the Laktak and the Barak Dam project cannot be inter-linked, and if it is for this reason, it is held up, not that the overnment of Assam or the people of Assam who sho-

uld be blamed but the Government of India who should be blamed. The way in which this Memorandum has been prepared, and if this point is not very well made out, the result is that on this score there will be a lot of misunderstanding. This misunderstanding should be removed. In this connection, we find something with regard to the Brahmaputra Control Commission. Now, Sir, it has probably remained uptill now, and it is said as to who will foot the bill. What the Brahmaputra Control Commission will do ultimately, it is still in the womb of the future so far as the footing of the bill is concerned. While the initial expenditure of 30 crores which is necessary, even the Government of India is bargaining, they are not willing to pay 15 crores to start with even as a loan and not as a grant. Calcutta has got 150 crores not as a loan but as a grant for the development of Calcutta, and for the development of the whole of Assam and for the control of Brahmaputra, does not justify the said amount. While Bengal can fight, Bengal can extract in its own way, it is capable of getting a grant of 1·50 crores for the development of Calcutta alone, we in Assam do not get even 15 crores as grant even for the control of Brahmaputra. This immediately brings the question of Naxalism; it has become a style to lay all the blame on Naxalism. If a boy has fallen and he has broken his leg, it must be the action of Naxalites ; if somebody,s house is stolen, it must be the action of Naxalites ; if there was some quarrel somewhere, it must be the action of Naxalites. The Naxalisn has entered into the head of some people for everything.Naxalism is now being used with a view to prepare the present mechinery against Popular movement. There are some people who now are gloating and thinking that if there be a few individuals here and there may be communists or communist minded-probably they are not victims of this. It does not matter; not that; that is not so easy. Here

before me is the statement of our Revenue Minister given at the instance of the Home Minister with regard to the Naxalites' plan of guerrila war in Assam. Where is the guerrila war in Assam? In my constituency itself, 59 people ordinary peasants, Assistant Headmasters of High School, M.A. and graduate students and kisans-all these 59 people have been arrested branding them as Naxalites. What is the proof against them? If anybody is found guilty, hang them; if there is any proof against any one of them, punish them, bring them to court give proper punishment to them; I shall be glad for that. There is absolutely nothing publicly said against them. It is alleged that they got some unlicensed firearms in the possession of some people and so they arrested them. Well, there is Arms Act. And if unlicensed firearms are found in somebody's possession or house, bring them and try them for possessing the unlicensed firearms, and convict them and sentence them; everybody will support it. But because it is said that somebody has reported that six months' back somebody from Bengal came and met some people here, therefore, for all this, students, teachers and peasants are to be rounded up, brought to the Thana and keep them under police custody and keep them 5 days more and within these 5 days, give them only 3 meals. In this way you want to supress Naxalites. The Government has made a huge list of encroachers. Those who have illegally encroached upon reserves-according to them the number of these encroachers are going to be thousands and lakhs. Under the garb of a move against the Naxalites, as matter of fact, the Government is preparing an offensive against the people, against the popular movement. The same thing was done in 1962 when the Chinese were knocking at our door. And when those talked big about defending the country and fighting against the Chinese, when they fled away at that time, they took away some political opponents and sent them

thousands and thousands miles away as prisoners; even our respected leader Bishnu Prasad Rava and others were tied with ropes and kept indetention for more than a year. Was anything concrete against them; was anything definit against them? Absolutely nothing. Taking advantage of that situation, they actually wrecked vengence on the political opponents. They did the same thing in 1965 when there was war with Pakistan. At that time, in the name of fighting against the infiltrators or against dislayed people, those who were taking side with the people and in favour of popular movement, this sort of Muslim leaders were arrested and detained and as a result a very bad blood was created in the State. The same thing is now being taking place. Anybody and everybody is branded as Naxalite.

The common people, teachers, students, peasants and others—these are now being detained without any trial. They are not being given food. That is happening. (Mr. Speaker— Are you concluding ? ) Only half a minute. And I for one, Sir, am always for peaceful democratic movement. I am never for individual terrorism, far less for an anarchy. So, if you want to fight against individual terrorism or group terrorism or naxalism. I am one with you. But taking advantage of the present propaganda and loud talk of Naxalites and naxalism pray do not misuse your administrative machinery. If you do, you give the Naxalites a broad cover which they very much need. If you can single out the guilty ones and punish them nobody will sympathise with them. But in trying to find out one guilty, if you, along with that, prosecute the 99 innocent, then you will give them a broad cover and Naxalism will develop and grow faster. For heaven sake, don't streagthen the naxalite terrorism—Naxalism— by perpetrating the terrorism which you have

already started. You have to stop it. If you don't, you will be doing injustice not only to them but to yourself, to ourselves and to the country at large. With these few words, I fervently pray and trust that the Government even now will retrace its steps and stop this terror machine that they have let loose in the name of confronting the Naxalites.

Mr. Speaker — The House stands adjourned till 2 P.M.

Adjounment

The House then adjourned for lunch till 2 P.M.

Shrimati Lily Sengupta :—মাননীয় চেয়াৰমেন মহোদয় বাজেট বক্তৃতাত মাননীয় বিত্তমন্ত্রী ডাঙৰীয়াই আমাৰ অৰ্থনৈতিক অৱস্থাৰ যি সমীক্ষা দিছে তাৰ পৰা আমাৰ অৰ্থনীতিৰ অৱস্থাটো বুজিবলৈ সুবিধা পাইছো। প্রয়োজনীয় ভিত্তিত, বা যি বিলাক আচনিয়ে উৎপাদন বৃদ্ধি কৰিব আৰু উন্নতিত সহায় কৰিব সেই আচনি সমূহৰ প্রতিহে আৰ্থিক সহায় লক্ষ্য ৰখাৰ প্রতি গুৰুত্ব দিয়া উচিত হৈছে। সামগ্রীকভাবে উন্নয়ন কৰিবলৈ হলে যোজনাৰ আকাৰ বৃহত্তৰ হোৱা উচিত। কিন্তু যোজনাৰ আকাৰ বৃহত্তৰ কৰিবলৈ হলে যি সম্পদৰ প্রয়োজন সেই সম্পদলৈ চালে দেখা যায় যে, অসমত আমাৰ তেল, চাহ ইত্যাদি যি সম্পদ আছে সেই সম্পদৰ পৰা আমি খুব কম পৰিমানেহে Tax পাও। গতিকে ভাৱহয় যে, এই সম্পদ অসমৰ হয়নে নহয়? সেইকাৰণে আমাৰ উন্নয়নৰ কাৰণে কিছু কৰ-কাটলৰ কথা ভাবিব লগীয়া হয়। যদিও বা এই বাজেটত কৰ-কাটলৰ উল্লেখ নাথাকিব বুলি ভাবিছিলো তথাপিও প্রয়োজনৰ ভিত্তিত কিছু কৰ-কাটল উল্লেখ থকাত এই বিলাকক স্বাভাৱিক বুলি ধৰি লৈছো। যোজনা আয়োগৰ পৰা আৰু কেন্দ্রীয় চৰকাৰৰ বিভিন্ন দপ্তৰৰ পৰা আমাৰ উন্নয়ণৰ কাৰণে যথেষ্ট সাহায্যৰ প্রয়োজন। তাৰ কাৰণে আমাৰ বিত্তমন্ত্রী মহোদয়ে যথেষ্ট চেষ্টা কৰিছে আৰু সেই কাৰণেই মই তেখেতক ধন্যবাদ দিছো। আমাৰ এই ৰাজ্যখন সুদীৰ্ঘ পৰৰাষ্ট্ৰৰ সীমান্তৰ সীমান্তবৰ্তী দুৰ্গম ৰাজ্য। ইয়াৰ আইন-শৃংখলা আৰু নিৰাপত্তাৰ দিশত বিভিন্ন অন্তৰায়

ক্ৰমে বৃদ্ধি পাব লাগিছে। বৰ্ত্তমানে আমি এতিয়া সকলোৱে Naxal পন্থীৰ কথা কৈছো। ইয়াৰোপৰি অন্যান্য যি বিলাক উপদ্ৰৱ দেখিবলৈ পাইছো তাৰ কাৰণে আমাৰ যি পুলিচ ব্যৱস্থা, নিৰাপত্তাৰ ব্যৱস্থা নিশ্চয় বৃদ্ধি কৰিব লাগিব। কিন্তু বৰ্ত্তমান ক্ষেত্ৰতেই সদায় আলোচনা বা সমালোচনা কৰি মন্তব্য কৰা হয় যে আমাৰ বাজেটখন "পুলিচ বাজেট"। আমাৰ উন্নয়নৰ কাৰণে যিটো খৰচ হব লাগিছিল সেইটো এই বিলাক উপদ্ৰৱৰ কাৰণেই আজি পুলিচ বাজেটত বেচিকৈ ধৰিবলগীয়া হয়। কাৰণ ইও এটা প্ৰতিৰক্ষাৰে ব্যৱস্থা। আজি এই সীমান্তবৰ্ত্তী ৰাজ্যৰ যি সমস্যা ইয়াক জাতীয় সমস্যা হিচাবেই ধৰিব লাগে। সেই কাৰণে এই নিৰাপত্তাৰ কথাত যথেষ্ট পৰিমানে কেন্দ্ৰীয় সাহায্য থকা উচিত। ইয়াৰোপৰি ইয়াৰ সমস্যা অন্য ৰাজ্যৰ লগত সম্পূৰ্ণ বেলেগ বেলেগ হয়—আৰু ইয়াত বহু ভাষা-ভাষী বহু জাতি - উপজাতি লোকৰ, পৰম্পৰা সামাজিক ও অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত ৰাজনৈতিক ফালৰ পৰা প্ৰায় আমাৰ পৰস্পৰৰ বিৰুদ্ধে কিছুমান ভুল বুজাবুজিৰ সৃষ্টি কৰা হয়। সেই কাৰণে প্ৰশাসনৰ ফালৰ পৰাও এনে জটীল আৰ্থিক, সামাজিক ভাৰসাম্য ৰক্ষা কৰা টান হৈ পৰে. বিদ্বেষৰ সৃষ্টি হয়। কেন্দ্ৰত যি National Intrigationৰ এটা কমিটি আছে। এই কমিটিৰ কাৰ্য্যকলাপ সম্পৰ্কে আমি বিশেষভাৱে এতিয়ালৈকে জানিবলৈ পোৱা নাই। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই অলপ আগতে এনে মন্তব্য কৰিছিল যে. এই কথা বিলাক পুস্তিকা আকাৰে দিলে মাননীয় সদস্যসকলে জানো পঢ়িব! আমাৰ মন্ত্ৰীসকলৰ প্ৰশাসনৰ যিটো অসুবিধা সেইটো দূৰীকৰণৰ কাৰণে মোৰ বোধেৰে অসমৰ সকলো সদস্যই কংগ্ৰেছ বা বিৰোধী দুয়ো দলৰ সদস্যই পাৰ্য্যমানে চেষ্টা কৰিব। ইয়াৰ কাৰণে যদি National Intrigation কমিটি আহি অসমৰ সম্পূৰ্ণ সমস্যা — পৰ্য্যবেক্ষন কৰে তেতিয়াহলে তেখেতসকলে নিশ্চয় কবলাগিব যে যি টকা আমাৰ ৰাজ্যত দিয়া হৈছে সি সম্পূৰ্ণ ন্যায়সঙ্গত ভাৱে দিয়া হোৱা নাই। আমাৰ যি ৰাজনৈতিক বা অৰ্থনৈতিক পৰিস্থিতি সেইটো যাতে ভালধৰণে আলোচনা কৰিব পাৰে আৰু তাৰ দূৰীকৰণাৰ্থেও চৰকাৰে তেখেত-সকলক আমাৰ পৰিস্থিতি ভালকৈ দেখুৱাই দিলে তেখেতসকলে উপলব্ধি কৰিব পাৰিব। আমি বিশ্বাস কৰো যে - অৰ্থনৈতিক সমতাইহে ঐক্য

আনিব পাৰিব। সমৃদ্ধি হব। আমাৰ অৰ্থনৈতিক অৱস্থাটো যি সংকটৰ মাজেৰে পাৰ হবি আনিলে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। আমাৰ চৰকাৰে এই অৱস্থাত ইয়াৰোপৰি চৰকাৰী চাকৰিয়ালক যি ২০ টকা মৰগীয়া বানচ বঢ়াই দিলে এইটো আমি সঁচাকৈয়ে ভাল পাইছো। আনহাতে আমাৰ কৃষক সকলৰ অৰ্থনৈতিক অৱস্থা যথেষ্ট পৰিমানৰ উন্নত হৈছে। ইয়াৰোপৰি—এই চৰকাৰী কৰ্ম্মচাৰীসকলৰ দৰমহা বঢ়োৱাৰ লগে লগে আমাৰ মজদুৰ সকলৰ মজুৰী বৃদ্ধি কৰাত চৰকাৰে যি সাহায্য কৰিলে, আমি তাক অস্বীকাৰ কৰিব নোৱাৰো কাৰণেও চাবলাগে। আজি মজদুৰসকলৰ যে আগতকৈ কিছু উন্নতি হৈছে মই এই কথাটো অস্বীকাৰ নকৰো। কিন্তু এটা কথাত আমি মনোযোগ দিবলাগে সেইটো হৈছে আমাৰ যেতিয়া দৰমহা বৃদ্ধি হয় তেতিয়াই বজাৰত মূল্য বৃদ্ধি পায়। এই কথাটো সকলোৱে জানে। কিন্তু তাৰো এটা সমতা থকা উচিত। আমাৰ মিউনিচিপেলিটি অঞ্চলত যিবিলাক ভিতৰুৱা বজাৰ বা দোকান আছে সেই বিলাকত কেনেকৈ দাম উঠে আৰু বহে সেইটো কথা চৰকাৰে নামানে বুলিয়েই মই কব খুজিছো।

পঞ্চায়ত বজাৰ সম্পৰ্কে মাননীয় সদস্য "হুদা" ডাঙৰীয়াই যি প্ৰশ্ন কৰিছিল তাৰ কাৰণে মই তেখেতক ধন্যবাদ দিছো। এই পঞ্চায়তৰ হাট বজাৰ বিলাকৰ অৱস্থা কি? এই পঞ্চায়তৰ হাট বজাৰ বিলাকৰ যেতিয়া ডাক হয় তেতিয়াও এই ডাক কোনোবা ন্যস্ত স্বাৰ্থৰ কাৰণেহে কৰা হয়। তেওঁলোকে কম টকাতে এই পঞ্চায়তৰ বজাৰ বিলাক ডাকত দিয়ে। আজি এনে ধৰণৰনেৰেই এই পঞ্চায়তৰ হাট বজাৰ বিলাক চলিছে।

আজি বিভিন্ন কৰ্ম্মচাৰী মজদুৰ আদিৰ দৰ্ম্মহাবৃদ্ধি পাইছে যদিও বজাৰত মূল্য অত্যন্ত বাঢ়ি গৈছে; দৰ্ম্মহা আদি বাঢ়িলেও বজাৰ দৰ বঢ়াটো স্বাভাৱিক, কিন্তু তাৰো এটা সীমা থকা উচিত। পৌৰসভাৰ অন্তৰ্গত যি বিলাক বজাৰ আছে সেই বিলাকতো মূল্য বৃদ্ধি হৈছে আৰু চৰকাৰৰো সেই ফাললৈ চকু নাই। পঞ্চায়তৰ যি বিলাক হাট বজাৰ আছে সেই-বিলাকৰ আজি কি অৱস্থা! পঞ্চায়তৰ হাট বজাৰ বিলাক ডাক হয় কিন্তু তাৰ Proper assessment কৰা নহয়; সেই বিলাক ন্যস্ত স্বাৰ্থ ৰক্ষাৰ

কাৰণে কম টকাতে ডাক হয় আৰু মহাজনেও সেই সুবিধা লৈ বেয়া বস্তু বজাৰত বিক্ৰী কৰিবলৈ সুবিধা পায় আৰু পঞ্চায়ত বিলাকবো তাত বাধা দিয়াত সুবিধা নাথাকে। Co-operative য়ে লবৰ কাৰণে কোনো সুবিধা নাপায়। টকাতো ইমান বঢ়াই দিয়ে যে সেই টকা কেনেকৈ Realise কৰে; সাধাৰণ শ্ৰেণীৰ মানুহৰ গ্ৰহণীয় আনকি সৰু লৰাছোৱালীৰ খাদ্য বিস্কুট, কাগজ, Pencil আৰু সাধাৰণ লোকে ব্যৱহাৰ কৰা কপাহী কাপোৰ আদিৰ দাম নিত্য প্ৰয়োজনীয় বস্তুৰ দামতকৈ অত্যন্ত বেচি। অসমতকৈ Delhi আৰু কলিকতাৰ Marketত বহুত কম দামত অসমলৈ এই বিলাক বস্তু আনোতে Fraught charge বহুত দিব লাগে কিন্তু বজাৰ আৰু দোকানৰ ভাড়া সেই পৰিমানে খুব কম গতিকে তাৰ বজাৰ দৰৰ লগত আমাৰ বজাৰৰ ইমান সামঞ্জস্য হোৱাৰ কোনো যুক্তি নাই। চৰকাৰে ইফালে সাধাৰণ ৰাইজৰ হাতৰ পৰা ১০ পইচা tax বৃদ্ধি কৰিবলৈ উপায় নাই, কিন্তু কোটি টকা আদায় কৰিছে। গতিকে মই অনুৰোধ কৰিছো এই বেপাৰীসকলে ইয়াৰ assesment টো ভালকৈ হব লাগে। আজি অসমত বস্তুৰ দাম বাঢ়ি যোৱাতো কোনেও আপত্তি নকৰে গতিকে অসমত হে কেৱল এইদৰে যেতিয়াই তেতিয়াই বস্তুৰ দাম বাঢ়ি যোৱাটো সম্ভৱ হৈছে অইন ৰাজ্যত হলে এইদৰে বঢ়াব নোৱাৰে। এই ক্ষেত্ৰত চৰকাৰে সৰ্ব্বসাধাৰণ ৰাইজক এই অন্যায় হেঁচাৰ পৰা ৰক্ষা কৰা উচিত, নহলে এই উৎকট আৰ্থিক অনাটনতো চৰকাৰী কৰ্মচাৰী শ্ৰমিক আদিৰ মৰগীয়া বানচ ভাতা বঢ়াই যি সমাজ কল্যাণ কৰিলে, সেই কল্যাণৰ উদ্দেশ্য সাধন নহব।

পঞ্চায়ত মন্ত্ৰীয়ে অৰ্থনীতিৰ উত্তৰত কৈছিল যে সদনৰ সদস্য সকলৰ এটা দায়িত্ব আছে যি বিলাক পঞ্চায়তৰ তলত বজাৰ আছে সেই বজাৰৰ বস্তুবিলাক এটা অনুমোদন কমিটিয়ে চাব লাগে আৰু যি বিলাক হাট বজাৰ ডাক হয় সেইবোৰ অনুমোদন কমিটিত উত্থাপন কৰা হয় তেতিয়া বজাৰখন কিমান টকাৰ সেইটো উল্লেখ কৰিব লাগে যদিও সেইটো উল্লেখ কৰা নহয়। সেই কাৰণে মাননীয় সদস্য সকলে বহুত সময়ত জানিবৰ উপায় নাথাকে। সেইকাৰণে মহকুমা পৰিষদৰ যি দায়িত্ব আছে সেই দায়িত্ব পালন কৰিব লাগে আৰু ৰাইজৰ ওপৰত চলা শোষণ বন্ধ হব লাগে।

ইয়াৰ পিছত জনস্বাস্থ্যৰ বিষয়ে এটা কথা মই কব খুজিছো ; আমি দেখিছো জনস্বাস্থ্য বিভাগৰ পৰা অসমত ৩টা Medical College হৈছে ; কিন্তু আগতে Dibrugarh Medical College ত যিখিনি সুবিধা আছিল এতিয়া সেই সুবিধা নাই, Dibrugarh Medical College ৰ পৰা বেচি ভাগ যন্ত্র পাতি Operation theatre আদিৰ equipments বিলাক আৰু ভাল ভাল Professor বিলাক গুৱাহাটীলৈ আহিছে গতিকে ইয়াত বহুত অসুবিধা হৈছে। Dibrugarh অঞ্চলত Civil Hospital নাই তিনিচুকীয়াত যি এটা আছে তাৰো অৱস্থা ভাল নহয়। যিবিলাক Dispensary আছে তাতো কোনো সুবিধা নাই গতিকে সেইবিলাক ভালকৈ চাব লাগে। যদিও Dibrugarh Medical College টো শিক্ষাৰ প্ৰতিস্থান তথাপি মানুহৰ চিকিৎসাৰ লগত ঘোৰ সম্বন্ধ আছে। অসমৰ পৰাটো আহেই আনকি নেফাৰ পৰাও Dibrugarh Medical College লৈ চিকিৎসা লবলৈ আহে। সেইকাৰণে এইদৰে Dibrugarh Medical College ৰ পৰা যন্ত্রপাতি Gauhati লৈ অহাৰ কাৰণে মোৰ ঘোৰ আপত্তি আছে। যিবিলাক T. B. ward ত আছে তাত যিমান সংখ্যক Bed ৰ প্ৰয়োজন সিমান সংখ্যক Bed নাই আৰু পথ্যয়ো সেই মতে নিদিয়ে ডিব্ৰুগড়ত দিচপেনচাৰী, চিভিল হাস্পাতালৰ সংখ্যা জনসংখ্যাৰ অনুপাতে তেনেই কম, সেইকালেও চৰকাৰে ডিব্ৰুগড়ক ন্যায় সাৰিব পৰা নাই। কিন্তু আমি Dibrugarh ৰ পৰাই অকল যিমান Tax দিছো গোটেই জিলাবিলাকৰ প্ৰায় ⅓ অংশ মান হব।

বাননিয়ন্ত্ৰণ সম্পৰ্কত দুষাৰমান কব বিচাৰো, এই সংক্ৰান্তত Estimate Committee ৰ লগত অসমৰ প্ৰায় ভাগ অঞ্চল ঘূৰিবলৈ মই সুবিধা পাইছিলো। নগৰ প্ৰতিৰক্ষা আঁচনিৰ কাৰণে যি টকা খৰচ কৰা হৈছে তাৰ পৰা ৰাইজৰ কিছু উপকাৰ হৈছে। Dibrugarh নগৰ প্ৰতিৰক্ষাৰ কাৰণেও টকা ৰখা হৈছে কিন্তু নগৰ প্ৰতিৰক্ষাৰ কাৰণে আন নগৰৰ ক্ষেত্ৰত Betterment tax লগোৱা হোৱা নাই কেৱল Dibrugarh নগৰৰ ক্ষেত্ৰতহে লগাইছে। ককিলামুখত ৩ কোটি টকা খৰছ কৰিছে কিন্তু তাত Betterment tax ধৰা হোৱা নাই। সেইদৰে বিশ্বনাথতো এই tax ধৰা হোৱা নাই। কিন্তু ডিব্ৰুগড়ৰ ৰাইজে কিয় Betterment tax দিব লাগে।

আমিয়ো on Principle এইটো নিদিও কাৰণ অইন District য়ে দিয়া নাই ; এই tax টো উঠাই লবলৈ অনুৰোধ জনালো।

আমাৰ ডিব্ৰুগড়টো Electrification উন্নত কৰাৰ কাৰণে ডিব্ৰুগড়ৰ বাবে ৮০ লাখ টকা Boardয়ে দিছিল আৰু D. C. ৰ পৰা A. C. লৈ convert কৰিবৰ কাৰণেও সেই টকা দিছিল কিন্তু সেইটো কৰা হোৱা নাই। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে আপত্তি কৰে যে গধূলিতে তেওঁলোকে Voltage কম হোৱাৰ কাৰণে পঢ়াশুনা কৰিব নোৱাৰে। টকা পইচা দিয়াৰ পাছতো ইমান দিনে উন্নতি হোৱা আমি দেখা নাপালো।

Dibrugarh ত গধূলি সদায় বিৰাট ম'হৰ উৎপাতত গধূলি ৬ বজাৰ পৰা ৮ বজালৈ কোনো লৰা-ছোৱালীয়ে পঢ়িব নোৱাৰা হয়। এই সংক্ৰান্তত দেখা যায় জনস্বাস্থ্য বিভাগৰ Anti Malaria বিভাগৰ পৰা কোনো কাম হোৱা নাই। এই বিষয়ে চকু দিবলৈ মই চৰকাৰক অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri M.A. Musawwir Choudhury:—মাননীয় চেয়াৰমেন মহোদয়, আজি ১৯৭০/৭১ চনৰ বাজেট আলোচনাৰ বিতৰ্কত মোক অংশ গ্ৰহণ কৰিবলৈ দিয়াত প্ৰথমেই মই ধন্যবাদ জনাইছো। ২য় কথা হৈছে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে যি খন বাজেট আজি এই সদনত দাঙি ধৰিছে এই বাজেট খন পুঙ্খানুপুঙ্খৰূপে পঢ়িলো। এই খন পঢ়ি মোৰ এইটো ধাৰণা হৈছে যে আমাৰ দেশৰ শতকৰা ৮০ ভাগ নিবনুৱা ডেকা, মাটিহীন কৃষকৰ স্বাৰ্থৰ কাৰণে এই বাজেট খন তৈয়াৰ কৰা হোৱা নাই। এই বাজেটখন কেৱল····

চেয়াৰমেন মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭০-৭১ চনৰ কাৰণে যিখন বাজেট কৰিছে তাত অংশ গ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ দিছো। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট এই সদনত ডাঙি ধৰিছে, সেই বাজেটখন মই পুঙ্খানুপুঙ্খৰূপে পঢ়ি মোৰ ধাৰণা হৈছে যে বাজেটখনে আমাৰ দেশৰ শতকৰা ৮০ ভাগ নিবনুৱা ডেকা, মাটিহীন কৃষকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে হোৱা নাই। এই বাজেটখন কেৱল একচেতীয়া ব্যৱসায়ী, পুজিপতি আৰু জমিদাৰ সবলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণেহে কৰা

হৈছে। কিয়নো আমাৰ দেশৰ চাৰিওফালে আৱাজ দিছে যে আমাৰ ভাৰতবৰ্ষ তথা সকলো ৰাজ্যতে সমাজতান্ত্ৰিক সমাজ হব লাগে। কিন্তু এই বাজেট খনেও সমাজবাদৰ ওপৰত কুঠাৰাঘাট কৰিছে। সমাজ বাদৰ নীতি হল, ধনী - দুখীয়া, উচ্চ-নীচ প্ৰভেদ নাথাকিব, মাটিহীন কৃষক, সৰু সৰু ব্যৱসায়ী আদি সকলোৱে সমান অধিকাৰ পাব। এই বাজেট খনে সকলো কথাৰ ওপৰতে চেচা পানী ঢালিছে।

অসমৰ সীমান্ত ৰক্ষাৰ বাবে ৮টা Battalion আছে। এই ৮টা Battalion ত ৫/৬ হাজাৰ চাকৰীয়াল আছে। কিন্তু এই ৫/৬ হাজাৰ চাকৰীয়ালৰ মাজত দেখা গৈছে তাৰ শতকৰা ৫০ ভাগেই বাহিৰৰ পৰা আমদানী কৰা। Chairman মহোদয়, আমাৰ চৰকাৰে, আমাৰ দেশত সুবিধা থকা স্বত্বেও আমাৰ শিক্ষিত যুৱক সকলক একো সুবিধা কৰি দিব পৰা নাই। আমাৰ যি বিলাক A.C.S. class I, class II officer আছে সেই সকলক I.S. লৈ প্ৰমোচন দিব লাগে।

Shri Kamakhya Prasad Tripathi — মাননীয় সদস্যৰ কামত খেলিমেলি আছে।

Shri M.A. Musawwir Choudhury - এই A.C.S. বিলাকক প্ৰমোচন দি I.S.ৰ Rankত মকৰল কৰিব লাগে। তাকে নকৰি আমাৰ চৰকাৰে শই শই বগাহাটী পুহি ৰখাৰ কোনো অৰ্থ নাই। এই দৰে বগাহাটী বিলাক আমদানী কৰি থকাৰ কাৰণে আমাৰ অৰ্হতা সম্পন্ন লোকক চাকৰীৰ পৰা বঞ্চিত কৰা হৈছে। আজি সেই বঞ্চিত হোৱা লোকসকল জীৱনৰ প্ৰতি নিৰাশ হৈ পৰিছে। এই কৰ্ম্মসংস্থান দিব নোৱাৰাৰ ফলত নক্সালপন্থিৰ দলত ভুক্ত হবলৈ ধৰিছে। দিনে দিনে এই দৰে শিক্ষিত যুৱক সকল বিক্ষুদ্ধ হৈ নক্সালপন্থীৰ লগত যোগ দিবলৈ বাধ্য হৈছে।

আমাৰ মাটিহীন কৃষক সকলক মাটি দিব পৰা নাই। মাটিৰ অভাবত তেওঁলোকে খেতি কৰিব পৰা নাই। কৰবাত খেতি কৰিবলৈ চৰকাৰী মাটি আবাদ কৰিলেওঁ তাৰ পৰা মাটি কাটি উচ্ছেদ কৰা হৈছে। কিন্তু, তথাপিতো আমাৰ কৃষিমন্ত্ৰী দেৱে গৌৰবেৰে ঘোষণা কৰিছে যে আমাৰ

খাদ্য শস্য বাহি হৈছে। আমাৰ মাটিহীন কৃষক নিবনুৱা সকলে চৰকাৰী পতিত মাটি, Reserveৰ মাটি আৰু সংৰক্ষিত বনাঞ্চল আবাদ কৰিছে, তাৰ পৰা সুপৰিকল্পিত ভাবে উচ্ছেদ কৰা হৈছে। তেওঁলোকৰ খাবলৈ এমুঠি ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই।— তেওঁলোকে যদি তেনে অৱস্থাত নক্সালপন্থীৰ লগত যোগ দি উগ্ৰ আন্দোলন কৰে তেন্তে তাৰ বাবে চৰকাৰেই জগৰীয়া নহবনে?

Shri Kamakhya Prasad Tripathi — माननीय সদস্যৰ মতে Reserve বিলাক খুলি দিব লাগে নেকি?

Shri M.A. Musawwir Choudhury — যি বিলাক Reserve ত কোনো দিনেই ভাল গছ-গছনি হোৱাৰ আশা নাই, খেতিৰ উপযোগী, সেই Reserve বিলাক খুলি দিব লাগে।

দ্বিতীয়তে, আমাৰ চৰকাৰে-চৰকাৰী খণ্ড, বে-চৰকাৰী খণ্ডত কিমান কোটি টকা আজিলৈকে খৰছ কৰিছে তাত Service Protenciality কৰা হলে, আমাৰ বহুত Engineer, Doctor, Machanical Engineer নিয়োগ কৰিব পাৰিলেহেতেন। এই বিলাকৰ একো দিহা কৰা নাই। আমাৰ চৰকাৰে ৫ম বিত্ত আয়োগ গঠন কৰিছে; এই বিলাকৰ Plane Estimate কৰিছে। কিন্তু আমাৰ অসমত গধুৰ শিল্প প্ৰতিস্থানৰ কাৰণে চৰকাৰে কি ভাবিছে। চিত্তৰঞ্জনৰ 'লোকমটিভ' বাঙ্গালোৰৰ এৰোপ্লেন কাৰখানা আদি পাতিছে। কিন্তু আমাৰ বিত্তমন্ত্ৰী মহোদয়ৰ এই বিলাক প্ৰস্তাৱ কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ আগত ডাঙি ধৰিবলৈ সাহস নাই। এই বিত্তমন্ত্ৰীৰ সাহসৰ অভাবৰ কাৰণেই আমাৰ ৰাজ্যখন গধুৰ শিল্পৰ পৰা বঞ্চিত হৈছে।

Shri Kamakhya Prasad Tripathi— বিত্ত আয়োগে পৰিকল্পনাৰ কাম নকৰে মাত্ৰ Revenue gap পুৰাই দিয়ে।

Shri M.A. Musawwir Choudhury—আমাৰ লতা কতা, মোৰাজাৰ Reserveত ১০০ ঘৰ মান মানুহ আছে। তেওঁলোকে ৩/৪ বছৰ ধৰি তাত খেতি কৰি আহিছে। কিন্তু আজি এটা Telephone পালো

যে তাৰ পৰা মানুহ বিলাকক উচ্ছেদ কৰিছে, হাতীৰে ঘৰ ভঙাই দিছে মতা মানুহ বিলাকক Arest কৰি লৈ গৈছে আৰু তিৰোতা মানুহ বিলাকৰ ওপৰত অত্যাচাৰ চলাইছে। গতিকে Chairman মহোদয়, আপোনাৰ জৰিয়তে বৰ্ত্তমান charge ত থকা বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো। তেখেতে যেন অতি সোনকালে এই মানুহ বিলাকক Stay কৰায়। Overs hundred of houses demolished. Women or tured while eviction launched yesterday at Mandanga Latakat Reserve by engaging three elephants, Forces or Gundas, etc. were (let loose while) evicting. Application to the Government through the Deputy Commissioner having been submitted. Action may be taken.

গতিকে বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুবোধ কৰিছো, তেখেতে যেন এই বিলাক কথা চাই, আৰু অত্যাচাৰ বন্ধ কৰে।

পৰহি মই খবৰৰ কাকতত দেখিবলৈ পালো যে এই বাৰ অধিক মৰাপাট উৎপন্ন হৈছে। নগাৱৰ টিং, ভুৰাগাওঁ, ৰূপহী, জুৰিয়া, মৰাজাৰ এই কেইখন ঠাইতে ১৭ লাখ মোন মৰাপাট উৎপন্ন হয়। এই মৰাপাট উৎপাদনত খৰচ কৰিবলগীয়া একো প্ৰয়োজন নাই। আমাৰ মানুহে মৰাপাটৰ খেতি কেনেকৈ কৰিব লাগে জানে। এই মৰাপাটৰ খেতি পানীৰ অভাৱত যাতে নষ্ট নহয় তাৰ কাৰণে Irrigation ৰ ব্যৱস্থা কৰিব লাগে আৰু ব্ৰহ্মপুত্ৰত মঠাউৰি দিব লাগে। আৰু মানুহে যাতে উচিত দাম পায় তালৈ চৰকাৰে লক্ষ্য ৰাখিব লাগে। এই গৰীব খেতিয়ক সকল ব্যৱসায়ীৰ Mally ৰ ওপৰত এৰি দিব নালাগে।

আজি শাওন ভাদ মাহত আমাৰ নগাৱত মৰাপাটৰ দাম থাকে ২৯/৩০ টকা আনহাতে মাৰোৱাৰীৰ দালাল বিলাকৰ হাতত এই মৰাপাটৰ দাম হয় ৭০/৮০ টকা। আজি যেনেকৈ ধানৰ ক্ষেত্ৰত Apex-Marketing ৰ কথা আছে ঠিক তেনেকৈয়ে, মৰাপাটৰ ক্ষেত্ৰতো যদি তেনেকুৱা ব্যৱস্থা কৰে আমাৰ ৰাইজ তথা চৰকাৰ, উভয়ৰে লাভ হব। কাৰণ এই মৰাপাটে বিদেশীমুদ্ৰা Doller আদি উপাৰ্জন কৰে। যদি এইটোৰ কিবা এটা ভাল ব্যৱস্থা কৰে তেনেহলে আমাৰ Plan ৰ টকাও বহুত আহিব।

ইয়াৰ পাচত মই আমাৰ শিক্ষা বিভাগৰ কথা কব খুজিছো। মোৰ সমষ্টিত এক লাখ মানুহৰ ভিতৰত প্ৰতি তিনি হাজাৰ মানুহৰ ভিতৰত এখন L.P. School আছে। প্ৰতি ১০/১২ হাজাৰৰ পৰা ৩০ হাজাৰ মানুহৰ ভিতৰত এখন হাইস্কুল আছে। তাৰ ভিতৰত ২/১ খন স্কুলে অনুমোদনো পোৱা নাই। তাৰ প্ৰায়বোৰ মানুহেই বহিৰাগত মুছলমান যদিও তেওঁলোকে নিজৰ কলা-কৃষ্টি সকলো এৰি দি আজি অসমীয়া বুলিয়েই সকলো ক্ষেত্ৰতে আগবাঢ়িছে। যদি আজি এই অনুমোদনৰ ক্ষেত্ৰত এনে বৈষম্যমূলক নীতি লোৱা হয় তেতিয়াহলে বৰ দুখৰ কথা হৈ পৰিব। আজি শতকৰা ৯৫ ভাগ মানুহেই ৫০/৬০ বছৰ আগতেই ইয়াত বসতি স্থাপন কৰিছিল আৰু হাড়ে—হিমজুৱে অসমীয়া হবলৈ চেষ্টা কৰিছে। কিন্তু তেওঁলোকে কোনো সুবিধা পোৱা নাই।

দ্বিতীয়তে চাব, আমাৰ Elementary Education Board গঠন কৰা বুলি এখন বিল পাচ কৰি দিলে। আজি এবছৰ হৈ যাও-যাও। কিন্তু আজিলৈকে সেই Elementary Education Board গঠন কৰা নাই। ইয়াৰোপৰি আজি উপযুক্ত লোক থকা স্বত্বেও শিক্ষক তাত নিযুক্ত কৰা নাই।

Shri Kamakhya Prasad Tripathi:—এতিয়া বোধকৰো আৱশ্যক বোধ কৰা নাই।

Shri M. A. Musawwir Choudhury : এইটো কোনোবা Minister ৰ স্বাৰ্থৰ খাতিৰত বা ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত হৈ আছে। আমাৰ মাননীয় সদস্য শ্ৰীদুৰ্গেশ্বৰ শইকীয়াই এটা কথা কৈছে Abdul Majid নামৰ এজন Higher Breeder থাকোতেওঁ বেলেগক দিছে।

ইয়াৰোপৰি আমাৰ অফিচাৰ সকলৰ মাজত যি Supercit ৰ ব্যৱস্থা তাক দেখি আচৰিত হব লাগে। ১৯৬৫ চনত Mokmul Hussain, Anowar Hussain আদিয়ে তিনিবাৰ Application দিছিল। কিন্তু তাৰ একো সমিধান নাপালে।

( সময়ৰ সংকেত )

Mr. Chairman :—আৰু বহুত আছে অলপ কম কৰক।

Shri M. A. Musawwir Choudhury—আজি Naxalite ৰ কাৰণে P.D. Act কৰিছে। কিন্তু এই P.D. Act কেতিয়াও আমাৰ দেশত হব নালাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Surendra Nath Das :—মাননীয় চেয়াৰমেন মহোদয়, আজি সদনত ১৯৭০-৭১ চনৰ বিত্তীয় পৰিস্থিতিৰ বিষয়ে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই যি ধৰণে পৰ্য্যালোচনা কৰি স্পৃষ্ট ভাৱে বুজাই দিব পাৰিছে তাৰ কাৰণে তেখেতক মই ধন্যবাদ দিছো। আমাব বাজেটখন যদিও ঘাটি পৰা বাজেট তথাপিও চৰকাৰৰ কল্যাণকামী বিভাগবোৰে যি ধৰণে কাম কৰিবলৈ কাৰ্য্যপন্থা লোৱাৰ ইংগিত দিছে ঠিক তেনেকৈয়ে আজি আমাৰ কেন্দ্ৰীয় চৰকাৰে কৃষিক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে। এইটো আজি ঠিক কথা যে, আজি আমাৰ প্ৰায় ৫৫ কোটি জনসাধাৰনৰ মাজত ৪০ কোটি মানুহেই খেতিয়ক। কিন্তু আজি খেতিয়কক কৃষিক্ষেত্ৰত যথেষ্ট সুবিধা দিব লাগে।

( No—quorum )

মাননীয় চেয়াৰমেন মহোদয়, সঁচাকৈয়ে আমাৰ কৃষিক্ষেত্ৰত চৰকাৰে বিশেষভাৱে জোৰ দিব লাগে। কিন্তু কৃষিক্ষেত্ৰত যিভাৱে জোৰ দিব লাগে আশানুৰূপ ভাৱে হোৱা নাই। আমাৰ আজি উৎপাদনৰ কাৰণে যি মূল আছে সেইখিনিৰ বাবে যত্নবান হব লাগে। আজি এনেকুৱা ঠাই বহুত আছে যত আজি কোনো ভাল ব্যৱস্থা হোৱা নাই। আজি জলসিঞ্চনৰ কথা কৈছে কিন্তু জলসিঞ্চনৰ যিখিনি উপযোগীতা সেইখিনি ভাল ভাৱে লব পৰা নাই। আজি জলসিঞ্চনৰ যি সুবিধা গাৱৰ মানুহক দিব লাগে সেই সুবিধা দিব পৰা নাই। আজি Deep tubel ৰ ব্যৱস্থা কৰিছে কিন্তু চৰকাৰ তাতো ফলবতী হব পৰা নাই।

যেনেকৈ মোৰ সমষ্টিটো অত্যন্ত অবহেলিত অঞ্চল বিশেষকৈ সুৱনখাতা, দিহীৰা আৰু ভূটানঘাটা আদি অঞ্চলৰ মানুহবিলাকে ঘৰৰ পৰা প্ৰায় ৩/৪ মাইল মান দূৰৰ পৰা মূৰত পানী তুলি জুৰি বা নাদৰ পৰা কঢ়িয়াই নিজৰ দৈনন্দীন কামত ব্যৱহাৰ কৰে। কিন্তু এই বিলাক অৱস্থাৰ কথা আমাৰ D.C বা S.D.O. আদিৰ কানত নপৰে অথবা চকুত নপৰে। গতিকে

গাৰলীয়া অৱহেলিত অঞ্চলবিলাকত পানী যোগানৰ ভাল ব্যৱস্থা কৰিব লাগে; আজিও এনে অঞ্চল আছে যিবিলাক অঞ্চলৰ মানুহে পানী বিচাৰি মৰীচিকাৰ দৰে হাবাথুৰি খাই ঘূৰি ফুৰে; এই বিলাক প্ৰকৃততে বৰ দুখ লগা কথা।

আজি যিবিলাক Estimate Committee কৰিছে সেই কমিটি বিলাকে এই ভিতৰুৱা অৱহেলিত অঞ্চলবিলাক ভাল দৰে পৰ্য্যবেক্ষন কৰিব লাগে কিন্তু দেখা যায় কমিটি বিলাকে কেৱল National Highway লৈকেহে যায় য'ত কেৱল গাড়ীৰে যাব পাৰি গতিকেই সেই ভিতৰুৱা অৱহেলিত অঞ্চলবোৰ কমিটিৰ চকুত নপৰে; ঠিক তেনেধৰনৰ অৱহেলিত অঞ্চলবোৰ হল ভোগপাৰা, নিকাসী, সুবনখাটা আদি।

সেইকাৰণে চৰকাৰক নিবেদন কৰো যেন এই অবহেলিত অঞ্চলবোৰৰ প্ৰতি চৰকাৰে বিশেষ নজৰ দিয়ে।

কৃষিৰ উন্নতিৰ কাৰণে সেই অঞ্চলৰ মানুহ বোৰক প্ৰায় ১ লাখ একৰ মাটি খুলি দিছে। এতিয়া অৱশ্যে বিঘাই প্ৰতি ৫০ টকা ধাৰ্য্য কৰিছে কিন্তু সেই অঞ্চল বোৰত Rural Scheme ৰ কোনো ভাল ব্যৱস্থা হোৱা নাই কিন্তু সেই অঞ্চলত যদি পানী যোগান ভাল দৰে কৰিলেহেঁতেন তেতিয়া হলে তাত একোখন আদৰ্শ গাওঁ গঢ়ি উঠিল হেঁতেন। মই ভাৱো মাটি বিতৰণ ক্ষেত্ৰত বিশেষকৈ, চৰকাৰে ভাল ব্যৱস্থা লব লাগে; তেতিয়া জনসাধাৰনে বিঘাই প্ৰতি ৪০ টকাকৈ দিবলৈও কুণ্ঠিত বোধ নকৰিব।

আজি আৰ্থিক ক্ষেত্ৰত কৃষক ৰাইজৰ বৰ দুখলগা অৱস্থা হৈছে কাৰণ যিখিনি উৎপাদন কৰে সেই খিনি উপযুক্ত সময়ত বিক্ৰী কৰিব নোৱাৰে ফলত তেওঁলোকে উচিত দামো নাপায় আৰু উপযুক্ত দৰৰ পৰা বঞ্চিত হব লগা হয়। এই ধন আমাৰ Apex, Marketing ৰ জৰিয়তে বা F.C.I. ৰ জৰিয়তে Procurement কৰা হয়, কিন্তু সময়মতে এই সংগ্ৰহৰ কাম নকৰাৰ বাবে খেতিয়কে উচিত দামৰ পৰা বঞ্চিত হবলগিয়া হয়।

আজি তেওঁলোকে January মাহৰ পৰাই আৰম্ভ কৰিব লাগিছিল ধান সংগ্ৰহৰ কাম কৰা কিন্তু এমাহ তেওঁলোক পিচুৱাই গ'ল অৰ্থ্যাৎ Feb.

মাহতহে Apex Marketing Society বা F.C.I. য়ে ধান সংগ্ৰহ আৰম্ভ কৰিছে ফলত খুচুৰা বেপাৰী সকলে খেতিয়কৰ পৰা আগতেই ১৩/১৪ টকাকৈ কিনি ৰাখে আৰু ধানৰ মোনে ৩০/৪০ টকাকৈ বিক্ৰী কৰি বহুত লাভ কৰি আছে। গতিকে এই ধান সংগ্ৰহ কামটো সোনকালে আৰম্ভ কৰিব লাগে।

আজি নিবনুৱা সমস্যা জলন্ত অগ্নি শিখাৰ নিচিনা সমস্যা হৈ উঠিছে আৰু সেই কাৰণেই শিক্ষিত ডেকাইও খেতি কৰিবলৈ আৰম্ভ কৰিছে। আজি ১ বিঘা মাটিত ৩০ মোন ধান উৎপন্ন হৈছে। গতিকে দেখা যায় উৎপন্ন যথেষ্ট বাঢ়িছে। মই নিজে এখন আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাবে মোৰ অভিজ্ঞতাৰ পৰা দেখিছো যে প্ৰতি বিঘাত ৩৫ মোনকৈ ধান পাইছে; মই ডাঠি কব পাৰো ৩০ মোনটো অনায়াসে হবই। এই অঞ্চল বোৰ এতিয়া Surplus. area হিচাবে পৰিগনিত হৈছে গতিকে চৰকাৰে যদি এই খেতিৰ ওপৰত বিশেষ জোৰ দিয়ে তেতিয়াহলে নিবনুৱা সমস্যা বহু পৰিমানে সমাধান হব।

এতিয়া আহো এড়ি মুগা, পাটপলু লৈ এই বিলাকৰ প্ৰচলন আমাৰ অসমত এতিয়াও পুৰ্ণোদ্যমে চলি আছে আৰু এই Endi বিলাকে অসমৰ বাহিৰত যথেষ্ট সমাদৰ লাভ কৰিছে; ইয়াৰ বাবে আমি সচাঁকৈয়ে সৌভাগ্যবান আৰু লগতে ই আমাৰ সংস্কৃতি মৰ্য্যদা বজাই ৰাখিছে। এই পাট পলু আদি কামবোৰ যদিও বৰ লেতেৰা বা কষ্টকৰ তথাপিও অসমৰ বহুত ৰাৱী ছুৱালীয়ে এই বিলাক কাম কৰিয়েই তৰী আছে। গতিকে এই এড়ী মুগা পাট পলু আদিত যদি বিশেষ চকু দিয়া হয় আৰু মানুহবোৰক সাহায্য দিয়া হয় ইয়াৰ যথেষ্ট উন্নতি হব। Jagiroad ত যিটো Spun Mill প্ৰতিষ্ঠা হৈছে তাৰ পৰা বিশেষ লাভ হোৱা নাই। ইয়াৰ পৰা কোনো Net Profit পোৱা নাই, ইয়াৰ মূল কাৰণ হ'ল এই যে এই Coco ons বিলাক বাহিৰৰ পৰা আনিব লগা হয় আৰু সেইকাৰণেই খৰচৰ পৰিমান বৰ বেচি হয়।

প্ৰত্যেক আঞ্চলিক পঞ্চায়তৰ যিবিলাক Cocoons. demonstration centre আছে তেওঁলোকৰ জৰিয়তে যদি গাৱৰ পৰা Cocoons বিলাক সংগ্ৰহ কৰি আঞ্চলিক পঞ্চায়তত জমা কৰি ৰাখে আৰু তাৰ পাচত

জাগীৰোদলৈ পঠিয়াই, তেতিয়াহে আমাৰ খৰচো কম পৰিব আৰু গাৱলীয়া ৰাইজৰ আৰ্থিক উন্নতিও হব।

মই ভাবো চৰকাৰী অনুষ্ঠান যি বিলাক আছে, তাত বিশেষকৈ Sericulture Demonstrator থকাৰ কাৰণে এই অনুষ্ঠান বিলাকত কিছু কাম হৈছে বুলি কব পাৰি ;— কাৰণ তাত এৰি-মুগা আদি উৎপন্ন হৈছে আৰু এই বিলাক যদি ভাল দৰে বৃদ্ধি কৰিবলৈ চেষ্টা কৰা যায়, তেন্তে সকলো ক্ষেত্ৰতে ভাল হয় আৰু আমাৰ চৰকাৰ লাভবান হব পাৰিব। সেইকাৰণে চৰকাৰে এই শিল্প বিলাকৰ বাবে ভাল দৃষ্টি ৰাখি অধিক উন্নতি কৰিব বুলি মই আশা ৰাখিছোঁ।

(সময়ৰ সঙ্কেত)

মাননীয় সভাপতি ডাঙৰীয়া, মই অলপ কৈয়েই সামৰণি মাৰিম। আজি আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰতো উন্নতি সাধন কৰিবলৈ যথেষ্ট চেষ্টা কৰিছে। স্কুল সমূহৰ উপৰিও প্ৰায় বিলাক ঠাইতেই ৩/৪ খনকৈ কলেজ স্থাপন হৈছে। কিন্তু আমাৰ মূলকথা হৈছে প্ৰাইমাৰী স্কুল। গতিকে এই Primary Stageটো যদি ভাল কৰা নহয়, তেতিয়াহলে আমি শিক্ষাত অগ্ৰগতি লাভ কৰিব নোৱাৰোঁ।

তাৰ পাছত কিছুমান স্কুলত বহুতো ছাত্ৰ ছাত্ৰীৰ সংখ্যা থাকে। কিন্তু তাত এজনহে শিক্ষক আছে। গতিকে মই চৰকাৰক অনুৰোধ কৰো যে তেনে ধৰণৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট থকা স্কুল বিলাকত অন্ততঃ দুজন শিক্ষক দিয়াটো উচিত আৰু ছাত্ৰ সকলৰ ওপৰত ভালকৈ চকু ৰাখিবৰ কাৰণেই দুজন শিক্ষকৰ আৱশ্যক হয়, নহলে এজন শিক্ষকেই ইমান বিলাক ছাত্ৰক Control কৰা টান হয় সেইকাৰণে মই ভাবো প্ৰাইমাৰী অৱস্থাৰ পৰাই শিক্ষাৰ পদ্ধতি ভাল কৰি আনিব লাগে। তাৰোপৰি আমাৰ ৰাজ্যত বহুতো Venture স্কুল আছে। এই বিলাক চৰকাৰে ভালদৰে চাব লাগে। কিন্তু চৰকাৰে যেনেদৰে নজৰ ৰাখিব লাগে সেইদৰে নজৰ ৰখা নাই। বহুতো স্কুলৰ খৰচ-পাতি ৰাইজেই বহন কৰি আছে। এই বিলাক কৰোঁতে আৰম্ভৰে পৰা শেষলৈকে প্ৰায় ৫০/৬০ হেজাৰ টকা খৰচ হয়। সেই কাৰণে এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ ফালৰ পৰা ঘৰ-দুৱাৰ কৰিবৰ কাৰণে

অন্ততঃ grant দিয়াৰ ব্যৱস্থা থকালৈকে মঞ্জুৰী দি থাকিব লাগে আৰু স্কুল বিলাকৰ Terms and condition ঢিলাই দিব লাগে। (voices—কি ঢিলাই দিব লাগে ? )

Terms and condition —অৰ্থাৎ আহিলাপাতি। এইবিলাক ঢিলাই দিব লাগে। ১০০/৮০ জন ছাত্ৰ-ছাত্ৰী থকা স্কুল এখনৰ মঞ্জুৰী সোনকালে পাবৰ কাৰণে ব্যৱস্থা ৰাখিব লাগে। বিশেষকৈ এই ক্ষেত্ৰত আমাৰ পিচ-পৰা সম্প্ৰদায় অঞ্চলত থকা স্কুল বিলাকক Betray কৰা হয়। গতিকে যাতে এনে নহয় তাৰ বাবে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Bhubaneswar Barman—মাননীয় সভাপতি মহোদয়, আমাৰ বিত্তমন্ত্ৰীৰ ঘাটি বাজেটৰ সংক্ৰান্তত আমি বৰ আচৰিত হৈছো যে বিত্তমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক বছৰে এনেকুৱা ঘাটি বাজেট অনাত আমি কোনোবক-মেই সন্তুষ্ট হব পৰা নাই। এই বাজেটত বিশেষকৈ সমাজৰ যিটো প্ৰতি-চ্ছবি ওলাব লাগিছিল তেনে প্ৰতিচ্ছবি আমি দেখিবলৈ পোৱা নাই।

বিশেষকৈ আমাৰ অসম ৰাজ্যখন কৃষি প্ৰধান দেশ হিচাবে গণ্য হোৱাৰ পাছতো যদি পৰিকল্পিত ভাবে আচনি সমূহ কৃষিৰ অভিমুখী নোহোৱাত কৃষিৰ ক্ষেত্ৰতেই হওঁক বা আৰ্থিক অৱস্থাতেই হওঁক আমি আগবাঢ়িব পাৰিছোঁ-বুলি ধাৰণা কৰিবলৈ আমাৰ থল নাই আৰু বৰ্ত্তমানে কৃষিৰ ক্ষেত্ৰত যি সমস্যা উদ্ভৱ হৈছে সেই সমস্যা ক্ৰমে জটিল হৈ পৰিব যদিহে আমি কৃষক সকলৰ আৰ্থিক অৱস্থা উন্নত কৰিব নোৱাৰো। কৃষকৰ ওপৰত টেক্সৰ বোজা জাপি দিলেই আমি এই সমস্যা সমাধান কৰিব নোৱাৰোঁ। (সময়ৰ সঙ্কেত)

( voices—No quorum. )

Shri Kamakhya Prasad Tripathi—এতিয়া centralৰ যিটো নতুন Taxation হৈছে সেইটোত 93% p.c. Tax হৈছে।

(Voices—সেইটো Total ৩ লাখৰ ভিতৰতহে হৈছে )

নহয়, incomeৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছে।

Shri Bhubaneswar Barman—যি নহওক, আজি আমি কৃষিৰ ক্ষেত্ৰত নানান সমস্যা দেখিছোঁ তাৰ ভিতৰত আমাৰ মাটিহীন কৃষকৰ সমস্যা

কম নহয়। কিন্তু এই সমস্যাবোৰৰ সমাধানৰ কাৰণে যি আলোচনা চলিছে তাৰ প্ৰতিদান স্বৰূপে যেনে ব্যৱস্থা লব লাগিছিল আৰু যি সকল ভূমিহীন কৃষকক মাটি দিব লাগিছিল। সেই সকল কৃষকক মাটি দিয়া হোৱা নাই। কিছুমানলোকক মাটি দিছে কিন্তু বেচি ভাগেই মাটি থকা লোক। যি সকলে দিনেই হালবায় সেই সকলে পোৱা নাই। আজি চৰকাৰৰ মাটি বিতৰণৰ নীতিমতে প্ৰকৃত ভূমিহীন কৃষককহে মাটি দিব লাগিছিল। যি সকল ভূমিহীন কৃষকে দেউতাকৰ দিনৰ পৰা বা পূৰ্ব্ব পিতামহৰ দিনৰে পৰা আনৰ মাটিত খেতি কৰি মাটি খাই আহিছে সেই সকলেহে চৰকাৰৰ পৰা প্ৰথম মাটি পাব লাগিছিল। কালেগাওঁ, গৰুমাৰা, আৰু বৰঘাগ্ৰা আদিত এনেধৰণৰ বহুত কৃষক আছে; কিন্তু তেওঁলোকে মাটি পোৱা নাই। উপায় নেপায় তেওঁলোকে হাবি কাটি Reserve ভাঙি মাটি উলিয়াইছে। কিন্তু তেওঁলোকক চৰকাৰে বে-দখলকাৰী বুলি অভিযোগ কৰি উচ্ছেদ কাৰ্য্য আৰম্ভ কৰিছে। খেতি পথাৰৰ শস্য নষ্ট কৰিছে। এইটো বৰ দুখৰ কথা যে চৰকাৰী বিষয়া সকলে কিছুমান দালালীৰ লগত সহযোগ কৰি এই উচ্ছেদ কাৰ্য্য আৰম্ভ কৰিছে। অন্যহাতে কিছুমান দালালীয়ে বে-দখল আৰম্ভ কৰি থকা স্বত্বেও তেওঁলোকক উচ্ছেদ নকৰি বসবাসহে কৰিবলৈ দিয়া হৈছে। বৰ দুখ লগা কথা যে দালালীৰ লগত জড়িত হৈ কিছুমানক ঢক্কা দি টকা পইছা লৈ গৈছে আৰু কিছুমানৰ পৰা ২০/৩০ মোন ধান লৈ গৈছে। এইক্ষেত্ৰত বহুতো দা·লীয়ে তেওঁলোকৰ বিৰুদ্ধে নানা অভিযোগ আনে আৰু চৰকাৰে তাত দালালী সকলক সংস্থাপন কৰি তাত খেতি কৰি থকা প্ৰকৃত খেতিয়ক সকলক উচ্ছেদ কৰি তেওঁলোকৰ খাদ্য-শষ্য নষ্ট কৰি তাৰ পৰা খেদি দিয়ে।

সেই কাৰণে চৰকাৰৰ যিটো অপ্ৰাসঙ্গিক নীতি আৰু দালালীৰ যিটো খাজনা লগতে যিটো ঢক্কা সেই বিলাক কোনো ৰকমেই সহ্য কৰিব নোৱাৰি। গতিকে ভবিষ্যতে এই কাৰ্য্যৰ কাৰণে এদিন যে আন্দোলন নোহোৱাকৈ নেথাকে তাত কোনো সন্দেহ নাই।

চেয়াৰমেন মহোদয়, চৰকাৰৰ প্ৰচাৰ বিভাগৰ জৰিয়তে প্ৰচাৰ হৈছে যে-খাদ্য শস্য বৃদ্ধি হৈ বিঘাই প্ৰতি ৩০/৩৫ মোন পৰ্য্যন্ত ধান উৎপন্ন হৈছে বুলি কয়। এনেকুৱা হিচাব কিছুমান পঞ্চায়ত চৰকাৰৰ পৰা হিচাপ দিয়ে। কিন্তু প্ৰকৃত

খেতিয়ক সকলে কয় যে সেই হিচাপ সত্য নহয়। আমাৰ এনেকুৱা কিছু-মান মাটি আছে যি বিলাকত বিঘাই প্ৰতি ২/৩ মোনৰ বেচি ধান নহয়। এই বিলাক মাটিৰ কাৰণেহে চৰকাৰে জলসিঞ্চনৰ ব্যৱস্থা কৰি উৎপাদন বৃদ্ধি কৰা উচিত। চৰকাৰে পঞ্চায়তৰ যোগেদি বিনামূলীয়া সাৰৰ যি যোগান ধৰিছে তাক বেয়া মাটিত দিয়াৰ ব্যৱস্থা হোৱা নাই। তেতিয়াহে অধিক শস্য উৎপাদন হব বুলি কব পৰা যায়। সাৰ দি খেতি কৰিলেও যদি পানীৰ অভাৱ হয় তেন্তে হব নোৱাৰে। এই বিলাক অৱস্থা দূৰ কৰিবৰ কাৰণে সাৰ আৰু জলসিঞ্চন দুয়োটাৰে ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান যি বিলাক ঠাইত চৰকাৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিছে তাত যি সময়ত আচলতে পানীৰ প্ৰয়োজন, সেই সময়ত পানীৰ যোগান নহয়। আমাৰ জলসিঞ্চনবোৰত বাৰিষা পানী পোৱা যায়, কিন্তু খৰালিত পানী শুকাই যায়। যমুনা জলসিঞ্চনৰ নামত লাখ লাখ টকা খৰচ কৰিছে, কিন্তু তাতো বাৰিষা ২ মাহ মানৰ কাৰণে পানী পোৱা যায়, খৰালি পানী পাবলৈ নাই। আমাৰ যি বিলাক নদ-নদী আছে সেই বিলাকত এনেকুৱা জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে যেন — বাৰিষা, খৰালি, বিশেষকৈ খৰালিৰ সময়ত যেন প্ৰচুৰ পৰিমানে পানী পোৱা যায়। বাৰিষা বৰষুণৰ পৰাও পানী পোৱা যায় কিন্তু খৰালি পানীৰ অভাৱত খেতিয়ক সকল বহি থাকিব লগীয়া হয়। গতিকে বাৰিষা আৰু খৰালি যেন দুয়ো সময়তে খেতি কৰিব পৰা যায় চৰকাৰে তাৰ আশু ব্যৱস্থা কৰিব লাগে। তেহে আমাৰ জলসিঞ্চন ব্যৱস্থা কৃতকাৰ্য্য হব। আৰু আমাৰ গাৱঁ বিলাকত বিজুলি শক্তিৰ দ্বাৰাও জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। বজালী, বৰমা, আৰু টিহু পঞ্চায়তৰ কালদিয়া আৰু টিহু নদীত জলসিঞ্চন আচনিৰ বাবে Survey কৰিছিল আৰু আচনি হাততো লৈছিল কিন্তু আজিলৈকে এই বিলাক একো হোৱা নাই। মই দাবী কৰো আৰু চৰকাৰক পৰামৰ্শ আগবঢ়াও যে প্ৰকৃত জলসিঞ্চন খৰালিত কৰা হয়। বৰষুনৰ অভাবত খেতি-বাতি যাতে নষ্ট নহয় তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কালদিয়া, পহুমাৰা, পাগলদিয়া, টিহু আদিত বাৰিষা বান পানী হৈ শস্য নষ্ট কৰে আৰু খৰালি পানীৰ অভাৱত খেতি কৰিব নোৱাৰে। এই বিলাক ৰক্ষা কৰাৰ ব্যৱস্থা কৰক। জলসিঞ্চন আৰু কৃষি বিভাগ - এই দুয়োটা বিভাগৰ দায়িত্ব

এজন মন্ত্ৰীৰ হাতত থাকিব লাগে। যাতে দুয়োটা বিভাগ পৰিচালনা কৰাত সুবিধা হয় এই কথা চৰকাৰে চিন্তা কৰি চোৱা উচিত।

চৰকাৰে কৃষকৰ মাটি সমস্যা দূৰ কৰাৰ পৰিবৰ্ত্তে কৃষিৰ ওপৰতহে নতুনকৈ Charge Tax লগোৱাৰ ব্যৱস্থা কৰিছে যিটো অতিৰিক্ত কৰ আগেয়ে গাওঁ অঞ্চল বিলাকত প্ৰৱৰ্ত্তন কৰা নাছিল সেইটোৱে বাইজক আচৰিত কৰিছে। টাউন বিলাকত এই কৰ লগোৱা হোৱা নাই। ফলত গাৱঁ আৰু টাউনৰ ব্যৱধানৰ সৃষ্টি কৰা হৈছে। এই কথালৈ বিত্তমন্ত্ৰী মহোদয়ে যেন লক্ষ্য ৰাখে। গৰীব কৃষক সকলে যেন দিনে দিনে বৰ্দ্ধিত আৰু নতুন নতুন কৰৰ পৰা ৰেহাই পাই তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

Chairman মহোদয়, আজি মাটিৰ খাজনাৰ যি ব্যৱস্থা আছে তাৰ দ্বাৰা গৰীব খেতিয়ক সকলক অন্যায় কৰা হৈছে। মই কওঁ যে অন্ততঃ ২০ বিঘালৈকে মাটিৰ খাজনা মাফ দিব লাগে। যি বিলাক মানুহৰ মাটিৰ পৰিমাণ ২০ বিঘা বা তাৰ তলত আছে তেওঁলোকৰ পৰা খাজনা আদায় কৰিব নালাগে। যি বিলাকৰ ২০ বিঘাৰ ওপৰ মাটি আছে তেখেত সকলৰ পৰা খাজনা লোৱাৰ ব্যৱস্থা কৰিব লাগে।

অতি দুৰ্ভাগ্যৰ কথা যে সদনৰ 'থুল'ৰ অভাবৰ কাৰণে সময়ে সময়ে স্থগিত ৰাখিব লগীয়া হৈছে। এই দৰে হলে কবলগীয়া কথাও কোৱা নহয়।

আনহাতে শিক্ষা বিভাগটোত যিবোৰ দুৰ্নীতি সোমাইছে সেইটো বৰ দুৰ্ভাগ্যৰ কথা। আমি আগতে শিক্ষা বিভাগত দুৰ্নীতি নাই বুলি কোৱা কোই কৰিছিলো কিন্তু এতিয়া অতি আচৰিত হৈছো যে আজি কেই বছৰ মানৰ ভিতৰতে দুৰ্নীতি তলৰ পৰা ওপৰলৈকে শিপাইছে। এইটো আমাৰ কাৰণে ডাঙৰ বিপদ হৈছে। এতিয়া কিবা কাম কৰিব লগীয়া হলে ব্যক্তি গত ভাবে অফিচাৰৰ পৰা কেৰাণীলৈকে সকলোকে হাত কৰিব লাগিব; তেহে কাম হব—যোৱা মাৰ্চ মাহৰ ৩০/৩১ তাৰিখে স্কুল বিলাকৰ বিল বিলাক দিয়া হল। সেই সময়ত গুৱাহাটী, নলবাৰী, বৰপেটাৰ অফিচ

বিলাকত টকা খৰছ নকৰিলে বিল পাচ নকৰা কথাৰ উদাহৰণ বহুতো আছে। এখন স্কুলৰ Head Master ৰে বিল লবলৈ আহিল। কিন্তু কেৰানীক টকা নিদিলে বিল কৰা নহয়, তেওঁ জীৱনত এনে কাম কৰা নাই। ইফালে সিদিনাই বিল ভঙাৰ শেষ তাৰিখ, শেষত উপায়হীন হৈ কেৰানীক সোঁ হাতেৰে দিব নোৱাৰি বাওঁ হাতেৰে টকা দুটা দি বিলখন পাচ কৰাই নিলে। ইয়াৰ পৰা মুক্ত পাবৰ বাবে মই ভাবো কৰ্ম্মচাৰী বিলাকক ৩ বছৰৰ পৰা ৫ বছৰ একেটা বিভাগতে থাকিব দিব নালাগে। এইটো মোৰ অভিজ্ঞতাৰ পৰা কৈছো যে তেওঁলোকক একেটা বিভাগতে ৰাখিব নালাগে।

Shri Kamakhya Prasad Tripathi—কেৰানীবো কথা কৈছে নেকি ?

Shri Bhubaneswar Barman—কেৰানীবো কথা কৈছো ।

Chairman মহোদয়, আজি চৰকাৰে আমাৰ শিক্ষা সংকোচন কৰিছে। শিক্ষা বেচি হলে বোলে দেশত নিবনুৱা সমস্যা বাঢ়ি যায়।

Shri Kamakhya Prasad Tripathi—মাননীয় সদস্যই শিক্ষা সংকোচ হৈছে বুলি কৈছে সেইটো শুদ্ধ নহয় আচলতে শিক্ষাৰ ক্ষেত্ৰত সমোন্বয়ণ কমাই দিয়া।

Shri Bhubaneswar Barman—যিবিলাক Ad. Hoc মঞ্জুৰী প্ৰাপ্তী স্কুল সেইবিলাকৰ শিক্ষাৰ ক্ষেত্ৰত Deficit grant দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে স্কুল বিলাকৰ সুবিধাটো হব আৰু শিক্ষক সকল আৰ্থিক অনাটনৰ পৰা মুক্তি পাব।

(সময়ৰ সঙ্কেত)

ভাৰত চৰকাৰে অহিন্দীবাসী ৰাজ্যত হিন্দী শিক্ষাৰ নামত টকা আগবঢ়াইছে কিন্তু আমাৰ চৰকাৰে খৰছ কৰিব পৰা নাই। যোৱা বছৰ যিকেইটা হিন্দী Post sanction হব লাগিছিল তাক দিয়া নহল। বিত্ত বিভাগে সেইবোৰ নাকচ কৰিলে।

এই হিন্দী ভাষাটো এতিয়ালৈকে High Schoolত class VIII আৰু Higher Secondaryত class V পৰা X লৈ, এম,ই স্কুলত IV আৰু V লৈ

বাধ্যতামূলক ভাৱে শিক্ষা দিয়া হয়। আনহাতে এম,ভিৰ পৰা পাচ কৰি হাইস্কুলত নাম লগাব টকা ব্যৱস্থা কৰা হৈছে। কিন্তু সমতা ৰক্ষাৰ বাবে চৰকাৰে কাম কৰিব পৰা নাই। এমভি স্কুলত হিন্দী পঢ়োৱা নহয় গতিকে তাৰ পৰা আহি হাইস্কুলত অইন লৰাৰ লগত সমানে আগবাঢ়িব নোৱাৰে।

গতিকে হিন্দী ভাষা ভালদৰে শিক্ষাৰ সুবিধা দিয়াৰ অৰ্থে এম-ভি আৰু হাইস্কুলবোৰৰ সকলোতে হিন্দী শিক্ষক দিব লাগে। ভাৰত চৰকাৰে অহিন্দী ভাষী ৰাজ্যবোৰত হিন্দী শিক্ষা দিবৰ কাৰণে আগবঢ়োৱা টকা অসম চৰকাৰে অযোগ্যতা নে অকৰ্মন্যতাৰ কাৰণে খৰছ কৰিব নোৱাৰিলে এইটো বৰ দুখৰ বিষয়।

যোৱা বছৰ কোনো নতুন স্কুলতে হিন্দী শিক্ষক দিব নোৱাৰিলে। হিন্দী শিক্ষকৰ নামত ধৰা পৰা হেনো বিত্তীয় বিভাগে নাকচ কৰিলে— সেইটো হয় যদি দুৰ্ভাগ্যৰ কথা। এই বিষয়ে তদন্ত কৰি চোৱা দৰ্কাৰ।

হিন্দী শিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য পদক্ষেপ হ'ল - North Gauhatiত এখন হিন্দী কলেজ হোৱাটো। এই হিন্দী কলেজৰ কাৰণে অধ্যাপকৰ প্ৰয়োজন হব আৰু সেই কাৰণেই চৰকাৰে অধ্যাপক হোৱাৰ সুবিধা দিব লাগে আৰু তাৰ বাবে দুয়োটা University Gauhati আৰু Dibrugarhত হিন্দীত M.A class খুলিব লাগে আৰু এতিয়া উপযুক্ত শিক্ষক কৰি অনাৰ বাবে আমাৰ ছাত্ৰক বাহিৰলৈ বৃত্তি দি পঠিয়াব লাগে। এই খিনিকে অনুৰোধ জনাই মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

( No quorum )

Rani Manjula Devi — Mr. Chairman, Sir, you have been using the quorum bell so repeatedly all my inspiration. is waporsted yet I must— say a few words. (A voice : the Education Minister is going away ) Education being one of my subjects of to-day's speech, I hope he will stay on.

It is always pleasant to strike an optimistic note instead of pessimistic one. A silver lining in a dark cloud is always pleasing.

Sir, I was telling that let me follow the healthy sign of having on optimistic view. I am glad that without any trouble Meghalaya is born out of the Re-organisation issue. Re-organisation issue is full of struggle but this time it is a painless labour that has delivered this child- Meghalaya. I hope, the two sister States would keep close co-ordination for mutual benefit and work for the welfare of the people.

Regarding land reform Sir, there is a big hue and cry. But I feel that the Government on doing their best to help the people will the land reforms.

We had a celling of 150 bighas; from that it has come down to 100 and now it has come down to 75 bighas. Govt. lands have been thrown ofen for the landless. Recently in the Goalpara District, 56 thousand 56 bighas have been thrown open for the local people mostly back ward class. It is not possible to make each and everybody a land owner or a land lord. So we are trying out best in this respect and there should not be so much political issue in this respect. Let me also bring another pleasant subject i.e., Agricultural University. That is a great achievement because Assam is an agricultural State, and Agricultural University was a great necessity and it has become an acomplished fact now. At the same time, I must point out to the Hon. Minister for Agriculture, certain things. I will draw his attention to the Animal Husbandry and Veterinary. There is a great demand for Veterinary hospitals but the demand is not met. Regarding the milk supply scheme which is supposed to be for the production and distribution of best

milk, I am sorry to tell you, that it is the most rotten milk that can being supplied. Milk is for the betterment of health and nutrition but this rotten milk causes deseases. I hope that the Government will stop the supply of rotten milk ot improve the quality of milk and see that fresh milk is supplied to the people. Again and again, I have drawing the attention of the Hon. Minister to this fact; I am afraid, it has little effect. Now regarding the food grain production, that is quite satisfactory. In 1968-69, 21.97 lakh tons were produced. That is a record. I hoped in 1969-70, Government would maintain that record. Unfortunately, that record is not maintained. I hope in future, with new method and improved seeds they will produce even more. Regarding jute, I find in 1968-69, 7.78 lakh bales was the production and in 1969-70, 11.31 lakh bales. It has improved but I fail to understand why jutemill is not given to the district of Goalpara inspite of hue and cry there for this industry. Dhubri is the maximum exporting centre for this in the whole eastern region. I cannot understand why this jute mill cannot be installed. I went to Delhi and told our Minister of Industries, Shri F. A. Ahmed about this but he flatly refused; he said, no more public sector—no jute mills for Goalpara even.

Shri Kamakhya Prasad Tripathi : One license was given to Shri Khagen Nath.

Rani Manjula Devi : That was long ago. If someone fails to utilise it that does not mean that the whole region will go without it. There is so much raw materials; why not start the jute mill; why should we not utilise the raw material and why not employ the youth; so many youths are going frustrated roaming here and there; they might be employed.

Shri Biswadev Sarma (Minister Industries) : May I inform the Hon. Member that I myself wrote for jute mill for Goalpara. I had visited the place twice and met all the M.L.As. They did not want private sector jute mill. Then we requested for a co-operative sector jute mill. After long deliberation a committee was set up by them. They requested us first of all to have a jute package project in the Goalpara district and secondly suggested for a jute mill. That is why it is being held up.

Rani Manjula Devi : I meant a public sector jute mill. How many in Goalpara can afford 50 lakhs up in private sector. We want the local people to start so that the public is benefitted and not the capitalists from out-side. Any way, I hope in future at least if not in the private sector, but in the public sector a jute mill will be started. I hope the Government will make a note of it. Regarding industry, I must concede my thanks to the Minister, Industries, for achieving some big target like increasing the refinery capacity by 1. 1 m tons and songtion of petro chemical. There was a big struggle for the second oil refinery by the people of Assam. My congratulation goes to the people for that.

Shri Gaurishankar Bhattacharyya : Increasing refinery capacity does not mean second oil refinery.

Rani Manjula Devi :—Yes, I know 1. 1 m tons increase in capacity was originally planned for the first oil refinery. Refined oil was to flow from Guwahati to Barauni. It was planed by Rumanion experts. But centre turned it aside. second oil Refinery will be a myth or a dream I do not know whether this dream will come true for the second oil refinery. About this petro-chemical plant, we have got permission to start but how long will it take I do not know. It will take not less than

4 years. I am perfectly sure about it. For construction and production it would take that long.

Shri Biswadev Sarma: Central sector or private sector ?

Rani Manjula Devi : Central.

Shri Biswadev Sarma: We are waiting for the clearance from the Government of India. As soon as we get it, it will take 2 years for that.

Rani Manjula Devi : So much of gas is being wasted. Even domestic gas is not topped and utilised. Anyway, I do hope that the Government would take serious view of it and see that atleast some of our youths are employed in Industries. Regarding husking mills, some husking mills licences were recently given, hundreds of them. But very few of these could be utilised and some have applied for extension of time. Do you know the reasons Sir ? It is a huller-shellar mill and the shellar part of is the catch it. The shellar is very expensive. The objective is to give employment to the educated un-employed youth and to help the backward areas, but that objective is defeated because the shellar part of it is too expensive. The shellar part of it is out of the reach of our average youngmen and common man. I hope the Government will take serious view of it and see that husking mills are given with the huller and not the shellar part of it so that our youths can be employed and can earn something.

Shri Biswadev Sarma : The shellar is not necessary.

Rani Manjula Devi : It is a legal bar so that every one may not utilise it.

Now, I draw the attention of the Minister for Industries that the tempo of small scale industries must be

stepped up. There must be enough scope for small scale and cottage industries. There is enough raw material and the people are also there wanting to work these industries. Sir, I think the nationalisation and decentralisation of banks will open more scope for giving loans and it is a welcome thing that the Prime Minister has nationalised these banks to make the youths of the country- utilise this nationalisalion of the banks so that they could get some advantage out of it. I am very glad for it but the impetus must also come from the Government side to give the initiative to the youths. Sir, there were some industrial tours by the youths of Assam. I do not know –some of them have applied I think but not all of them. It should be imperative that those boys who have undertaken the tour should take up some industries or other.

Shri Biswadev Sarma—:In Goalpara district 53 industries have come up.

Rani Manjula Devi — I know only 14. However, this tour is not a pleasure trip. The Government has spent so much money and that should be fully utilised to make the tour justified.

Now, I will come to the big headache, and that is the Electricity Board. Of course, there is constant borrowing of several crores of rupees, and now it is proposed to borrow another 16 crores. But the wastage and the loss that were occurred during the Kapur's regime, that was a big headache. I do hope that this would not be repeated. I hope that the Govt. would take a serious note that the officers do not waste the wealth of the State. ( Bell rang ). Sir, there was no quorum. So I had to sit down, that curtailed my speech.

Sir, now we are selling power to West Bengal, Tripura, Nagaland and NEFA. I do hope that this sale of power

will make up some of the deault of the Electricity Board so that they need not borrow so many crores of rupees again and again. I hope their sale of power will wipe out some of the past debts. Then it will justify our selling the power to other States. Sir, rural electrification is a crying need. There is some snag. I know that in my own area, on the north bank some electrification is going on . But it is done at snail's pace. But on the south bank, in Lakhipur side to other plane the Dudnai there is no electricity. As it is, most undeveloped beca-use there is no transport facility. At the same time, there is no electricity. So, we must make some arrangement to develop the area, and I want to draw the attention of the Minister to that aspect of the matter, employment of youth then through heaven.

Regarding employment, Sir, employment cannot be given to any and everone. But through industries, through rural electrification so many people can be employed, and that should be our main objective. In that way; all the frustration and the troubles for economic struggle would end to a certain extent.

Regarding education, I am sorry, Sir, that the Edu-cation Minister has just got out when I started to speak. Sir, in the matter of primary education, for the improvement of schools, 28.76 lakhs has been provided. But so far this time the primary schools have received nothing. There is a big cry have for want and I do not know how we are going to face our constituencies. So many school buildings are destroyed by fire, by wind and other natural calamities. Telegrams are pouring in. But nothing a economy out by it. I do not know what is happening to the Education Department ? What is the mystery of it ? Why the primary schools are not given the money ? I would like to have a clarification on this mystery.

Regarding the matter of education I would .like to say something very serious. There is something very wrong somewhere in our education look at the products of our education system. Our youths, our college students and school students — why are they so frustrated ? The main objectives of education now seem to be the destructive policy. This is very dangerous. They are the future citizens of India. What are they going to be ? We must change the system of education altogether. There is no moral and spiritual foundation laid down for them. Now, in the families, the struggle for existence is so much that the parents do not give so much time to their children and the schools too do not give them any sense of security. What is going to happen to the youth the future of Assam ? Is the future going to be a complete blank with the destructive policy of the youths ? But it is not their fault. I never blame the students; it is our fault. We have not given any concrete plan for moral education chance for self development. For instance, in the social defence there is not a single scheme for Youth Welfare. All the other things are there. But no Youth Welfare Club no youth are included. I request the Hon'ble Minister for Social Welfare to make a serious note of it and see that this subject of youth gets priority.

Regarding the moral build-up and the spiritual foundations' of the youth the voluntary organisations, the women's organisations will come to use. It cannot be simply the artifical politicial set up that can create a man ; it is the hearts that create a man. It is the woman that rules the hearth gives the security of the home and the heart to the child. So, I do hope that more importance is given to the Women's Voluntary Organisations like the Mahila Samity. They have now become in active. But unless the Govt. gives them the proper initiative and inspiration, these voluntary women's organisations

will not start functioning as they should. In foreign countries, the Mahila Samity has a place as a branch of international women's Organisations it is affiliated to the all India Women's Conferency. The National Council of Women of India, the Indian Council of Social Welfare and other International Welfare Organisation. But still they cannot do anything because our Government of Assam are not giving the due importance to them as they should. I do feel that this importance should be given.

Sir, there is only one more point and that is about the O.B.C. I must thank the Govt. that they have made provision for them. It is very necessary because these backward blasses feel neglected. In the whole population of Assam there should be no section which should have feeling of being neglected. So, I am glad that they are doing something for it. But that is not enough, and I do hope the Govt. will do more to build others true citizen of Assam and India. Thank you, Sir.

M. Shamsul Huda:— माननीय Chairman মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই যি খন বাজেট এই সদনত দাঙি ধৰিছে, সেইটো গতানুগতিক ভাবে সন্দেহজনক হৈছে। কাৰণ ইয়াত আমাৰ সাধাৰণ মানুহৰ বাবে যি খিনি আমি আশা কৰিছিলো - সেই খিনি আমি দেখিবলৈ পোৱা নাই, বৰং কংগ্ৰেছ চৰকাৰৰ যিটো সমাজবাদৰ ব্যৱস্থা সেই ব্যৱস্থাক কোনোমতে ৰক্ষা কৰাৰ চেষ্টা কৰিছে। আজি পৃথিবীৰ নানা দেশৰ নানা জাতিৰ যি সমাজ তান্ত্ৰিক বিচাৰ সেইটো আজি ভাৰতবৰ্ষত অপৰিহাৰ্য্য হৈ পৰিছে। কংগ্ৰেছ চৰকাৰে আজি ভাৰতৰ জাতীয় প্ৰয়োজনীয়তাক অৱজ্ঞা কৰি ভাৰত সমাজতন্ত্ৰৰ বিপক্ষে জনসাধাৰনক পৰিচালিত কৰিব ধৰিছে। কিন্তু প্ৰয়োজনীয় ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে কংগ্ৰেছ চৰকাৰে আগৰ দৰেই পুজিপতি সকলক ধনী কৰি গণতন্ত্ৰ চলাই যাবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত আমাৰ কংগ্ৰেছ চৰকাৰে যিটো কৰিবলৈ ওলাইছে, তাত দেখা যায় যে সাধাৰণ মানুহক শোষণ কৰি পুজিপতি

সকলক আৰু ধনী হবলৈ দিয়াৰ ব্যৱস্থা কৰিছে আৰু আগৰ দৰেই যি শোষণ কাৰ্য্যই প্ৰভাব বিস্তাৰ কৰিছিল সেই শোষণ যন্ত্ৰক বিনা বাধাই চলাই যাবলৈ যত্ন কৰিছে।

এই বছৰ আমি আশা কৰিছিলো যে এই চৰকাৰে জনসাধাৰণক Tax ৰ পৰা ৰেহাই দিব, কিন্তু এই দুখীয়া সাধাৰণক যোৱা ২২/২৩ বছৰ ধৰিও কৰৰ পৰা ৰেহাই দিয়া নাই। বৰঞ্চ এই বাজেটত ১৫ টা নতুন কৰৰ ব্যৱস্থা আংশিক ভাবে দুখীয়া জনসাধাৰণৰ ওপৰত কৰ লগাইছে। সেই কাৰণে দেখা যায় যে সাধাৰণ মানুহৰ ওপৰত কৰৰ বোজা জাপি দি শোষণ কৰাৰ ব্যৱস্থাহে কৰিছে। ই হৈছে সাম্ৰাজ্যবাদৰ বিপক্ষে কৰা কাম। এই কাম কোনো ৰকমেই সহ্য কৰিব নোৱাৰি। — (সময়ৰ সঙ্কেত)

Mr. Chairman :— "No quorum"

M. Shamsul Huda : আমি আজি যদি বনিক সম্প্ৰদায়ৰ ওপৰত বা পুঁজিপতি সকলৰ ওপৰত কৰৰ ব্যৱস্থা কৰিলেহেঁতেন, তেতিয়া হলে আমাৰ ৰাজহৰ ধন কিছু বৃদ্ধি হলহেঁতেন আৰু আমাৰ সাধাৰণ জনসাধাৰণকো অন্যহাতে কৰৰ বোজাৰ পৰা ৰেহাই দিব পাৰিলেহেঁতেন। কিন্তু আজি দেখা গৈছে আমাৰ শতকৰা ৮০ ভাগ দুৰ্ভগীয়া মানুহৰ ওপৰত কৰৰ বোজা বঢ়াই দিছে। কিন্তু আমাৰ চৰকাৰে উৎপাদনৰ ব্যৱস্থা সু-পৰিকল্পিত ভাবে কৰিব পৰা নাই। আজি দেখা যায় যে কিছুমান কৰ ধনী সম্প্ৰদায়ৰ ওপৰত লগাইছে যদিও সেই বিলাক আদায় কৰাৰ চেষ্টা কৰা নাই। আজি সাধাৰণ মানুহে যি বিক্ৰীয় কৰ দিবলগীয়া হৈছে, সেই বিক্ৰীয় কৰ যদি ব্যৱসায়ী সকলৰ হাতত জমা থাকে, তথাপিও সেই কৰ ব্যৱসায়ী সকলৰ পৰা আদায় কৰাৰ চেষ্টা বা ব্যৱস্থা কংগ্ৰেছ চৰকাৰে কৰা হোৱা নাই। আজি যি ধৰণে সাধাৰণ মানুহৰ ওপৰত কৰৰ বোজা পৰিছে সেই ধৰণে ৰাজহৰ ধন বৃদ্ধি পোৱা নাই। তাৰ পৰিবৰ্তে আজি ব্যৱসায়ী লোকক এই বিক্ৰিয় কৰৰ পৰা ৰেহাই দিয়া হৈছে। আজি দেখা যায় যে কিছুমান কৰ ধনী ব্যৱসায়ী সকলৰ ওপৰত লগাই সেইবোৰ আদায় কৰাৰ চেষ্টা কৰা নাই আৰু সাধাৰণ মানুহে আজি বিক্ৰিয় কৰ দিব লগীয়া হৈছে সেই বিক্ৰিয় কৰ যদি ব্যৱসায়ী সকলৰ হাতত জমা হয়, তথাপিও চৰকাৰে সেই কৰ আদায় কৰাৰ ব্যৱস্থা হাতত লোৱা নাই আজি যি ধৰণে সাধাৰণ

মানুহৰ ওপৰত কৰৰ বোজা বৃদ্ধি পাইছে সেই ধৰনে ৰাজহৰ ধন বৃদ্ধি হোৱা নাই। তাৰ পৰিবৰ্তে আজি ধনীলোকক এই কৰৰ পৰা ৰেহাই দিছে।

আজি চৰকাৰে Deficite Budget দাঙি ধৰিছে আৰু আমি যদি কোনো এটা কামৰ কাৰনে অনুৰোধ কৰো তেতিয়া চৰকাৰে কয় টকা নাই; কিন্তু টকা হব কৰ পৰা? টকা হলহেতেন যদিহে বণিক সকলক কৰৰ পৰা ৰেহাই নিদিলেহেঁতেন!

মাননীয় সভাপতি মহোদয়— আজি গোটেই ৰাইজৰ ওপৰত ব্যাপক ভাবে Tax ৰ বোজা পৰিছে আৰু তাৰ ভিতৰত আটাইতকৈ কৰৰ ভাগ দিছে গুৱাহাটী নগৰত, কিন্তু তাৰ Sale tax অফিছটো আছে শ্বিলঙত আৰু Officer ও থাকে শ্বিলঙত। কেবল মেঘালয়ৰ কাৰণে দুই এটা অফিচ যেনিবা গুৱাহাটী গৈছে।

তাৰ পাছত অসমৰ যিখিনি Private গাড়ী আছে সেই বিলাকৰ Tax আদায় কৰা হোৱা নাই। এনেকুৱা Tax নথকা গাড়ী অসমত বহুত আছে। আমি দেখিবলৈ পাইছো যে কিছুমান মটৰ গাড়ীৰে অসমৰ কাঠকে আদি কৰি বহু ৰকমৰ বস্তু বাহিৰলৈ লৈ যায়, কিন্তু সেই বিলাকৰ টেক্স লগোৱা হোৱা নাই। সেই বস্তু বিলাক যত Pock কৰা হয় তাত মানুহ জনক অসম চৰকাৰৰ C.I.D. Police আদিয়ে বিচাৰি উলিয়াব নোৱাৰে আৰু সেই বস্তু বিলাক যলৈকে পঠোৱা হয় তাতো মানুহজনক বিচাৰি পোৱা নাযায়। এই দৰে অসম চৰকাৰৰ পাবলগীয়া বহুতো টকা নোপোৱা হৈছে আৰু Sale-tax বিভাগৰ এইদৰে যি দুৰ্নীতি চলিছে সেইটো নিৰ্মূল কৰাৰ ব্যৱস্থা কৰা নাই। এই বিভাগটোৱে ব্যৱসায়ী সকলৰ পৰা ঘোচ খায়। কিন্তু ব্যৱসায়ী সকলৰ পৰা বিক্ৰীয় কৰ আদায় নকৰে। আৰু আদায় কৰাৰো ব্যৱস্থা চৰকাৰে কৰা নাই।

তাৰ পাছত আজি দেখা যায় যে কিছুমান বস্তু অসমৰ পৰা বাহিৰলৈ যায় আৰু বাহিৰৰ পৰা অসমলৈও আহে। আমাৰ অসমৰ পৰা যিবিলাক বাহিৰলৈ যায় সেই বিলাক বস্তু নিৰ্দ্দিষ্ট ঠাই পোৱাৰ লগে লগে তেওঁলোকে Sale-tax আদায় কৰে। কিন্তু যি বিলাক বস্তু অসমলৈ আহে আমাৰ

আমাৰ চৰকাৰে সেই বিলাকৰ Anti-tax লগোৱাৰ ব্যৱস্থা কৰা নাই। উদাহৰণ স্বৰূপে বুট মাহ ডাইল কলকজা লোহাৰ বস্তু ইত্যাদি।

আৰু এটা আচৰিত কথা যে আমাৰ মাননীয় সদস্যা শ্ৰীমতী লিলি সেনগুপ্তাই কৈছে যে প্ৰকৃততে অসমত যি বিলাক সম্পত্তি আছে যেনে- তেল শোধনাগাৰ আৰু অন্যান্য উদ্যোগ এই বিলাক আমি আমাৰ অসমৰ নিজা বস্তু বুলি কব নোৱাৰো। কাৰণ এই তেল শোধন কৰিবৰ কাৰনে অসমৰ তেল বাহিৰলৈ নিছে। আৰু বাৰাউনিত ইয়াৰ শোধনাগাৰ পাতিছে, কিন্তু অসমৰ তেলৰ কাৰনে বাৰাউনিত শোধনাগাৰ পতাৰ উদ্দেশ্য কি আছিল ? কিন্তু তেওঁবিলাকে বাৰউনী শোধনাগাৰক কিয় বাধা দিব নোৱাৰিলে। কেন্দ্ৰীয় চৰকাৰৰ ঘোষণাতেই যদি অসম চৰকাৰ সন্তুষ্ট হয় তেতিয়াহলে আমাৰ কোনো কামেই নহব। আজি অসমৰ পৰাই অসমৰ তেল বাহিৰলৈ যায় কিন্তু তাৰ Sale-tax আমাৰ অসমে নাপায় আৰু ইয়াক আমাৰ চৰকাৰে আদায়ো কৰিব নোৱাৰে। অসমৰ পৰা তেলযায় বিহাৰলৈ। এই বিষয়ত যদি আমাৰ চৰকাৰে এটা দাবী দাঙি ধৰি ইয়াক বাধা দিয়েগৈ তেতিয়া হলে কেন্দ্ৰীয় চৰকাৰে এইটো তেতিয়াও কৰিব নোৱাৰে।

Shri Kamakhya Prasad Tripathi :— এই কেচটো High-court লৈকো গৈছিল। কিন্তু কেচ চিগা নাই। এতিয়া High-court এ যি ৰায় দিয়ে সেই ৰায়মতেই কাম কৰিব লাগিব।

M. Shamsul Huda :— প্ৰয়োজন পৰিলে সংবিধান সংশোধন কৰি হলেও এইটো কৰিব লাগিব। এইটো যদি আজিয়েই সংশোধন নকৰে তেতিয়াহলে এইটো চিৰদিনৰ কাৰণেই চলি থাকিব। এইটো আজি ভবাৰ দিন আহিছে। আজি কেৱল সেইটোৱে নহয়, চাহৰ ক্ষেত্ৰত আমি দেখিছো যে, আমাৰ চাহ বাহিৰলৈ যায় আৰু ফলত লাভবান হয় পশ্চিমবংগ। ফলত অসমৰ বহুত টকাই লোকচান হৈছে। আজি যদি এই চাহৰ বজাৰ অসমৰ কোনো এঠাইতে পতা হয় তেতিয়াহলে ইয়াৰ বিক্ৰীকৰ আমাৰ অসমেই আদায় কৰিব পাৰিব।

( সময়ৰ সংকেত )

চাব মোক আৰু কেইমিনিটমান সময় লাগে। ইয়াৰ উপৰিও আমাৰ Revenue সম্পৰ্কে মোৰ কিছুমান কথা আছে। এই সম্পৰ্কত পঞ্চায়তৰ যি বজাৰ আছে সেই সম্পৰ্কত মই এটা প্ৰশ্নও কৰিছিলো। কিন্তু তাৰ কোনো ভাল সমিধান নাপালো। পঞ্চায়তৰ বজাৰ বিলাক ডাকত দিয়া যি ব্যৱস্থা তাৰ কোনো ভাল সংগতি নাই। আজি এই পঞ্চায়ত বিলাক ৰাজনৈতিক কৰ্ম্মীসকলৰ ভৰন-পোষণৰ ব্যৱস্থাৰ বাহিৰে অন্য কোনো কাম হোৱা নাই। এই বিলাকৰ জৰীয়তে কংগ্ৰেছ চৰকাৰৰ ৰাজনৈতিক ভৰন-পোষণৰ ব্যৱস্থা ৰখা হৈছে। উদাহৰণ স্বৰূপে মই ধিং বজাৰৰ কথাই কৈছো। ৪ হাজাৰ টকাত ডাকত দিলে। আৰু যোৱা বছৰ ডাক হৈছিল ১৯ হাজাৰ টকাৰ। এই বজাৰখন আচলতে দুই লক্ষ্য মান টকাৰ হব। কংগ্ৰেছৰ দালালক সুবিধা দিয়াৰ কাৰনেই আজি এই বজাৰখনৰ এই অৱস্থা। ডাক যেতিয়া কৰা হয় তেতিয়া এটা কমিটি কৰি দিয়া হয় যদিও এই কমিটি একেবাৰে Reckless.

Shri Lakshmi Prosad Goswami :- এই বজাৰখন মই জনাত দুই লাখ টকাৰ আছিল। গতিকে বজাৰখন এতিয়া Town কমিটিক দিয়া হৈছে।

M. Shamsul Huda :—Town-Committee কৰি কিমান বজাৰ ৰক্ষা কৰিছে বা কিমানৰ কল্যাণ সাধন কৰিছে? আজি এইদৰেই ৫০/৬০ হাজাৰ টকাৰ বজাৰ অতি কম পইচাতে দালাল সকলক দি দিছে।

Shri Debendra Nath Hazarika :— (Minister of State, Panchayat) এইটো বিষয় মহকুমা পৰিষদত আলোচনা কৰিব পাৰিব।

M. Shamsul Huda :— মহকুমা পৰিষদৰ আলোচনাতো আমি Majority হব নোৱাৰো কাৰণ সেইফালে Majority হয়।

ইয়াৰোপৰি আমি ফিচাৰী বিলাকৰ ক্ষেত্ৰত দেখিছো যে, ফুলগুৰি বুলি যি এখন ফিচাৰী আছে সেইখন প্ৰায় ১ লাখ ২৫ হাজাৰ টকাতকৈও বেচি মূল্যৰ। কিন্তু আজি সেইখন ৬৫ হাজাৰ টকাতে দিছে। আজি এনেদৰেই চৰকাৰৰ ভুলৰ কাৰণেই ৰাজহুৱা ভৰালৰ বহুত ধন এনেয়ে হেৰাই গৈছে।

আজি চৰকাৰে যি Loan দিছে সেই Loan চৰকাৰে আদায় কৰিব পৰা নাই। যদি সেই Loan ঠিকমতে আদায় কৰিব পাৰিলেহেতেন তেতিয়াহলে আমাৰ ৰাজহৰ ভঁৰাল চহকী হলহেঁতেন। আমাৰ চৰকাৰে সমাজবাদী সমাজৰ কথা প্ৰত্যেক ক্ষেত্ৰতে কয় কিন্তু কাৰ্য্যত তাৰ সম্পূৰ্ণ বিপৰীত। আমাৰ দেশত আমাৰ ৰাজহৰ ভৰাল চহকী কৰাৰ মূল হয়তো বহুতেই আছে। কিন্তু আমাৰ চৰকাৰে এই বিলাক পথ লব পৰা নাই। আজি যি কোনো ক্ষেত্ৰতেই যত কংগ্ৰেছৰ Political Sufferer বেচি তাতহে চৰকাৰে বেচি গুৰুত্ব দিয়ে। আজি যতেই এনেকুৱা কংগ্ৰেছৰ Political Sufferer বেচি তাতেই আজি যি কোনো বিষয়ৰ Permit বেচি। আজি মই বাচৰ Licence ৰ কথাকে কও। আজি কিছুমান দালালে Permit লৈ সেই Permit ৰ অপব্যৱহাৰ কৰিছে ফলত চৰকাৰৰ আয় বেলেগৰ পকেটস্থ হৈছে। আজি চৰকাৰৰ যি উপাৰ্জনৰ ৰাস্তা আছে চৰকাৰ সেই ৰাস্তাৰ পৰা সদায়েই আতঁৰি আহিছে। মই এতিয়া সেই কথালৈ নাযাও। মই মাত্ৰ নিবনুৱা সমস্যাৰ কথা কেইটামান উন্নুকিয়াম।

Mr. Chairman :—অলপ চমু কৰক।

Mr. Shamsul Huda :—আজি নিবনুৱা সমস্যাৰ কথা সকলোৱেই কৈছে। আজি অসমত ১৪ লাখ নিবনুৱা আছে। ইয়াৰ ভিতৰত শিক্ষিত অৰ্দ্ধশিক্ষিত আৰু নিৰক্ষৰো আছে।

আজি আমাৰ গাৱঁবিলাকত লাখ লাখ নিবনুৱা আছে। আজি সেই-সকলৰ কথা কোনেও চিন্তা নকৰে। সেইসকলক চাকৰি দিয়াৰ কথা কোনেও চিন্তা নকৰে। আৰু একেলগে সকলোকে চাকৰি দিয়াতো সম্ভৱো নহয়। কিন্তু যাৰ দ্বাৰা নিবনুৱা সমস্যাৰ কিছু সমাধান কৰিব পৰা যায় তেনেকুৱা ব্যৱস্থা আমাৰ চৰকাৰে নকৰে কিয় ?

যোৱা সাধাৰন নিৰ্ব্বাচনৰ পিছত জনসাধাৰণে আশা কৰিছিল যে চৰকাৰে ভুমি বিতৰণ ক্ষেত্ৰত এটা ন্যাৰ্য্য ব্যৱস্থা হাঁতত লব কিন্তু যেতিয়া উপায়হীন হৈ ভুমিহীন কৃষক আৰু মানুহবিলাকে নিজে গৈ মাটিবোৰ দখল কৰি লৈ বসবাস কৰিবলৈ আৰম্ভ কৰিলে তেতিয়া আকৌ চৰকাৰে এই মানুহবিলাকক

Naxal পন্থি বুলি এওঁলোকৰ ওপৰত নিৰ্ম্মম অত্যাচাৰ আৰম্ভ কৰিলে।

কিন্তু আনহাতে কংগ্ৰেছৰ মুৰব্বী সকলে বেদখল কৰিলে একো নকৰে; উদাহৰণ স্বৰূপে ধিং Town ৰ ভিতৰতে কেশবানন্দ নেওগ নামৰ এজন কংগ্ৰেছ নেতাই প্ৰায় ৬ বিঘা মান মাটি দখল কৰি লয় আৰু সেই ধিং ৰে আন এঠাইত ১৫ বিঘা মাটি দখল কৰি আছে। Nowgong ৰ কাছাৰীত নথিপত্ৰ চাই জনা গৈছে যে তেওঁৰ বিভিন্ন ঠাইত ১০৬ বিঘা ৩ কোঠা ১৭ লেচা মাটি আছে। আজি গৰীব খেতিয়কক তেওঁলোকে ততালিকে উচ্ছেদ কৰিব পাবে কিন্তু নেতাবিলাকক উচ্ছেদ কৰিব পৰা নাই।

যোৱা ২২-৪-৭০ তাৰিখে মোৰ সমষ্টিৰে গৰীব খেতিয়কক উচ্ছেদ কৰিবলৈ যাওতে বন্দুকেৰে টঙানী খাইছে, গুলীয়াইছে, আনকি Sentimentতো আঘাট কৰিছে। যোৱা ১১-৪-৭০ তাৰিখে Mikir Hillsৰ চূণ পোৰা অঞ্চলত মানুহক উচ্ছেদ কৰিবলৈ যাওতে মচ্‌জিদ আদি ভাঙি-চিঙি আনকি পবিত্ৰ কোৰাণ খনো নষ্ট কৰিছে।

(সময়ৰ সংকেত)

সেই কাৰণে উচ্ছেদ কৰোতে ভাল ভাৱে কৰিব লাগে।

(No quorum)

আজি দেশত খাদ্যৰ পৰিস্থিতি বৰ বেয়া হৈছে; নগাওঁ জিলাতে ধানৰ মোনে ৩৫ টকা হৈছেগৈ। সেইদৰে Jorhat, Nowgong, Lakhimpur আৰু আন আন ঠাইতো চাউলৰ চৰা দাম হৈছে গতিকে সকলো ঠাইতে আজি ঘোৰ খাদ্য সংকটে দেখা দিছে? ইয়াৰ আচল কাৰণ হ'ল বেচি-ভাগ উৎপাদিত বস্তু, চাউল ইত্যাদি চোৰাং ভাৱে অইন ঠাইলৈ চালান হয়। আনকি আজি পাকিস্থানৰ পৰা চাউল আনিব লগা হৈছে। মন্ত্ৰী মহোদয়ে, কৈছে পাকিস্থানৰ পৰা চাউল আহিছে ভাল হৈছে। কিন্তু তেওঁলোকে ভাবি চোৱা নাই যে আমাৰ টকাটো পাকিস্থানলৈ গুচি গৈছে।

সেই কাৰণে কৈছো আৱেগৰ ভাৱ নাৰাখি বাস্তৱ দৃষ্টি গ্ৰহণ কৰক।

Shri Ramesh Mohan Kouli :— মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য জনে বাজেটৰ সকলো কথাই আলোচনা কৰিছে। বৰ্ত্তমান বাজেটৰ যিটো অৱস্থা সেইটো সকলোৱে বুজি পাইছে। যিহেতু বছৰি

বছৰি ঘাটি বাজেট পাই আহিছো এইটো একো নতুন কথা নহয় বা আচৰিত হবলগিয়া কথা নহয়।

আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই যিটো ঘাটি বাজেট ডাঙি ধৰিছে ই কংগ্ৰেছৰ ২০ বছৰীয়া শাসনৰ এটা ক্ষীণ প্ৰতিচ্ছবি আৰু failure বুলি মই কব খুজিছো। এই বাজেট বৰ্ত্তমান কল্যানকামী ৰাষ্ট্ৰৰ উপযোগী বাজেট বুলি মই নাভাবো।

আজি দেখা গৈছে যিবিলাক শিতানত টকা খৰচ কৰাটো দৰকাৰ বা প্ৰয়োজন আছিল সেইবিলাকত খৰচ কৰা হোৱা নাই কিন্তু খৰচ কৰা হৈছে য'ত কোনো প্ৰয়োজন নাই। উদাহৰণ স্বৰূপে প্ৰশাসনৰ শিতানত চৰকাৰে বেচিকৈ খৰছ কৰিছে কিন্তু আনহাতে কৃষি, শিল্প, সমাজ কল্যাণ ইত্যাদিত অন্যান্য ৰাষ্ট্ৰৰ তুলনাত বহুত কম খৰচ কৰিছে। মই যদিও বাজেট Expert নহয় তথাপি জানিব পাৰিছো যে অন্যান্য ৰাজ্যত কৃষি, শিল্প, সমাজ কল্যাণ আদিত বেচিকৈ টকা খৰচ কৰিছে আৰু প্ৰশাসনীয় শিতানত অপেক্ষাকৃত ভাৱে কমকৈ খৰচ কৰিছে। সেইকাৰণে আমি আজি বাজেট ঘাটি হোৱা দেখা পালো। ইয়াৰ কাৰণ হ'ল আমাৰ অৰ্থৰ বিভাজনটো ঠিক মতে হোৱা নাই।

এতিয়া দেখা গৈছে যে Nagaland, Jambu & Kashmir আৰু Punjub ৰ বাহিৰে আমাৰ অসমত জনমূৰি ৬৭.১৯ পইচা খৰচ কৰে। এইটোৰ পৰাই বুজা যায় যে আমাৰ ইয়াত আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি খৰচ নকৰি কেৱল প্ৰশাসনীয় ব্যৱস্থা থিক মতে ৰাখি কংগ্ৰেছৰ শাসন চলাই যোৱাৰ হে ব্যৱস্থা কৰিছে।

দ্বিতীয়তে আৰু এটা কথা দেখা যায় যে শিক্ষা বিভাগত ২২ কোটি টকা খৰচ কৰিছে যদিও অন্যান্য ৰাজ্যৰ তুলনাত কৰলৈ গলে এইটো কম হৈছে। ইয়াৰ Per capita income ৰ ফালৰ পৰা এইটো যথেষ্ট হৈছে বুলি কব নোৱাৰি। কিন্তু আমাৰ চৰকাৰে যিমান টকা খৰচ কৰিছে তাৰ তুলনাত দেখা যায় যে আমাৰ প্ৰাইমাৰী স্কুলৰ অৱস্থা বৰ বেয়া। এই স্কুল বিলাকৰ ঘৰ দুৱাৰৰ অৱস্থা বিলাক দেখিলে বৰ দুখ লগা। বিশেষকৈ এল, পি স্কুল বিলাকৰ শিক্ষা পদ্ধতি যি ধৰণে চলিব লাগে

সেই ধৰণে চলা নাই বৰ্ত্তমান যি ধৰণে চলি আছে সেইটো বহুতো তলত পৰি আছে। এনে অৱস্থাত আমি যদি প্ৰাইমেৰী স্কুলৰ অৱস্থাকেই ঠিক কৰিব নোৱাৰো, তেতিয়াহলে হাইস্কুলৰ কথা ভাবিম কেনেকৈ? আজি আপোনালোকে শিক্ষা পদ্ধতি যদি ঠিক কৰিব নোৱাৰে বা উন্নত পথলৈ আনিব নোৱাৰে আৰু যদি শিক্ষাৰ বিকাশ সাধন কৰিব নোৱাৰে তেতিয়াহলে আমাৰ দেশ কোনো ৰকমে উন্নত আৰু স্বাবলম্বী হব নোৱাৰিব। শিক্ষাৰ নামত অযথা টকা পয়ছা খৰছ কৰাটো আমাৰ নিয়ম নহয়।

আজি আমাৰ ৰাজ্যত বহুতো ভেন্‌চাৰ স্কুল আছে। সেই বিলাকৰ অৱস্থাও বৰ শোচনীয়। নতুনকৈ স্থাপন কৰা স্কুল বিলাকৰ অৱস্থাটো নায়েই; কিন্তু বহুতো পুৰনি স্কুলৰ অৱস্থাও বাঢ়িল। গতিকে মই ভাবো প্ৰাইমেৰী স্কুলৰ অৱস্থা ভাল কৰিব পাৰিলেহে আমাৰ দেশৰ শিক্ষাৰ উন্নতি হৈছে বুলি কব পাৰো।

তদুপৰি স্বাস্থ্যৰ বিষয়ে, মেডিকেলৰ বিষয়ে যদি পৰ্য্যবেক্ষন কৰা যায় তেন্তে আমাৰ ৰাজ্যত অন্য ৰাজ্যৰ তুলনাত Percentage হিচাবেও বহুত কম। এই ক্ষেত্ৰত মই কৈছোঁ যে অসমত কেৱল তিনিটাহে মেডিকেল কলেজ আছে। কিন্তু এইটোৱেই যথেষ্ট নহয়। কাৰণ আমাৰ ৰাজ্যত লাখ লাখ ৰোগী আছে। সেই বিলাকৰ চিকিৎসাৰ কাৰণে যথেষ্ট সু-ব্যৱস্থা থকা দৰ্কাৰ। চিকিৎসাৰ কাৰণে যি বিলাক আহিলা-পাতি দিছে সেই বিলাকো আজি বহুবছৰ ধৰি ভাল কৰা নাই। তাৰ বাবে বহুবাৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰা সত্বেও আজিলৈকে ইয়াৰ সু-ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা নহল।

(সময়ৰ সঙ্কেত)

Mr. Chairman: Order, order. There is no quorum. Is this the sense of the House that the House should be adjourned for want of quorum?

(The House indicated approval).

## ADJOURNMENT

The Assembly then adjourned till 9 A.M. on Friday, the 8th May 1970.

**U. Tahbildar,**
Secretary,
Legislative Assembly, Assam.

Shillong
The 7th May 1970